মহম্মদচৰিত।

লিখক

শ্ৰীমহাদেব শৰ্ম্মা এম-এল-এ,

তেজপুৰ।

দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কোণ্ডৰ পৰা

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা

প্ৰকাশিত।

প্ৰথম তাঙ্গৰণ।

[শক ১৮৫০—ভাদ মাহ]

বেচ ॥০ অনা মাথোন

পকা বন্ধা ॥৵০ ঐ

দ্বিতীয় তাঙ্গৰণ

১৮৫৬ শঁক—চ'ত মাহ ।

প্রিণ্টাৰ—শ্ৰীৰাজেন্দ্ৰলাল চৰকাৰ,
কাত্যায়নী মেচিন প্রেচ
৩৯।১, শিৱনাৰায়ণ দাস লেন,
কলিকতা ।

উৎসর্গ

— *:* —

আমাৰ দেশৰ সকলো মছলমান ভাই-ভনীহঁতৰ হাতত আন্তৰিক প্ৰীতি আৰু আমাৰ দেশৰ ঘাই বিশেষত্ব সাম্প্ৰদায়িক স্নেহভাৱৰ নিদৰ্শন স্বৰূপ এই পুথিখনি সিবিলাকৰ হাতত সাদৰে অৰ্পণ কৰিলোঁ।

বিনীত

গ্ৰন্থকাৰকস্য।

উপহার।

শ্রী

শলাগ পত্ৰ

ধুবুৰী অঞ্চলৰ স্কুলসমূহৰ ডেপুটি ইন্সপেক্টৰ মহোদয়ৰ মতামত।

"মহম্মদ-চৰিত"

শ্ৰদ্ধাভাজন শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মা ডাঙ্গৰীয়াৰ ৰচিত মহাপুৰুষ "মহম্মদ-চৰিত" নামধেয় সৰু কিতাপখনি হাতে লিখা অৱস্থাতে দুবেলি-পঢ়ি চালোঁ। কিতাপখনি সৰু লৰা-ছোৱালীৰ নিমিত্তে যুগুত কৰা হৈছে। কিন্তু মোৰ মনেৰে ইয়াত ডেকা আৰু বুঢ়াবো জানিব আৰু শিকিব-লগীয়া বহুত কথা আছে। কিতাপখনিত মহাপুৰুষ মহম্মদৰ কৰ্ম্মময় আৰু ধৰ্ম্মময় জীৱনৰ ঘটনাৱলী চমুকৈ লিখা হৈছে। আমাৰ ভষাত এনেবিধ শিশু-সাহিত্যৰ বৰ অভাৱ। এই ক্ষেত্ৰত শৰ্ম্মা ডাঙ্গৰীয়াৰ চেষ্টা অভিনৱ আৰু শলাগ লব লগীয়া। মোৰবিশ্বাস তেখেতৰ লিখিত মহাপুৰুষ সকলৰ চৰিতা-খ্যান পঢ়ি আমাৰ লৰা-ছোৱালীবোৰে নিজ নিজ ভবিষ্যত জীৱন গঢ়ি তুলিবলৈ ভালেখিনি সহায় পাব। মহাপুৰুষৰ জীৱনৰ নিৰপেক্ষ সমালোচনাৰ বাবে শৰ্ম্মা ডাঙ্গৰীয়াই মুছলমান সম্প্ৰদায়ৰ শ্ৰদ্ধাৰ পাত্ৰ। কিতাপখনিৰ ভাৱ আৰু ভাষা আদিৰ পৰা অন্তলৈ প্ৰাঞ্জল আৰু সুমধুৰ।

২১-৫-২৮ স্বাঃ—শ্ৰীবকশ্ব মহম্মদ।

কৃতজ্ঞতা প্ৰকাশ।

—o:*:o—

বহুতো মছলমান বন্ধুৱে মোৰ (প্ৰথম তাঙ্গৰণ) মহম্মদ-চৰিত্ৰ পঢ়ি অশেষ স্নেহভাব দেখুৱাইছিল আৰু বহুতে প্ৰশংসা পত্ৰও লিখিছিল। এই ছেগতে সিবিলাকক কৃতজ্ঞতা জানালো।

শিক্ষা বিভাগেও অনুগ্ৰহ কৰি মছলমান ছাত্ৰসকলৰ কাৰণে কোৰাণৰ টাইত তল থাপত এইখানি কিতাপকে পাঠ্যৰূপে নিৰ্ব্বাচিত কৰি দিছিল। আশা কৰোঁ এতিয়াও শিক্ষাবিভাগৰ সেই স্নেহপূৰ্ণ বিবেচনাৰ পৰা বঞ্চিত নহম। ইতি—

লিখক—

প্ৰকাশকৰ কথা।

"মহম্মদ-চৰিত" লিখিবলৈ হাতত লোৱা আজি পুৰা ৯ বছৰ হল * ইমান দিনে ইয়াক লিখি শেষ কৰিব নোৱাৰা নিশ্চয় মোৰ নিজৰ পক্ষে দুৰ্ভাগ্যৰ কথা! মই ডাঠি কব পাৰোঁ যে মই হেলা কৰি এই কাম পিচলৈ পেলাই থোৱা নাই। সংসাৰৰ নানান জঞ্জালত পৰি বাধ্য হৈ ইয়ালৈ পিঠি দিব লগা হৈছিল এতিয়াও যে অৱস্থা আগতকৈ বহুগুণে ভাল হৈছে এই কথা কব নোৱাৰি। তথাপি 'ঢৌতে খৰ মৰাদিহে' যেনেতেনে কামটি শেষ কৰিবলৈ মন কৰিলোঁ। মোৰ এই ক্ৰুটী প্ৰকাশ্যে স্বীকাৰ কৰিছোঁ।

মহাপুৰুষ সকলৰ চৰিত শিশুপাঠ্য কৰি লিখিবলৈ অশেষ তপস্যা লাগে। নতুবা হিতে বিপৰীত হবৰ সদায় ভয়। মই অতি সন্তৰ্পণে এই কামত আগ বাঢ়িছো যদিও কিমান খিনিলৈকে নিখুঁত হব পাৰিছোঁ কব নোৱাৰোঁ। সুধীজনে আৰু এই বিষয়ৰ বিশেষজ্ঞ সকলে সহৃদয়তাৰে মোৰ ক্ৰুটী-বিচ্যুতি বিলাকলৈ আঙ্গুলিয়াই দিলে বাধিত হম।

মোৰ বিশেষ আগ্ৰহ যে আমাৰ দেশৰ শিশু সকলে জগতৰ ধৰ্ম্মগুৰু কেজনৰ জীৱনীৰ অলপ আভাস লৈ জীৱনত আগ বাঢ়ক। সেই অৰ্থে 'ত্যাগৰ অৱতাৰ 'বুদ্ধদেৱ' উপহাৰ দি বালিকা সকললৈ 'সাবিত্ৰী' আগ বঢ়োৱা হল। এতিয়া এইখনি আগ বঢ়ালো।—বাকীৰ ভিতৰত খাই 'যিশু জীৱনীও' আধা লিখা হৈ পৰি আছে। সেইখনো এই লগতে শেষ কৰি ইয়াৰ পিচতে তাকো প্ৰকাশ কৰিবৰ মোৰ মন থাকিল। ঈশ্বৰৰ কি বিধান হয় কব নোৱাৰোঁ; কাৰণ বহুত সময়ত আমি দেখিছোঁ যে,—"মনে পতা কথা মনতে যায়—নভবা কথাই লগ পায়"।

---

* টোকাৰ পৰা দেখা যায় যে মই ৬।৮।১৯ তাৰিখেই এই কাম হাতত লৈছিলোঁ।

মোৰ ক্ষুদ্ৰ শক্তি অনুযায়ী নিৰপেক্ষভাৱেই জীৱনী সমালোচনাত আগ বাঢ়িবলৈ মন বান্ধিছিলোঁ। কৃতকাৰ্য্যতা ৰাইজৰ বিচাৰাধীন।

মোৰ বিশ্বাস মহম্মদৰ দৰে কোনো অৱতাৰ পুৰুষে ইমানখিনি কষ্ট স্বীকাৰ কৰি সমাজ গঠনৰ পৰা আৰম্ভ কৰি ধৰ্ম্মদানলৈকে সকলো দান কৰিব লগা হোৱা নাই। মহম্মদৰ জীৱনী কষ্ট আৰু কষ্টসহিষ্ণু হিচাবে অতুলনীয়।

ঠিক এই ভাব টি মনত ৰাখি জন্মাবধি তেখেতৰ কষ্টলৈ চাই জীৱনী পঢ়িলে কাৰো হৃদয় করুণাৰে পূৰ্ণ নোহোৱাকৈ নোৱাৰে।

এই কিতাপখনিৰ হাতে লিখা অৱস্থাতে মাননীয় মৌলবী বকশু মহম্মদ মহোদয়ে পঢ়ি চাই এটি মন্তব্যৰে উৎসাহিত কৰিছে আৰু শ্ৰীযুক্ত দুৰ্গানাথ বৰুৱা আৰু শ্ৰীযুক্ত বিনন্দচন্দ্ৰ বৰুৱা বি. এ. দেৱে ছপা আহি কাকতাদি চাই বিশেষ সহায়তা কৰা বাবে সিবিলাকৰ ওচৰত কৃতজ্ঞ হলোঁ।।

সৰশেহত নিবেদন, আমাৰো কিবা ভুল-ভ্ৰান্তি থাকিলে দয়া কৰি নিজ-গুণে ৰাইজে মৰষিব যেন ইতি।

আশীৰ্ব্বাদাকাঙ্ক্ষী
শ্ৰীমহাদেৱ শৰ্ম্মা।

দ্বিতীয় তাঙৰণ

এই তাঙৰণত কিতাপৰ ভিতৰৰ মূল কথাৰ পৰিবৰ্ত্তন কৰা নাই। সাধাৰণ ভাৱেহে হাত ফুৰাই দিয়া হল। এই তাঙৰণ শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাৰ যোগেহে প্ৰকাশ কৰিবলৈ সমৰ্থ হলোঁ। এনে ভাৱে উৎসাহ দিয়াত তেখেতক অশেষ ধন্যবাদ জনালো

নিবেদক—
লিখক।



মক্কার মস্‌জিদ্।

মহম্মদ চৰিত।

১ম অধ্যায়।

আৰব দেশ।

তোমালোকে নিশ্চয় এচিয়া মহাদেশৰ ভিতৰৰ আৰব দেশখন মেপত অন্ততঃ দেখিছা। এই দেশখনৰ নাম আৰব কিয় হল কব পাৰানে? নোৱাৰা যদি মই কওঁ শুনা;— পূৰ্ব্বে নোয়া নামে, এই গোটেই পৃথিবীৰ, এজন অধিপতি আছিল। তেওঁৰ পিচত পুতেক 'সাম' অধিপতি হয়। এই 'সামৰ' পিচৰ পঞ্চম পুৰুষজনৰ নাম আছিল য়াৰব বা আৰব। এই য়াৰব পিতায়েকৰ নিচেই সৰু লৰা আছিল বাবে তেওঁ পিতৃৰাজ্য নেপালে যদিও, নিজেই এখন স্বতন্ত্ৰ ৰাজ্য পাতে। তেওঁ পতা ৰাজ্যখনেই তেওঁৰ নাম অনুসৰি হল "আৰব দেশ"।

এই নতুন দেশখনৰ সৰহ ভাগেই মৰুভূমি। গছ-গছনি,

খাল-বিল অতি কম ঠাইতহে আছিল। বেছি ভাগ ঠাইয়েই আছিল বালিৰে ভৰা আৰু কাজেই ৰদত বৰ তপত হৈ উঠে; মানুহে উটৰ সহায় নোলোৱাকৈ নিজে খোজ কাঢ়ি যাব নোৱাৰে। ইয়াত কোনো শস্যাদিও উৎপন্ন নহয়। ইয়াৰ লোক সকলে তুৰস্ক, চিৰিয়া, বচোৰা প্ৰভৃতি ঠাইৰ পৰা খোৱা বস্তু নানিলে আন উপায় নাছিল।

দেশৰ অৱস্থা যেনে ভয়ঙ্কৰ বা উগ্ৰপ্ৰকৃতিৰ আছিল তাৰ মানুহবিলাকো আছিল স্বভাৱত ভয়ঙ্কৰ। মানুহবিলাক তেজী, উগ্ৰ, নিৰ্ভীক আৰু স্বাতন্ত্ৰ্যপ্ৰিয় আছিল। লুট-পাট, যুদ্ধ-বিগ্ৰহ, চুৰি-ডকাইতি, মৰামৰি-কটাকটিয়েই সিহঁতৰ প্ৰধান কাম আছিল। সিহঁতৰ ভিতৰত বহুতো খেল আছিল। এই খেল বিলাকৰ ভিতৰত সদায় কাজিয়া-পেঁচাল নুগুচিছিল। এদলে আন এদলক কেনেকৈ একেবাৰে ধ্বংস কৰিব পেয়ে আছিল সিবিলাকৰ ভিতৰত সদা-সৰ্ব্বদাৰ চিন্তা। খেলে খেলে একোজন অধিপতিও আছিল। এই অধিপতি সকলে খেলৰ ভিতৰৰ সৰহখিনি মানুহৰ মত শুনি চলিছিল। সকলো মানুহেই বলী আছিল। কিন্তু এই বল ভাল কামত নখটাই নিজৰ ভিতৰতে কাজিয়া কৰি নিজে দুৰ্ব্বল হৈছিল।

আৰব দেশত সেই সময়ৰ মানুহ বিলাকৰ নৈতিক জীৱনো অতিপাত বেয়া আছিল। মুনিহ আৰু তিৰুতা সকলো

বিলাকেই মদ খাইছিল। বহুত সময়ত কাবা মন্দিৰৰ চাৰিও-ফালে উলঙ্গ হৈ নাচি ফুৰিছিল। মুনিহতকৈ তিৰুতাৰ অৱস্থা আৰু বেয়া আছিল। তেওঁলোকৰ দুৰ্দ্দশাৰ সীমা নাছিল। পুৰুষবিলাকে যেনেভাবে ইচ্ছা তেওঁলোকৰ লগত ব্যৱহাৰ কৰিব পাৰিছিল। বিয়া-বাৰু কৰোৱা নিয়ম নাছিলেই বুলিব লাগে। এজন মানুহে যিমান মন যায় তিৰুতা ৰাখিব পাৰে। আকৌ যেতিয়াই মন যায় তিৰুতা খেদি দিবও পাৰে। কোনো সম্পত্তিতে মাইকী মানুহৰ কোনো স্বত্ব নাছিল; বৰং আন আন অস্থাবৰ সম্পত্তিৰ লগত তিৰোতা মানুহকো লেখ লোৱা হৈছিল। সেই দেখি এনে কি পুতেকে বাপেকৰ সম্পত্তি পাওঁতে লগে লগে মাহীমাবকো পাইছিল!

সেই সময়ত আৰব সকলৰ যেনে শোচনীয় নৈতিক জীৱন আছিল, ধৰ্ম্মজীবনো তাৰ অনুপাতেই শোচনীয় আছিল। এব্ৰাহিমে পূৰ্ব্বে থাপনা কৰা "এক দেৱ, এক সেৱ" ধৰ্ম্ম পাহৰিলে। যিহকে পাই তাকে পূজিবলৈ ধৰিলে। ধৰ্ম্মত মতি আৰু ঈশ্বৰলৈ ভয় নোহোৱা হল কাৰণে যেয়ে যেনে সুবিধা পায় তেনে ভাবেই কাঠ-শিলক ঈশ্বৰ বুলি মানিবলৈ ধৰিলে। আৰব সকলৰ তেজাী স্বভাবৰ কাৰণেই, যেনে ভাবৰে নহওক ধৰ্ম্ম বিশ্বাসৰ নিমিত্তে প্ৰাণ দিবলৈকো কেতিয়াও পিচ পৰা নাছিল। এই কাৰণেই তোমালোকে লাহে,

লাহে দেখিবা যে মহম্মদে গোটেই জীৱন যুঁজ কৰি আৰু উৎপীড়ন সহ্য কৰিহে নতুন ধৰ্ম্ম স্থাপন কৰিব পাৰিছিল। আজিলৈকে আৱিৰ্ভাৱ হোৱা মহাপুৰুষ সকলৰ ভিতৰত মহম্মদৰ জীৱনেই আগৰে পৰা গুৰিলৈকে নিৰ্য্যাতনেৰে ভৰা আছিল।



২য় অধ্যায়

মহম্মদৰ জন্ম।

দেশৰ এনে দুৰৱস্থাৰ দিনত, এনে অনাচাৰ তাক অধৰ্ম্মৰ দিনত, মহাতেজস্বী মহাপুৰুষ মহম্মদে ৫৭০ খৃঃ অব্দত জন্মগ্ৰহণ কৰে। এই জন মহাপুৰুষৰ অশেষ যত্নৰ বলত আৰব দেশত নতুনকৈ ইছ্‌লাম ধৰ্ম্ম স্থাপিত হল। এই ধৰ্ম্মৰ প্ৰভাৱতে আৰব এটা জাতি হৈ উঠিল। পূৰ্ব্বৰ দুৰৱস্থা আৰু অনাচাৰ বহু পৰিমাণে কমিল। দেশখন সকলো বিষয়তে লাহে লাহে উধাবলৈ ধৰিলে। দুৰ্দ্দান্ত আৰব ক্ৰমে শান্তি প্ৰিয় হল।

কোৰেছ সম্প্ৰদায়ৰ ভিতৰৰ বিখ্যাত হাছিম বংশত মহম্মদে জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতাকৰ নাম আছিল আবদুল্লা। আবদুল্লা নিচেই দুখীয়া মানুহ আছিল কিন্তু তেওঁৰ স্বভাৱ আছিল বৰ সজ। মানুহজন অতি নীৰিহ আছিল,—ফাকি-ফুঁকা চল-চতুৰালি কাক বোলে তেওঁ নাজানিছিল। নিজে সজ উপায়েৰে দুখ কৰি যি অলপ আৰ্জ্জে

তাৰেই যেনেতেনে সংসাৰ চলাইছিল। মহম্মদ নৌ ওপজোঁতেই পিতৃদেৱক এবাৰ বেপাৰ কৰিবৰ নিমিত্তে গাজা নগৰলৈ গৈ, বেহা-বেপাৰ শেষ কৰি ঘূৰি আহোঁতে বাটতে শকত নৰীয়া হল আৰু তাতে তেওঁৰ মৃত্যু হয়। লগত যোৱা মানুহে মদিনা-নগৰত তেওঁৰ সৎকাৰ কৰিলে। প্ৰিয়তমা পত্নী আমিনাই শেহত এবাৰ দেখাও নাপালে

এই সময়ত আমিনা আছিল গৰ্ভাৱতী। ৰূপৱতী আৰু গুণৱতী আমিনাই স্বামীৰ মৃত্যু সংবাদ পাই শোকতে মৰাৰ দৰে হৈ পৰিছিল। শোকে পতিপ্ৰাণা আমিনাক বৰকৈ পীড়িলে আৰু তেওঁ অজ্ঞান হৈ পৰিল। তেওঁৰ এই অজ্ঞান অৱস্থাতে মহম্মদৰ জন্ম হয়। মহম্মদৰ উজ্জ্বল ৰূপে তেওঁৰ এন্ধাৰ ঘৰ পোহৰ কৰিলে। শোকত কলা পৰা বুকু, অলপ আনন্দত পোহৰ হৈ শান্ত হল।

মহম্মদ জন্মগ্ৰহণ কৰাৰ সময়ত বহুতো অলৌকিক ঘটনা ঘটিছিল বুলি প্ৰবাদ আছে। ওপজাৰ পিচতে স্বৰ্গীয় পানীৰে তেওঁক নেদেখা কিবা শক্তিয়ে ধুৱাই দিয়া দেখা গল। ওচৰত থকা মানুহে দেখিলে তেওঁৰ গলত চাব,—"ঈশ্বৰ প্ৰেৰিত।" তাৰ পিচতে সেই চাব আকৌ নোহোৱা হল! ইফালে লগে লগে বহুতো আচৰিত ঘটনা বেলেগ বেলেগ ঠাইত বোলে ঘটি উঠিছিল। যেনে কাবা মন্দিৰৰ 'হবল'

নামে প্ৰধান প্ৰতিমাখন বোলে তলমূৰ হৈ পৰি গৈছিল। পাৰস্য দেশৰ অগ্নি উপাসক সকলৰ পূজিত অগ্নি অকস্মাতে আপোনা আপুনি নুমাই গৈছিল হেনো। ইৰান বিলাকৰ প্ৰধান সম্ৰাট থকা ৰাজপ্ৰাসাদৰ চূড়াৰ কিছুমান অংশ আপোনা আপুনি বোলে ভাগি পৰিছিল। আৰু বোলে তুৰস্ক দেশৰ নৈ এখন শুকাই গৈছিল। ইয়াকে জানি দৈববাদী সকলে হোনো গনি পঢ়ি চাই ঠিক কৰি কৈছিল বোলে কোনোবা মহাপ্ৰতাপী পয়গম্বৰ পৃথিবীত নতুন ধৰ্ম্ম থাপিবলৈ অৱতীৰ্ণ হৈছে।

যিহওক, মহম্মদ জন্মাৰ তিন দিনৰ পিচত তেওঁৰ ককা-দেউতাক আবদল মতলবে সন্তানটি কোলাত লৈ কাবা মন্দিৰলৈ যায় আৰু তাৰ নিয়মমতে পূজা-পাতল দি দেৱতাৰ আশীৰ্ব্বাদ লয় আৰু সেই দিনাৰ পৰা লৰাকণৰ নাম ৰাখে মহম্মদ অৰ্থাৎ প্ৰশংসিত।

স্বামীৰ শোকত আমিনা বৰ দুৰ্ব্বল হৈ পৰিছিল। ইমান দুৰ্ব্বল হৈছিল যে মহম্মদক পিয়াহ দিবৰ ক্ষমতাও নাছিল। সেই কাৰণে প্ৰথমতে থোয়েব নামে এজনী চাকৰণীয়ে মহম্মদক পিয়াহ খুৱাই প্ৰাণ ৰাখে। তাৰ পিচত মৰুভূমিত থকা হালিমা নামে ধাই এগৰাকীয়ে মহম্মদক তালি-তুলি ডাঙৰ-দীঘল কৰিবৰ ভাৰ লয়। এই হালিমাৰ তাতে মহম্মদ সম্পূৰ্ণ দুবছৰ

থাকে। দুবছৰৰ পিচত হালিমাই মহম্মদক আমিনাৰ হাতত গতাই দিবলৈ লৈ আহিল। হালিমাই অতি যত্নেৰে পৰ্ব্বতীয়া স্বাস্থ্যকৰ ঠাইত মহম্মদক ৰখাত তেওঁ হৃষ্ট-পুষ্ট আৰু সুন্দৰ-সুঠাম হৈ উঠিছিল। দুবছৰৰ পিচত পুত্ৰেকক দেখি আনন্দ পালে যদিও তেতিয়াও তেওঁৰ শৰীৰ ভাল নোহোৱাত বিশেষ ভাল ঠাইত থাকি মহম্মদ আৰু অলপ ভাল হব বুলি আশা কৰি আৰু কিছুদিনৰ নিমিত্তে মহম্মদক ঘূৰাই লৈ যাবলৈ হালিমা ধাইক অনুৰোধ কৰিলে। হালিমাই সেই অনুৰোধ ৰাখি আকৌ মহম্মদক ঘূৰাই আনিলে। আৰু দুবছৰ ৰখাৰ পিচত হঠাৎ ঘটনাক্ৰমে হালিমাৰ মনত ভয় সোমোৱাত বাধ্য হৈ মহম্মদক প্ৰায় ৫ বছৰ বয়স আমিনাক ঘূৰাই দি যায়হি।

যিটো ঘটনাত ভয় খাই হালিমাই মহম্মদক দি গলহি সেই কথাটো এই ঃ—

এদিন মহম্মদ লগৰীয়াইঁতৰে সৈতে ধেমালি কৰি থাকোঁতে হঠাৎ মূৰ্চ্ছা গৈ মাটিত বাগৰি পৰিল। লগৰীয়াইঁতে ততালিকে হালিমাক খবৰ দিলে। তেঁও লৰি আহি দেখে যে তেতিয়া মহম্মদ উঠি বহিছে, কিন্তু মুখখনি নীৰস! কি হৈছিল বুলি মহম্মদক সুধি হালিমাই যি উত্তৰ পালে তাতহে আৰু বেচিকৈ ভয় খালে আৰু ততালিকে থৈ আহিলগৈ। হালিমাই

ভাবিলে কি দেৱদূত দেখিব কিবা ভূতেহে পাইছিল হব পায় ? যেই কি নহওক পতিশোকত আতুৰ আমিনাই মহম্মদক এতিয়া কোলাত পাই বহুত পৰিমাণে শোক পাহাৰিছিল ।

মহম্মদৰ বয়স তেতিয়া ছবছৰ । এদিন আমিনাই মহম্মদক লগত লৈ মদিনা নগৰলৈ গল । এই মদিনা নগৰতে মহম্মদৰ আজো বুড়ীমাকৰ ঘৰ ! ইয়ালৈ আহি আমিনাৰ মন শোকত ব্যাকুল হৈ পৰিছিল । কাৰণ ইয়াতেই তেওঁৰ স্বামীৰ সমাধি বা কবৰ আছিল । তেওঁ সদায় তাৰ ওচৰলৈ যায় আৰু চকুৰ পানীৰে সেই সমাধি ওপোঙ্গাই দিয়ে ।

শোকে-বেজাৰে এমাহ মদিনা নগৰত থাকি আমিনা আকৌ মক্কা নগৰলৈ ঘূৰি আহিল । হঠাৎ আদ্ বাটতে তেওঁ শকত নবায়াত পৰিল । মহম্মদ বিমোৰত পৰিল ! আৰু ভাবিবলৈ সময় নৌ পাওঁতেই তেওঁ (মাক) স্বৰ্গী হল ! ঘাট মাউৰা মহম্মদৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল । তেওঁ সংসাৰখন এন্ধাৰ দেখিলে !!

৩য় অধ্যায়

লৰাকাল।

—০:※:০—

আব্দোল মত্তলব মহম্মদৰ ককাক। আজি ৭ বছৰ তেওঁৰ সহায় আৰু যত্নতে মহম্মদ ডাঙ্গৰ দীঘল হৈছে। মহম্মদেই তেওঁৰ চকুৰ মণি আছিল। তেওঁ সদায় কৈছিল মহম্মদক সকলোৱে আদৰ-যত্ন কৰিবি; কাৰণ ইয়েই আমাৰ বংশৰ সৰ্ব্বশ্ৰেষ্ঠ সম্পদ; মহম্মদক কোলাত লৈয়েই তেওঁ বহুত পৰিমাণে পুতেকৰ (আব্দ আল্লাৰ) শোক পাহৰিছিল।

ককাকৰ যত্নত মহম্মদে অলপ যিবা সুখৰ মুখ দেখিছিল। সিও সৰহদিন নাথাকিল। মাক মৰি ঘাট-মাউৰা হবৰ অলপ দিনৰ পিচতে ককাকো ধুকাল। মৰিবৰ সময়ত আব্দোল মত্তলবে ডাঙ্গৰটি পুতেকক ওচৰলৈ মাতি আনি মহম্মদক গতাই দিলে। তেওঁৰ নাম আছিল আবুতালেব। আবুতালেব বুদ্ধিমান আৰু ন্যায়নিষ্ঠ মানুহ আছিল। পিতৃবাক্য শিৰত লৈ

তেওঁ মহম্মদক নিজৰ পুতেকৰ দৰে লালন-পালন কৰিবলৈ ধৰিলে।

এই আবুতালেবৰ আশ্ৰয় আৰু যত্নতে মহম্মদৰ লৰাকাল অতিবাহিত হয়। মহম্মদ কোনো স্কুলত শিক্ষা পোৱা নাছিল। সেই সময়ত আৰব দেশত লেখা প্ৰণালী ওলোৱাই নাছিল। নিৰক্ষৰ মহম্মদে শেষত লৰাকালৰ অন্তত কেনে জ্ঞানগৰ্ভ সকৰা উপদেশ দিব পাৰিছিল? এই জ্ঞান তেওঁ কৰ পৰা পালে? তপস্যা কৰিলে ঈশ্বৰে চকু মুকলি চায়। মানুহে অসম্ভৱ সম্ভৱ কৰি দেখুৱাব পাৰে

অন্যায় কাম,—যিকাম কৰিলে নিজৰ আৰু পৰৰ অপকাৰ হয়, তেনে কাম মহম্মদে কেতিয়াও কৰা নাছিল। সৰু কালৰে পৰা তেওঁৰ মিছা কথা কোৱা দস্তুৰ নাছিল। তেওঁৰ স্বভাৱ বৰ গহীন আছিল। সকৰে পৰা কথা নিচেই কমাই কৈছিল কিন্তু যি দুআষাৰ একাষাৰ কথা তেওঁ কৈছিল সি সবল অথচ জ্ঞানগৰ্ভ। তেওঁ চাৰিওফালৰ প্ৰকৃতি স্বৰূপ গ্ৰন্থ পঢ়িয়েই যি শিকিছিল। তেওঁ অকপট আৰু কামিলা আছিল। কৰ্ত্তব্য পৰায়ণতা আৰু কথাই কামে আন্তৰিকতাই তেওঁৰ ঘাই বিশেষত্ব আছিল।

অকলশৰীয়া অথচ চিন্তাশীল মহম্মদে আৰব দেশৰ মৰুভূমি-পূৰ্ণ চাৰিওফালৰ প্ৰাকৃতিক দৃশ্য চায়েই সেই দৃশ্যৰ বিশালতা দেখি বিভোৰ হৈয়ে সন্তুষ্ট আছিল আৰু এই চিন্তা

বিভোল স্বভাবেই কালক্ৰমে তেওঁৰ চিত্তবিকাশৰ হেতু হৈছিল। আমাৰ জ্ঞান বিকাশৰ কাৰণেইটো ঈশ্বৰে আমাৰ চাৰিওফালৰ ধুনীয়া মনমোহা দৃশ্য আৰু বিভিন্ন উদাহৰণ থকা প্ৰকৃতি স্ৰজিছে। আমি নিজে যত্ন কৰিলে, জ্ঞানী সকলে তাৰে পৰা বুটলি গোটোৱা গ্ৰন্থৰ সহায় নোলোৱাকৈ, নিজে উন্নত হব পাৰোহঁক। তালৈ লাগে মুঠে অলপ অধ্যৱসায় আৰু এই অধ্যৱসায় বিষয়ত মহম্মদ অগ্ৰগণী আছিল।

সৰুৰে পৰা মহম্মদৰ আদৰ যত্নৰ অভাৱ নহলেও ধন হিচাবে দুখৰ ভিতৰে দিয়েই তেওঁ ডাঙৰ দীঘল হৈছিল। নিজে নতুন অভাৱ সৃষ্টি কৰাৰ পৰা হোৱা দুখ নহয় সাধাৰণ ভাত-মুঠি, কপোৰখন পাবলৈকে তেওঁ কষ্ট কৰিব লগীয়া হৈছিল; কাৰণ তেওঁ দুখীয়াৰ ঘৰত জন্মিছিল। অৱস্থাই পেলোৱা কষ্টত মহম্মদ কেতিয়াও অলপো দুঃখিত হোৱা নাছিল, বৰং নিজ পৰিশ্ৰমেৰে সৰু কালৰে পৰা তেওঁ পৰিয়ালক কোনো কোনো বিষয়ত সহায়হে কৰিছিল। নিজৰ ভৰত কেনেকৈ থিয় দিব লাগে এই কথা মহম্মদে সৰুৰে পৰা শিকিছিল।

অৱস্থাই মহম্মদক সৰুৰে পৰা লৰা-ধেমালিত দিন নিয়াবলৈ নিদিলেও স্বভাৱতে তেওঁ অমায়িক আৰু হাঁহিমুৱা আছিল। অৱস্থাৰ কঠোৰতাই তেওঁৰ মন কঠুৱা কৰিব পৰা নাছিল।

লৰা কালৰে পৰা তেওঁৰ মনৰ বলৰ পৰিচয় পোৱা গৈছিল। বহুতো লিখকে কয় যে এসময়ত মহম্মদে (সৰু কালতে) ভেড়া ৰখিব লগীয়া হৈছিল। গাৱঁৰ দুষ্ট আন ভেড়াৰখীয়াৰ লগত পৰি মহম্মদে সিহঁতৰ লগত দুদিন দুনিশা অসৎ অভিপ্ৰায়ে মক্কা চহৰলৈ যোৱাৰ উল্লেখ দেখা যায়। কিন্তু এদিন হঠাৎ আতঁৰৰ বিণিকি বিণাৰ শুনা গানত টোপনি ধৰিলে আৰু আনদিনা বিয়াঘৰীয়া এঘৰত থাকোঁতেই ৰাতি পুৱাল। এই দুদিন ৰক্ষা পৰিল! মহম্মদে নিজমুখে পিচত কৈছিল “মই তাৰ পিচৰ পৰা আৰু কেতিয়াও অন্যায় কামলৈ মন মেলা নাছিলোঁ।” ছ বছৰ বয়সত অকলৈ আহোঁতে বাটত মাকক হেৰুৱাই নিজকে নিঃসহায় বুলি ভাবি তেওঁ বিতত হোৱা নাছিল! ধীৰ আৰু স্থিৰ ভাবে সেই সময়ৰ সকলো কাম তেওঁ শেষ কৰিছিল! কিন্তু ভাবুক মহম্মদৰ মনত খেলালে “মোৰ আই গল কলৈ? মানুহ মৰি কলৈ যায়,—কি হয়?”

৪ৰ্থ অধ্যায়

ডেকাকাল আৰু সাধনা।

অৱস্থাৰ পীড়নত সেও নহৈ বৰং অদম্য উৎসাহ লৈ মহম্মদে ডেকাকালত ভৰি দিলে। পোন্ধৰ বছৰ* বয়স পূৰ নৌ হওঁতেই তেওঁ বৰ পিতাকৰ লগত বেপাৰ কৰিবৰ মনেৰে চিৰিয়া বাজ্যলৈ গৈছিল। তেওঁ তেতিয়া চিৰিয়া দেশৰ ভাষা অলপো বুজি নাপাইছিল সেই বাবে প্ৰথমতে তেওঁৰ বহুতো অসুবিধা হৈছিল। চোকা বুদ্ধিৰ মহম্মদে কিন্তু অলপতে তাৰ ভাষা মোটামুটি ভাৱে আৰু মুখে মুখে শিকি পেলালে।

এই চিৰিয়া দেশলৈ যাওঁতেই চিন্তাশীল মহম্মদে প্ৰথমতে খৃষ্টধৰ্ম্মৰ উপাসনা প্ৰণালী, সামাজিক গঠন আৰু আদৰ্শৰ

* কোনো কোনো লিখকৰ মতে তেওঁ ১২ বছৰ বয়সত আবুতালেবৰ লগত ৫৮২ খৃঃ অব্দত প্ৰথমে চিৰিয়া দেশলৈ গৈছিল।

আভাস পালে। বাটত যাওঁতে মৰুভূমিৰ বিশালতা, ঠায়ে ঠায়ে ডাঙ্গৰ ডাঙ্গৰ পৰ্ব্বতৰ গাম্ভিৰ্য্য আৰু বেলেগ বেলেগ ঠাইত দেখা সুন্দৰ দৃশ্য বছৰে বছৰে দেখাত ক্ৰমে তেওঁৰ মন উন্নত কৰিলে। সেই দেশৰ প্ৰতিষ্ঠিত বিভিন্ন প্ৰণালীৰ পৰা তেওঁ যি শিকিলে তাতে সন্তুষ্ট থাকিব নোৱাৰি তেওঁৰ মন ওখ ধৰ্ম্মভাবত প্লাবিত হবলৈ বিচাৰিলে। বেপাৰ বণিজ্জত তেওঁৰ মন নোসোমোৱাত পৰিল। মনে যেন শান্তিৰ আন এটা অৱলম্বন বিচাৰিবলৈ উত্ৰাৱল হৈ উঠিল! মহম্মদে কিন্তু নিজৰ কৰিবলগীয়া কামলৈ নাপাহৰিলে। সেই যাত্ৰাত তেওঁ বেপাৰ শেষ কৰি দেশলৈ ঘূৰিল!

নিজৰ জীবিকা উপাৰ্জ্জন কৰিবলৈ মহম্মদে একালে যেনেকৈ একানপতীয়া পৰিশ্ৰম কৰিব লাগে আন ফালে তেনেকৈ তেওঁৰ মনত নতুন ভাব সোমাই সি তেওঁক অশান্ত কৰি তুলিলে। একালে ধৰ্ম্মভাব আন ফালে সংসাৰৰ ভাব। এই বেমেজলীয়া বিপৰীত ভাবে কিন্তু মহম্মদক আকুল কৰিব নোৱাৰিলে—তেওঁৰ সেই তেজাল মুখমণ্ডল সমানে উজ্জ্বল হৈয়ে থাকিল। তেওঁ একেভাবেই, বাহিৰা কোনো পৰিবৰ্ত্তন নেদেখুৱাকৈয়ে, ঈশ্বৰত ৰতি ৰাখি আজৰি পৰত তেওঁৰ ধ্যান কৰি সমানে সংসাৰ ধৰ্ম্মতো সকলো কাম নিষ্ঠাৰে পালন কৰি যাবলৈ ধৰিলে! মহম্মদৰ মনৰ ইমান বল আছিল!

খাদিজা নামে ধনী অথচ বিধবা মাইকী মানুহ এগৰাকীৰ ঘৰ মহম্মদৰ ঘৰৰ ওচৰতে। তেওঁ মহম্মদৰ কৰ্ত্তব্যনিষ্ঠা আৰু সৰলতাৰ নিদৰ্শন পাই তেওঁক তেওঁৰ সম্পত্তি চলাই সংসাৰৰ কাম-কাষ চলাবলৈ বিষয়া নিযুক্ত কৰিবলৈ মন কৰিলে। তেতিয়া মহম্মদৰ বয়স ২৪ বছৰ। মহম্মদে জীবিকাৰ নিমিত্তে এই বিষয় বাব গ্ৰহণ কৰিলে আৰু তেওঁৰ স্বভাব অনুযায়ী কামত মনপুতি লাগি গল।

এই কাম লৈয়েই তেওঁ বেপাৰ কৰিবলৈ আকৌ চিৰিয়া দেশলৈ যাব লগাত পৰিল। এইবাৰৰ যাত্ৰাত মহম্মদে এনে যোগ্যতাৰে আৰু বিশ্বাসেৰে কাম কৰিলে যে বেপাৰত আগতকৈ বহুত বেছি টকা লাভ হল! মহম্মদে মন কৰিলে ইয়াৰ ভিতৰৰ কিছু টকা লুকধুক্ কৰিব পাৰিলে হেঁতেন। কিন্তু মহম্মদে ধৰ্ম্মলৈ ভয় কৰিলে, এই সুযোগৰ অসদ্ব্যৱহাৰ নকৰিলে। যিমানখিনি টকা পাইছিল বেপাৰত আটাইখিনি খাদিজাক দি দিলে। ইয়াতে খাদিজা বিবিৰ মহম্মদৰ প্ৰতি শ্ৰদ্ধা জন্মিল। এই শ্ৰদ্ধা ক্ৰমে অনুৰাগত পৰিণত হল!

খাদিজাও বৰ ৰূপৱতী আৰু কামে-কাজে পাকৈত তিৰুতা আছিল। গুণীৰ গুণৰ মোল তেওঁ সহজে ধৰিব পাৰিছিল—এনে আছিল বুদ্ধিমতী। গতিকে মহম্মদৰ গুণত মুগ্ধ হৈ তেওঁ তেওঁক (মহম্মদক) বিয়া কৰাবলৈ মন কৰিলে। মহম্মদেও

খাদিজাৰ গুণত মুগ্ধ হৈ তেওঁ বয়সৰ ব্যবধান পাহৰিও বিয়া কৰিবলৈ সম্মত হল। ভাল এটা দিনত দুয়োৰে ভিতৰত বিয়া হৈ গল। বিয়াৰ সময়ত মহম্মদৰ বয়স ২৫ বছৰ আৰু খাদিজা বিবিৰ বয়স ৪০ বছৰ হৈছিল।

পতিপৰায়ণা খাদিজা বিবিক বিয়া কৰাই মহম্মদে এজনা সেবিকা, বন্ধু আৰু লগৰীয়া পালে। এওঁৰ সংস্পৰ্শলৈ আহিবৰে পৰা মহম্মদৰ জীৱন আন ফালে, আন বাটেদি ঢাল খালে। খাদিজা বিবি চিৰকাল মহম্মদৰ সুখ আৰু সান্ত্বনাৰ থল আছিল। বহু গুণৱতী খাদিজাক মহম্মদে কেনেভাবে চাইছিল তলত লিখা কথাই তাৰ প্ৰমান :—

খাদিজা বিবি মৰাৰ পিচত মহম্মদে আয়েচাক বিয়া কৰাইছিল। এই আয়েচাও গুণত খাদিজাতকৈ কোনো প্ৰকাৰে কম নাছিল। এদিন আয়েচাই কথাপ্ৰসঙ্গত মহম্মদক সুধিলে “মই খাদিজাতকৈ শ্ৰেষ্ঠ নহওঁনে বাৰু? তেওঁ বুড়ী আৰু বিধবা আছিল। মোক আপুনি খাদিজাতকৈ বেছি ভাল পাই নহয় নে?” মহম্মদে উত্তৰ কৰিলে “আয়েচা, ঈশ্বৰক সাক্ষী কৰি কৈছোঁ, ই তোমাৰ ভুল! যেতিয়া মোৰ কথা (বাণী) কোনেও বিশ্বাস কৰা নাছিল

খ

তেতিয়া একমাত্ৰ খাদিজাই বিশ্বাস কৰিছিল। সেই সময়ত তেৱেঁই মোৰ একমাত্ৰ বিশ্বাসিনী আৰু হিতাকাঙ্ক্ষিণী আছিল।”

খাদিজা বিবি জীয়াই থকা দিনত মহম্মদে আন কাকো বিয়া কৰোৱা নাছিল। মহম্মদে খাদিজাৰ লগত বৰ সুখেৰে দিন নিয়াইছিল। মুঠতে খাদিজা বিবি নোহোৱা হলে আমি কি জানি মহম্মদক এনে ভাবে নেপালে'ৱেঁই হেতেন। যিহওক, ইয়াৰ পিচত কিন্তু বহুতো কাৰণত মহম্মদে বাধ্য হৈ কেইবা গৰাকীও বিয়া কৰাইছিল।

খাদিজা বিবিৰ বহুতো ধন আছিল। গতিকে তেওঁক বিয়া কৰোৱাত মহম্মদৰ ধনৰ অভাব আঁতৰিল। এই অভাব আঁতৰাৰ গতিকে তেওঁৰ অন্য বিষয়লৈ মন দিবলৈ আজৰি ওলাল। সংসাৰৰ বিষয় কৰ্ম্মত তেওঁৰ মন নবহা হল। আধ্যাত্মিক উন্নতি কৰিবলৈ ঈশ্বৰ চিন্তাত কায়মনোবাক্যে যত্নত ধৰিলে। এই যত্নৰ প্ৰাৰম্ভতে তেওঁ এদিন হঠাৎ এটা স্বৰ্গীয় জ্যোতিৰ আভাস পালে। সেই বিমল জ্যোতি দেখি তেওঁ আনন্দত বিহ্বল হল। তেতিয়াৰে পৰা তেওঁৰ মন সম্পূৰ্ণৰূপে ধৰ্ম্মভাবত নিমগ্ন হল। খাদিজা বিবিয়েও এতিয়া প্ৰকৃত সহ-ধৰ্ম্মিণীৰ দৰে আগতকৈও বেছিকৈ সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে। মহম্মদে সৃষ্টি ৰহস্য জানিবলৈ মানুহৰ সুখদুখৰ

কাৰণ কি বুজিবলৈ, এই বিপুল বিশ্বৰ বিচিত্ৰতাৰ কাৰণ আৰু উদ্দেশ্য কত এক হৈছে তাকে উলিয়াবলৈ দিনে ৰাতিয়ে ধ্যান কৰিবলৈ ধৰিলে। যত্নৰ বলত ধ্যান যেতিয়া ক্ৰমে ডাঠ হৈ আহিল অৰ্থাৎ মনৰ চঞ্চলতা আঁতৰিল, একেটা বিষয়তে ধৰি মন ৰোৱা হল তেতিয়া মহম্মদে মাজে মাজে স্বৰগৰ অপৰূপ শোভা দেখিছিল আৰু মহিমাময় বিশ্বেশ্বৰৰ চৰণতলত লয় হোৱা আকাশৰ সুমধুৰ সঙ্গীত শুনি সময়ত পুলকাবিষ্ট হৈছিল।

এদিন দুদিন নহয় মহম্মদে এইদৰে পূৰা পোন্ধৰ বছৰ সাধনা কৰে। ইয়াৰ পিচত তেওঁৰ মন নিৰ্জ্জন ঠাইত ঈশ্বৰৰ চিন্তা কৰিবলৈ ব্যাকুল হৈ উঠিল। সেইমতে তেওঁ ৬০৯ খৃঃ অব্দত ৰমজান মাহত খাদিজা বিবিক লগতলৈ মক্কাৰ ওচৰৰে 'হৰ' নামে এটা পৰ্ব্বতত সাধনা কৰিবলৈ গল। উপবাসে থাকি দিনে ৰাতিয়ে তেওঁ ধ্যানত মগ্ন থাকিবলৈ ধৰিলে। এই ৰমজান মাহৰে এদিন ৰাতি * পয়গম্বৰক কোৰাণ † প্ৰকট

* ঈশ্বৰ প্ৰেৰিত আৰু প্ৰত্যাদিষ্ট অৱতাৰ পুৰুষক পয়গম্বৰ বোলে।

† 'কোৰাণ' মানে ঈশ্বৰৰ বাণী। এই বাণী শুনা যায় গভীৰ ধ্যাণৰ অৱস্থাত (in trance)! এই অৱস্থাত বাহিৰা সংসাৰৰ

কৰি দেখুৱাইছিল অৰ্থাৎ সত্যধৰ্ম্মৰ বাণী শুনাইছিল বুলি উল্লেখ আছে। এই কথা সকলো মছলমানে বিশ্বাস কৰে। এই নিশাটোক সিবিলাকে "সবে বৰাত" বোলে আৰু উৎসৱ কৰে। এই উৎসৱৰ দিনা মছলমান সকলে নিশি পালন কৰে,—গোটেই ৰাতি নোশোৱে আৰু উপাসনা, কোৰাণ পাঠ প্ৰভৃতি ধৰ্ম্মকাৰ্য্য কৰি কটায়। ৰমজান মাহ পূৰ হোৱাৰ দিনা মহম্মদে আনন্দত হাঁহি হাঁহি খাদিজা বিবিক কলে, "মই ঈশ্বৰৰ অনিৰ্ব্বচনীয় কৃপা লাভ কৰিলো। এই কৃপাৰ কথা মই মুখেৰে আৰু বাক্যেৰে প্ৰকাশ কৰিব নোৱাৰোঁ। মোৰ মনৰ সকলো সংশয়, সকলো এন্ধাৰ আঁতৰ হল। মই নতুন পোহৰ দেখা পাইছোঁ অথাৎ সত্য উপলব্ধি কৰিছোঁ। ঈশ্বৰ মহান্ আৰু জীৱন্ত সত্যস্বৰূপ। এই মহান্ ঈশ্বৰেই মানুহৰ একমাত্ৰ উপাস্য। কাবা মন্দিৰত থকা নিৰ্জ্জীৱ মূৰ্ত্তিবিলাক উপাস্য হব নোৱাৰে।"

মহম্মদে নেৰা নেপেৰা সাধনাৰ বলত এই মহাসত্য উপলব্ধি

জ্ঞান নাথাকে কিন্তু অন্তৰ ৰাজ্য বৰ মুকলি হয়। তেতিয়া মানুহ জনক মূৰ্চ্ছা যোৱা মানুহৰ দৰে দেখা যায় কিন্তু প্ৰভেদ এই থাকে যে মূৰ্চ্ছাৰ বিকাৰবিলাক ইয়াত প্ৰকাশ নাপায়—ইয়াত বৰং মুখ উজ্জ্বল হৈহে উঠে।

কৰি, ঈশ্বৰক সাক্ষাৎ পাই যেনে আনন্দিত হল, সংসাৰ তাপত দুখপোৱা আন লোক সকলকো ইয়াৰ ভাগ দি আনন্দ দিবলৈ তেওঁ বিয়াকুল হৈ উঠিল। তেওঁ উচ্ছৃঙ্খল আৰব সমাজত, ঘোৰ পৌত্তলিক * আৰব সমাজত একেশ্বৰবাদ প্ৰতিষ্ঠা, বিশুদ্ধ নীতিপ্ৰচাৰ আৰু সমাজ সংস্কাৰ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হল।

মহম্মদে যি ধৰ্ম্ম উলিয়ালে অৰ্থাৎ প্ৰচাৰ কৰিবলৈ ঈশ্বৰৰ প্ৰত্যাদেশ পালে সেই ধৰ্ম্মৰ নাম হল 'ইছ্লাম ধৰ্ম্ম'। এই ধৰ্ম্ম প্ৰথমেই গ্ৰহণ কৰিলে খাদিজা বিবিয়ে। নিজে গ্ৰহণ কৰাই নহয় আনতো প্ৰচাৰ কৰিবলৈ সাহস, উদগনি, ভৰষা সকলো এই খাদিজা বিবিয়েই প্ৰথমতে দিয়ে—এনে সহায়ক আছিল খাদিজা বিবি!

* শিল, মাটি, কাঠ, ধাতু প্ৰভৃতিৰে কৰা প্ৰতিমাকে ঈশ্বৰজ্ঞান কৰাই পৌত্তলিকতা। যেতিয়া প্ৰতিমাৰ বাহিৰে এজন মহান ঈশ্বৰ থকাৰ কথা মানুহে পাহৰি অকল প্ৰতিমাতে সকলো দেখে তেতিয়াই সমাজত ঘোৰ পৌত্তলিকতা সোমায়। প্ৰতিমা ঈশ্বৰৰ এটা ভাবৰ প্ৰতীক বা ৰূপ মাথোন বুলি ভাবিলে দোষ নহয়। মহম্মদে এই নিকৃষ্ট পৌত্তলিকতাৰ বিৰুদ্ধেহে বৰকৈ যুজ কৰিছিল।

শোকৰ কথা, বিয়া কৰাবৰ ২৫ বছৰৰ পিচত মহম্মদক অকলসৰ কৰি এৰি তেওঁ দেহত্যাগ কৰে। মহম্মদ প্ৰথমতে শোকত বৰ ব্যাকুল হৈ পৰিল। পিচত নিজৰ গভীৰ কৰ্ত্তব্যলৈ মনত পৰাত শোক এৰি নিজৰ মহান উদ্দেশ্যত মন দিলে। শত বিঘিনি অৱহেলা কৰিও মহম্মদ ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ যত্নবান হল।



৫ম অধ্যায়

ইছ্‌লাম ধৰ্ম্ম।

পোন্ধৰ বছৰৰো ওপৰ একাগ্ৰপতীয়া সাধনাৰ বলত মহম্মদে যি সত্য উপলব্ধি কৰিলে, যি সত্য নিজ চকুৰে দেখিলে, যি সত্যবাণী নিজ কাণে শুনিলে সেই সত্য সমষ্টিৰ নাম হল “ইছ্‌লাম ধৰ্ম্ম”। ইছ্‌লাম শব্দৰ অৰ্থ ঈশ্বৰনিৰ্ভৰ ;—কোনোৱে কোনেোৱে কয় ইছলাম শব্দৰ অৰ্থ পৰিত্ৰাণ। অৰ্থাৎ যি ধৰ্ম্মই ঈশ্বৰকে সৰ্ব্বস্ব বুলি বুজাই তেওঁকে নিৰ্ভৰ কৰিবলৈ শিকায় আৰু যি ধৰ্ম্ম গ্ৰহণ কৰিলে মানুহে এই সংসাৰৰ দুখ-কষ্ট, অশেষ মনৰ যন্ত্ৰণাৰ হাত সাৰে সেয়ে “ইছ্‌লাম ধৰ্ম্ম।”

পৰমেশ্বৰৰ বাহিৰে আন কোনো উপাস্য নাই আৰু মহম্মদেই সেই পৰমেশ্বৰৰ প্ৰেৰিত পয়গম্বৰ অৰ্থাৎ তেওঁৰ পূৰ্ণ প্ৰতিনিধি ৰূপে আহিছে, আকৌ সেই ঈশ্বৰৰে দাস বা ভৃত্য—এয়ে ইছ্‌লাম ধৰ্ম্মৰ মূল কথা।

পৰমেশ্বৰ এক আৰু অদ্বিতীয়। তেওঁ শক্তিমন্ত, দয়ালু আৰু পৰম প্ৰেমিক ; মানুহ মাত্ৰেই সমান আৰু ঈশ্বৰৰ দয়া পাবৰ পাত্ৰ। এয়ে ইছ্‌লাম ধৰ্ম্মৰ ঘাই শিক্ষা। মনৰ দুষ্প্ৰবৃত্তি বিলাক সংযম কৰিব লাগে, কৃতজ্ঞ অন্তৰেৰে ঈশ্বৰৰ নাম লব লাগে, মানুহ মাত্ৰেই নিজৰ অসৎ কামৰ নিমিত্তে পৰকালত দায়ী হব। এয়ে ইছ্‌লাম ধৰ্ম্মৰ ঘাই অনুশাসন। উপাসনা, দান, তীৰ্থভ্ৰমণ ইছ্‌লাম ধৰ্ম্মমতে কৰিবলগীয়া ঘাই কাম। ইছ্‌লাম ধৰ্ম্মমতে মূৰ্ত্তি সাজি পূজা কৰিব নাপায়। ছবি অকা, ফটো তোলা, গান গোৱা ইছ্‌লাম ধৰ্ম্মমতে নিষেধ ; কাৰণ সি মানুহক ঘোৰ পৌত্তলিকতাত সহায় কৰে।

হিন্দুৰ বেদ, খৃষ্টিয়ানৰ বাইবেল যেনে কোৰাণো মছলমান সকলৰ পক্ষে তেনে। পয়গম্বৰৰ কোৰাণ * হাদিছ ✝ উপদেশপূৰ্ণ তথ্য সমষ্টিকে কোৰাণ বোলে। বিভিন্ন

---

* 'হাদিছ' মানে পয়গম্বৰৰ নিজ বাক্য বা উপদেশ।

✝ 'কোৰাণ' ঈশ্বৰৰ নিজ মুখৰ বাক্য। কিন্তু শুনা যায় সমাধি অৱস্থাত। হাদিছ শুনিবলৈ সমাধি হব নেলাগে। সমাধি সিদ্ধ সাধক সকলৰ চৰম উন্নত এটা অৱস্থা। সেই সময়ত সংসাৰৰ বাহিৰা জ্ঞান নাথাকে।

সম্প্ৰদায় মছলমান সকলৰ ভিতৰতো আছে – যেনে চিয়া আৰু চুন্নি কিন্তু কোৰাণে সকলোকে একে কৰি ধৰি আছে। সকলো ধৰ্ম্মৰে গুণ, মানুহক সমানে সমানে ধৰি থকা।

উপাসনা ইছ্‌লাম ধৰ্ম্মাবলম্বীৰ ঘাই কাম। পুৱাৰ পৰা ৰাতিলৈকে দৈনিক পাঁচ বাৰ * নামাজ পঢ়াৰ নিয়ম। কোৰাণৰ বহুত ঠাইত এই উপাসনা কৰাৰ উপকাৰিতা সম্বন্ধে উল্লেখ কৰিছে। এঠাইত কৈছে "সদায় উপাসনা কৰিবা; উপাসনাই আমাক পাপ আৰু দুষ্কাৰ্য্যৰ পৰা ৰক্ষা কৰে। ঈশ্বৰৰ নাম লোৱাটো পবিত্ৰ কাম।"

* নামাজৰ বহুত নিয়ম আছে। প্ৰথমতে অজু কৰিব অৰ্থাৎ হাত, মুখ, চকু, কাণ, গলধন, ভৰি ধুই পবিত্ৰ হৈ লব। তাৰ পিচত বেলেগ বেলেগ সময়ৰ নামাজ পঢ়াত (সুৰা বা ফটেহা পঢ়া) বেলেগ বেলেগ হয়। কোন সময়ত কোন কোন খিনি সুৰা পঢ়িব, কেনেভাবে বা কিমান পঢ়িব তাৰ বিস্তৃত বিৱৰণ ইয়াত দিয়া নহল। কাৰোবাৰ জানিবৰ ইচ্ছা হলে জনা মানুহক সুধি লব। কিন্তু নামাজ পঢ়াত প্ৰাৰ্থনাৰ ধৰণ কেনে জানিবলৈ ইয়াত তাৰ অনুবাদ দিলোঁ। ইয়াৰ পৰাই নামাজত পঢ়া প্ৰাৰ্থনাৰ নমুনা আৰু তাৰ ভাবৰ আঁহি পাব।

"দেবদূত সকল দিনে ৰাতিয়ে তোমালোকৰ ওচৰলৈ আহি থাকে আৰু তোমালোকে যদি নিয়মমতে নামাজ পঢ়া তেন্তে ঈশ্বৰৰ ওচৰলৈ ঘুৰি গৈ সিবিলাকে তোমালোকৰ হৈ সাক্ষী * কয় গৈ।"

প্ৰথমতে আৰম্ভ কৰে "বেস্‌মিল্‌লাহিৰ্‌ ৰহ্‌মানেৰ ৰহিম্‌"—অৰ্থাৎ আল্লাৰ দয়াপূৰ্ণ আৰু ক্ষমাশীল নামত :—

(১) সকলো পৃথিবীৰ প্ৰভু আল্লাই সকলো প্ৰশংসাৰ যোগ্য অধিকাৰী।

(২) তেওঁ দয়াশীল আৰু ক্ষমাশীল।

(৩) তেওঁ শেষ দিনৰ অধীশ্বৰ।

(৪) তোমাক আমি সেৱা-উপাসনা কৰোঁ আৰু তোমাক আমি সাহায্য প্ৰাৰ্থনা কৰোঁ।

(৫) আমাক সজ পথত চলাবাঁ।

(৬) সেই পথ, যি পথৰ পথিক সকলক আপুনি কৃপা দান কৰে।

(৭) সেই সকলৰ পথ নহয়—যাৰ ওপৰত আপোনাৰ কোপদৃষ্টি পৰিছে কিম্বা যি অসৎ পথে গৈছে।

* হিন্দু সকলেও সকলো ধৰ্ম্মকাৰ্য্যৰ অন্তত সূৰ্য্যদেৱতাকে

ইছ্‌লাম ধৰ্ম্মৰ বিশেষত্ব লক্ষ্য কৰি এজন ইউৰোপীয় লিখকে কৈছে, "মছলমান সকলৰ প্ৰাৰ্থনা মন্দিৰ মানুহৰ হাতেৰে সজা নহয়। ঈশ্বৰে স্ৰজা পৃথিৱী গোটেইখনেই সিবিলাকৰ পক্ষে মন্দিৰ। ঈশ্বৰ উপাসনা কৰিবলৈ সিবিলাকে ঠাইৰ ভেদাভেদ নেৰাখে। নামাজ পঢ়াৰ সময় হলেই সকলোৱে ব্যাকুল-ভাবে উপাসনা আৰম্ভ কৰে।" দ্বিতীয়তে উপাসনাৰ সময়ত সিবিলাকৰ ডাঙৰ সৰু নাথাকে। পাট্‌চা আৰু এজন সাধাৰণ খেতিয়কে সমানে আঠু লৈ ঈশ্বৰৰ উপাসনা কৰে। ঈশ্বৰৰ চকুত যে সকলো সমান এই কথাকে কামেৰে মহম্মদে প্ৰমান কৰি দেখুৱাইছিল।

কোৰাণত ঈশ্বৰৰ স্বৰূপৰ যি আভাস আছে তলত নমুনা স্বৰূপে অলপ অনুবাদ কৰি দিলোঁ:—

তেৱেঁই আল্লা যাৰ বাহিৰে আৰু আন ঈশ্বৰ নাই—তেওঁ দেখা আৰু নেদেখা সকলো বিষয়ৰে (সৃষ্টিৰ) কথা জানে—তেওঁ দয়াশীল আৰু ক্ষমাশীল—আল্লাই সকলোৰে গৰাকী,

সাক্ষী কৰি দৰ্শন কৰে। উৰিষ্যাত সাক্ষীগোপাল মূৰ্ত্তি আছে। শ্ৰীক্ষেত্ৰত জগন্নাথ মহাপ্ৰভুক দৰ্শন কৰি এই সাক্ষীগোপালক দৰ্শন কৰি সাক্ষী কৰাৰ প্ৰথা প্ৰচলিত আছে।

পবিত্র আৰু শান্তিৰ আধাৰ—তেওঁৱেই পূর্ণ (দোষবিহীন) আৰু সকলো মহত্বৰ গৰাকী ; তেওঁ জয়যুক্ত হওক। তেওঁৱেই পবিত্র আৰু মধুৰ নামৰ অধিকাৰী, স্বৰ্গ আৰু পৃথিবীৰ সকলোৱেই তেওঁৰ মহিমা কীর্ত্তন কৰে—স্রষ্টা আৰু তেওঁ বিধাতা (Fashioner)।

কোৰাণত থকা ঈশ্বৰৰ স্তুতি বিলাক কেনে ভাল, নমুনা স্বৰূপে কেইফাঁকিমান দিলোঁ :—

"ঈশ্বৰৰ বাহিৰে আৰু কোনো উপাস্য নাই। তেওঁ জীৱন্ত আৰু চিৰচিণ্ময়। তেওঁৰ টোপনি আৰু তন্দ্ৰা নাই। স্বৰ্গ, মৰ্ত্ত্য আৰু স্বৰ্গ-মৰ্ত্ত্যৰ সকলো বস্তু তেওঁৰ। তেওঁৰ ইচ্ছাতেহে তেওঁৰ মহিমা আমি কীৰ্ত্তন কৰিব পাৰোঁ। ভূত ভবিষ্যৎ সকলো তেওঁৰ হাতৰ কলুৰা ! তেওঁৰ যিমানখিনিলৈকে মানুহক (দয়া কৰি) ধৰা দিছে তাতকৈ বেছিকৈ তেওঁৰ বিষয়ে আমি জানিব নোৱাৰোঁ। তেওঁ মহান্ আৰু শক্তিমান।" আন এঠাইত আছে "হে পৰমেশ্বৰ, মোক তোমাৰ প্ৰেমেৰে ভৰপূৰ কৰি দিয়াঁ। যেন মই তোমাক ভক্তি কৰিব পাৰোঁ— যেন তোমাৰ প্ৰিয়কাৰ্য্য সাধন কৰিব পাৰোঁ। মই নিজতকৈ যেন তোমাকহে বেছিকৈ ভাল পাওঁ আৰু ভক্তি কৰিব পাৰোঁ।"

মহম্মদে ফেৰেস্তা (Angels) আৰু পয়গম্বৰক (Prophets)

বিশ্বাস কৰিবলৈ অনুমোদন কৰিছিল। দেবদূত সকলে সময়ত মানুহৰ ওচৰলৈ ঈশ্বৰৰ বাৰ্ত্তা লৈ আহে আৰু পয়গম্বৰে সময়ে সময়ে পৃথিবীত সত্যধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আহে। মহম্মদে পৰলোক মানিছিল আৰু তাত পাপ-পুণ্যৰ, শাস্তি বা স্বৰ্গসুখ থকা কথা সমৰ্থন কৰিছিল। তেওঁ অদৃষ্টবাদ আৰু বিচাৰৰ শেষ দিন (Judgement Day) প্ৰভৃতি কথাও ইছ্‌লাম ধৰ্ম্মৰ অঙ্গ হিচাপেই প্ৰচাৰ কৰিছিল।

ইছ্‌লাম ধৰ্ম্মৰ নীতি খৃষ্টধৰ্ম্মৰ নীতিৰে সৈতে বহুত বিষয়ত মিলে। মহম্মদে কৈছিল, "তোমালোকে আনৰ লগত বেয়া ব্যৱহাৰ নকৰিবা। কাৰো অনিষ্ট নকৰিবা,—এনে কি নাভাবিবাও। যি কাম কৰিলে তুমি নিজে বেয়া পোৱাঁ তেনে কাম তুমি আনৰ প্ৰতিও নকৰিবা। সদায় ন্যায় পথত চলিবাঁ; চাবা কোনো প্ৰলোভনে যেন তোমালোকক ন্যায়-পথৰ পৰা আঁতৰ কৰিব নোৱাৰে। দান কৰিবা; দানৰ সমান ধৰ্ম্ম নাই। তোমাৰ উপাৰ্জ্জনৰ পৰা হোৱা আয়ৰ এটা অংশ দুখীয়াক দান কৰিবলৈ যুগুত ৰাখিবা। ঈশ্বৰে স্ৰজা জীৱৰ প্ৰতি দয়া নেদেখুৱালে তেওঁৰ প্ৰেম কোনেও পাব নোৱাৰে। চোৱাঁ প্ৰথমতে সৃষ্টি কৰোঁতে পৃথিবী কঁপি আছিল। সেই কাৰণে ঈশ্বৰে পৃথিবীৰ ওপৰত ডাঙ্গৰ ডাঙ্গৰ পৰ্ব্বতৰ হেঁচা দিলে। পৰ্ব্বততকৈ লো ডাঙ্গৰ; কাৰণ লোৱে পৰ্ব্বত ভাঙ্গিব

পাৰে। লোতকৈ জুই ডাঙৰ; কাৰণ জুয়ে লো গলাব পাৰে। জুইতকৈ পানী ডাঙৰ; কাৰণ পানীয়ে জুই নুমাব পাৰে। পানীতকৈ বায়ু ডাঙৰ, কাৰণ বায়ুয়ে পানী লৰাব (ঢৌ তুলিব) পাৰে। কিন্তু যদি কোনো সজ্জনে দান কৰে আৰু আন কি তেওঁৰ বাওঁ হাতেও তাক নাজানে তেন্তে তেৱেঁই সৰ্ব্বশ্ৰেষ্ঠ; কাৰণ তেওঁৰ ওচৰত সকলো হাৰ মানে। তোমালোকে জানিবা অকল ধন দিয়াকে দান নোবোলে। তুমি এটি হাঁহিৰে আনক সন্তোষ দিব পাৰা, সজ কথাৰে অনেক জ্ঞান দিব পাৰা, কণা মানুহক বাট দেখুৱা, পিয়াহত অহা মানুক পানী দিয়া, বাট-পথৰ পৰা জেং-কাঁইট আঁতৰ কৰি পেলোৱাকো দান বুলি জানিবা।"

"অজু কৰি পশ্চিম মুৱা হৈ অকল নামাজ পঢ়াই সদাচাৰ নহয়। ঈশ্বৰক প্ৰকৃতভাবে বিশ্বাস কৰি দান-ধ্যান কৰাইহে সদাচাৰ। আতুৰ আৰু ঘাটমাউৰা লৰাছোৱালীক সহায় কৰাইহে প্ৰকৃত ঈশ্বৰ উপাসনা; জ্ঞান আৰ্জ্জিবাঁ; জ্ঞান অৰ্জ্জাই প্ৰকৃত সদাচাৰ আৰু ধৰ্ম্মকাম। জ্ঞান-পিপাসু হোৱাই ঈশ্বৰক ভজনা কৰা, জ্ঞান দানেই প্ৰকৃত দান। জ্ঞানে মানুহৰ বিবেক বুদ্ধি বঢ়ায় আৰু পূৰ্ণ কৰে আৰু সুখী কৰে!"

"ওচৰ চুবুৰিয়াৰ প্ৰতি মৰমিয়াল হবা। আনৰ ঘৰলৈ যাবলগীয়া হলে গিৰিহতঁক সম্মান নেদেখুৱাকৈ ভিতৰ

নোসোমাবা। ধন ধাৰে দি সুদ নেখাবা। সুদখোৱা মানুহ বৰ কঠুৱা। মদ নেখাবা। মদ খালে জ্ঞান লোপ পায়। গৰু-ছাগলী কোৰ্ব্বানি * কৰাতকৈ (উৎসৱৰ দিনা) নিজৰ পশু-স্বভাৱৰ হে কোৰ্ব্বানি কৰিবা।”

সেই সময়ত আৰব দেশত মাইকী-মানুহৰ অৱস্থা বৰ শোচনীয় আছিল। তেওঁলোকক পশুবৎ ব্যবহাৰ কৰিছিল। সম্পত্তিৰ ওপৰত তেওঁলোকৰ কোনো অধিকাৰ নাছিল। বহু বিবাহ প্ৰচলিত আছিল। বিয়া-বাৰুৰ ধৰা বন্ধা নিয়ম নাছিল মহম্মদে প্ৰথমতে প্ৰচাৰ কৰিলে, “এজন মানুহে একে সময়তে চাৰিজনীতকৈ সৰহ বিয়া কৰাব নোৱাৰে। এই চাৰিজনীও বিয়া কৰাব পাৰিব যদিহে আটাই কেজনীকে সমান চকুৰে চাবলৈ, সমান ভাবে ব্যৱহাৰ কৰিবলৈ আৰু ভাল ৰকমে পোহপাল দিবলৈ সমৰ্থ হয়।” উপপত্নী ৰখা আৰু দাসী সংসৰ্গ

* বিছমিল্লা বুলি আল্লাৰ নাম লৈ ঈশ্বৰৰ সন্তোষৰ অৰ্থে কোনো জন্তু বধ কৰাকে কোৰ্ব্বানি কৰা বোলে। আৰব দেশত গৰুৱেই নাছিল। কাযেই কোৰ্ব্বানি কৰোঁতে গৰুৰ বাহিৰে আন জন্তুৱেও হব পাৰে। এতিয়াও বহুত মছলমানে গৰু কোৰ্ব্বানি নকৰে। বহুত নিৰামিষ-ভোজী মছলমানো আছে।

কৰা নিষেধ কৰিলে। তিৰোতা মানুহক সম্মান কৰিবলৈ শিকালে, অবৰোধ প্ৰথা উলিয়ালে আৰু সম্পত্তিৰ অংশীদাৰ কৰি সমাজত ঠাই নিৰূপণ কৰি দিলে। ধৰ্ম্মবিষয়ত মুনিহ আৰু তিৰোতাই সমান অধিকাৰ পালে। কোৰাণত আছে "নিয়মমতে তিৰুতাৰ লগত সজ ব্যৱহাৰ কৰিবা কিন্তু যদি কোনোবাই অসদ্ব্যৱহাৰ কৰি তেওঁবিলাকক অবজ্ঞা কৰা তেন্তে সেইটো ঈশ্বৰকে অবজ্ঞা কৰাৰ তুল্য হব।"

৬ষ্ঠ আধ্যা

প্ৰথম প্ৰচাৰ আৰু উৎপীড়ন।

তোমালোকক ইছ্লাম ধৰ্ম্মৰ যি আভাস দি আহিলোঁ। সেই ধৰ্ম্ম প্ৰথমতে আৰব দেশত প্ৰচাৰ কৰিবলৈ মহম্মদে কিমান কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল কওঁ শুনা:—

সুদীৰ্ঘ পোন্ধৰ বছৰ সাধনা কৰি শেহত হিৰা পৰ্ব্বতৰ গুহাত এমাহ "নিৰাহাৰো, যতাহাৰো, তন্মনস্কো সমাহিত" থাকি যি সত্য উপলব্ধি কৰি ঘৰলৈ আহিল সেই সত্য মহম্মদে কতো প্ৰচাৰ কৰা নাছিল। একমাত্ৰ খাদিজাই তাৰ অলপ আভাস পাইছিল।

বহু দিন ঘৰত থকাৰ পিচত এদিন ৰাতি দেৱদূত আহি মহম্মদক কলে "হে ধৰ্ম্মপ্ৰচাৰক মহম্মদ! ঈশ্বৰৰ কৃপাত তুমি যি

সত্যবস্তু পাইছা তাক সমগ্ৰ মানুহৰ মাজত বিলোৱাঁ, উঠা, পলম নকৰিবা।" এই আদেশ পাই মহম্মদ সন্দেহত আৰু ভয়ত কঁপি উঠিল। তেওঁ ভাবিলে, "মই কি, কোন? ঈশ্বৰৰ সত্যধৰ্ম্ম প্ৰচাৰক হবৰ ক্ষমতা মোৰ ক'ত? মই যে অতি হীন, মই কি কৰোঁ এতিয়া?" এই সন্দেহযুক্ত ভাবৰ বিষয়ে জানি তেওঁৰ উপযুক্ত সহধৰ্ম্মিণী খাদিজা বিবিয়ে উৎসাহ আৰু সাহ দি কলে, "ঈশ্বৰৰ বাণী আপুনি পালন কৰিবই লাগিব। ভয় নকৰিব; আপোনাৰ নিজৰ শক্তিত সন্দেহ নকৰিব; আপুনি গোটেই মক্কাবাসী মানুহৰ বিশ্বাসভাজন নহয় নে? মানুহে যাক বিশ্বাস কৰে ঈশ্বৰে তেওঁক প্ৰতাৰণা নকৰে। যি থলত আপুনি এতিয়া আদেশ পালে প্ৰচাৰ কাৰ্য্যত মনপুতি লাগি যাওক।"

খাদিজা বিবিৰ উৎসাহ বাণীয়ে মহম্মদৰ মনলৈ সাহ আনিলে; নিজৰ শক্তিৰ উমান পালে আৰু ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ মন বান্ধিলে। খাদিজা বিবিয়ে নিজে প্ৰথমেই এই নতুন ধৰ্ম্ম গ্ৰহণ কৰিলে। ইয়াৰ পিচত তেওঁৰ ওচৰ সম্বন্ধীয় দুই এজনে মাথোন এই নতুন ধৰ্ম্ম লাহে লাহে লবলৈ ধৰিলৈ। তেতিয়াও আৰবৰ খুব কম মানুহেই হে এই নতুন ধৰ্ম্মৰ গম পাইছিল; কাৰণ

মহম্মদে তেতিয়াও প্রকাশ্য ঠাইত প্রকাশ্য ভাৱে ৰাজহুৱাকৈ ধৰ্ম্মপ্রচাৰ কৰা নাছিল। গতিকে এনে কি তিনি বছৰৰ ভিতৰত মুঠেই ত্রিশ জন মানুহে এই নতুন ধৰ্ম্ম গ্রহণ কৰিছিল।

আবুবকৰ মহম্মদৰ এজন প্রধান শিষ্য। তেওঁৰ ধৰ্ম্মোৎসাহ বৰ প্রবল আছিল। শিষ্য সংখ্যা চল্লিশ হোৱাৰ পিচত এদিন আবুবকৰে প্রকাশ্যভাৱে ইছ্‌লাম ধৰ্ম্ম প্রচাৰ কৰিবলৈ মহম্মদক টানি অনুৰোধ কৰিলে। প্রিয়তম শিষ্যৰ অনুৰোধ দলিয়াই পেলাব নোৱাৰি মহম্মদে আৰবদেশৰ প্রধান ভজনালয় কাবা মন্দিৰত সকলো মানুহৰ আগত নতুন ধৰ্ম্ম প্রচাৰ কৰিবলৈ থিৰ কৰিলে।

যথা সময়ত এদিন সশিষ্যে মহম্মদ কাবা মন্দিৰত উপস্থিত হল আৰু আবুবকৰকেই এই নতুন ধৰ্ম্মৰ কথা বুজাই কবলৈ আদেশ দিলে। সেই আদেশমতে তেওঁ একেশ্বৰবাদৰ মহিমা আৰু মূৰ্ত্তিপূজাৰ দোষৰ কথা বৰ্ণনা কৰিলে। কাবা মন্দিৰত থকা উগ্রস্বভাৱৰ আৰব সকলে স্বধৰ্ম্মৰ নিন্দা শুনি খঙত জ্বলি উঠিল। এই মূৰ্ত্তি পূজাৰ বিৰোধী নাস্তিক বিধৰ্ম্মী সকলক পৃথিবীৰ পৰা একেবাৰে নাইকিয়া কৰিবৰ কাৰণে এফালৰ পৰা মাৰি কিলায় ভগৰি নিবলৈ ধৰিলে। কাবা মন্দিৰত মহা হুলস্থুল লাগি

উঠিল। সেই দিনা আবুবকৰে আটাইতকৈ বেছি মাৰ খালে আৰু তেওঁ পূৰা এদিন এৰাতি অজ্ঞান হৈ পৰি আছিল।

মন্দিৰত গোলমাল শুনি তাৰ ওচৰৰে তমিম বংশৰ মৰমিয়াল আবুতালেব আহি সশিষ্যে মহম্মদক এই অত্যাচাৰৰ হাতৰ পৰা ৰক্ষা কৰিলে। আবুতালেব আৰু তেওঁৰ বংশৰ লোক সকলে সেইদিনা আহি ৰক্ষা নকৰা হলে মহম্মদ প্ৰভৃতি সিবিলাকৰ লগৰীয়া শিষ্য কোনো এজনেই জীয়াই নৰল হেঁতেন!

আবুবকৰৰ গুৰুভক্তি অনুপম আছিল। ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গৈ মাৰৰ কোবত এদিন এৰাতি অজ্ঞান হৈ পৰি থকাৰ পিচত যেতিয়া জ্ঞান পালে চকু মেলিয়েই তেওঁ প্ৰথমে সুধিছিল, "মহম্মদ কেনে আছে?" এই প্ৰশ্নশুনি তেওঁৰ চাকৰ এজন তেতিয়াই লৰি গৈ মহম্মদক চাই ঘূৰি আহি কলে "মহম্মদ ভালে আছে।" আবুবকৰকে কলে, "মই মহম্মদক নিজ চকুৰে নোচোৱাকৈ ভাত-পানী একো নাখাওঁ।" এই বুলি শৰীৰৰ এনে অবস্থাতো তেওঁ আকৌ সেই দিনটোও অনাহাৰে থাকিল। ৰাতি যেতিয়া বাটত মানুহ নোহোৱা হল তেতিয়া ভয়ে ভয়ে লুকাই গৈ মহম্মদক নিজ চকুৰে তেওঁৰ ঘৰত চাই আহিহে আহাৰ কৰিছে।

প্ৰকাশ্যভাবে ধৰ্ম্মপ্ৰচাৰ আৰম্ভ কৰিবলৈ ধৰিয়েই জয়ে জয়ে এনে উৎপীড়ন সহিব লগা হল। এই উৎপীড়ণৰ নমুনা দেখিও মহম্মদ বা তেওঁৰ শিষ্য কোনো হতাশ হোৱা নাছিল বা কাৰো উৎসাহ কমা নাছিল। ইয়াৰ অলপ দিনৰ পিচতে অকৌ দুগুণ উৎসাহেৰে নতুন ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। তাৰ ফলত মহম্মদৰ শিষ্য সংখ্যা ক্ৰমে বাঢ়ি আহিবলৈ ধৰিলে।

আগতে কৈ আহিছোঁ নহয়, যে আৰব দেশৰ মানুহ-বিলাকৰ মাজত বহুত সম্প্ৰদায় আছিল। মহম্মদ তাৰে ভিতৰৰ কোৰেশ সম্প্ৰদায়ৰ লোক আছিল। এই কোৰেশ সম্প্ৰদায়ৰ লোকেই কাবামন্দিৰৰ পুৰোহিত আছিল। গতিকে আৰব দেশৰ আন সম্প্ৰদায় বিলাক ধৰ্ম্মবিষয়ত কোৰেশ সম্প্ৰদায়ৰ তলতীয়া আছিল। মহম্মদৰ নতুন ধৰ্ম্ম প্ৰচাৰ কৰাত এই সম্প্ৰদায়েই নিজৰ প্ৰাধান্য যাব বুলি বৰকৈ ভয় খাইছিল। সিবিলাকে ভালকৈ জানিছিল যে যদি মহম্মদে প্ৰচাৰ কৰা নতুন ধৰ্ম্ম সমাজত শিপাবলৈ হয় তেন্তে সিবিলাকৰ ক্ষমতা আৰু প্ৰতিপত্তি একেবাৰে নাইকিয়া হব। সিবিলাকক কোনেও আৰু ধৰ্ম্মগুৰু বুলি নামানিব। কাৰণ মহম্মদে প্ৰচাৰ কৰিছে, "ঈশ্বৰৰ চকুত মানুহ মাত্ৰেই সকলো সমান।" এই বিলাককে ভাবি কোৰেশ সকলে

মহম্মদক যেনে কৈয়ে হওক গুৰিতে শেষ কৰিবলৈ মন বান্ধিলে।

এতিয়াৰ পৰাই মহম্মদ আৰু তেওঁৰ শিষ্যসকলৰ ওপৰত উৎপীড়নৰ সূত্ৰপাত হয়। কোৰেশ সকলে বেলেগ বেলেগ ৰকমে সশিষ্য মহম্মদক শাস্তি দিবলৈ ধৰিলে। ইছ্‌লাম ধৰ্ম্মবিশ্বাসী সকলৰ দুখ, কষ্ট, অপমান আৰু লাঞ্ছনাৰ সীমা নাইকিয়া হল। তেওঁলোকৰ যাকে যতে পালে ধৰি নি বন্দী কৰিলে; খাবলৈ নিদি, বেটেৰে কোবাই নতুন ধৰ্ম্ম এৰুৱাবলৈ চালে। বসুধা পৰ্ব্বতলৈ নি নানাপ্ৰকাৰে তেওঁলোকক নগুৰ-শাস্তি কৰিবলৈ ধৰিলে। কোনোবাই মূৰ্ত্তিপূজা নমনাৰ গম পালেই বৎহা মৰুভূমিৰ ওপৰত বালিত ওপৰলৈ মুখ কৰি বুকুত শিল দি পেলাই থয়। যেতিয়া সিহঁতৰ টেটু আৰু তালু শুকাই পিয়াহত মৰোঁ মৰোঁ হয় তেতিয়া সিহঁতক নতুন ধৰ্ম্ম এৰিলে শাস্তিৰ পৰা ৰক্ষা কৰি প্ৰাণ দান দিম বুলি কোৱা হয়। ইমানতো বহুতে ধৰ্ম্ম নেৰি প্ৰাণেই এৰে কিন্তু বহুতে আকৌ ফাঁকতি কৰি নতুন ধৰ্ম্ম এৰিব বুলি তাৰ পৰা সাৰি আহে আৰু তাৰ পিচত আকৌ মহম্মদৰ শৰণাপন্ন হয়। প্ৰকৃততে সৰহভাগ মানুহেই নতুন ধৰ্ম্মত অটল হৈয়ে থাকিল।

ওস্মিয়া নামে কোৰেশ এজনৰ বিলাল নামে কাফ্রি বন্দী এজন আছিল। এই বিলালে ইছ্‌লাম ধৰ্ম্ম ললে। তাতে ওস্মিয়াই খণ্ডত তাক বৎহাৰ তপত বালিত ওপৰলৈ মুখকৈ পেলাই থৈ পিয়াহত যেতিয়া তাৰ প্ৰাণ ওষ্ঠাগত হয় তেতিয়া তাক সোধে, "বিলাল, নতুন ধৰ্ম্ম এৰিবিনে, প্ৰাণ এৰিবি?" ইমান শাস্তিটো বিলালে নতুন ধৰ্ম্ম এৰিবলৈ মান্তি নহল। গতিকে নিতৌ সেই একেৰকম শাস্তিকে পাবলৈ ধৰিলে। তিন দিন মান এইদৰে জীয়াতু ভুগিবৰ পিচত এদিন তাৰ ভাগ্যক্ৰমে আবুবকৰৰ চকুত পৰিল। তাৰ এনে কঠোৰ শাস্তি দেখাত তেওঁৰ প্ৰাণে নসহিলে। ততালিকে ওস্মিয়াৰ ওচৰলৈ গৈ ধন দি বিলালক মোকলাই আনি শাস্তিৰ পৰা ৰক্ষা কৰি প্ৰাণ দান দিলে। বিলালৰ যন্ত্ৰণাৰ ওৰ পৰিল।

ইমান কঠোৰ উৎপীড়নতো ইছ্‌লাম-ধৰ্ম্ম-বিশ্বাসী সকলে অলপো কেৰেপ নকৰিলে। হাজাৰ প্ৰকাৰ অত্যাচাৰ, অসহনীয় উৎপীড়ন নীৰবে সহি থাকিল। বৰং তেওঁলোকে নতুন ধৰ্ম্ম নতুন উদ্যমেৰে প্ৰচাৰ কৰিবলৈ ধৰাত ক্ৰমে দল-বল বাঢ়িহে আহিল। কোৰেশ সকলে এই অবস্থা দেখি হতাশ হল। পশুবলেৰে দমাব নোৱাৰি সিবিলাকে মহম্মদক প্ৰলোভনেৰে হাত কৰিবলৈ যত্ন কৰিলে।

এদিন মহম্মদ কাবা মন্দিৰত বহি আছিল। সেই সময়ত মক্কা নগৰৰ প্ৰধান নেতা ওতবা তেওঁৰ ওচৰলৈ আহি কলে, “মহম্মদ, তুমি কোৰেশ সম্প্ৰদায়ৰ ভিতৰলৈ ভেদ নীতি আনিছা। আমাৰ পূৰ্ব্বপুৰুষ সকলে মানি অহা ধৰ্ম্ম নিন্দা কৰিছা। এইবোৰ কৰাৰ তোমাৰ উদ্দেশ্য কি? তোমাক ধন, মান, যশ, ৰাজত্ব যি লাগে তাকে দিম তথাপি আমাৰ লগত বিদ্ৰোহ নকৰিবা।”

ওতবাৰ এই প্ৰলোভন বাক্য শুনি মহম্মদ অলপো চঞ্চল নহল। ধীৰ আৰু গহীন ভাবে কলে, “মই তোমালোকৰ দৰেই এজন সামান্য মানুহ মাথোন। মই কিন্তু প্ৰভুৰ প্ৰত্যাদেশ (ৰিভিলেছন) পাইছোঁ যে ঈশ্বৰ এক আৰু অদ্বিতীয়। তোমালোকে তেওঁক মাথোন ভজনা কৰা। যি পৰলোক বিশ্বাস নকৰে আৰু শাস্ত্ৰমতে দান নকৰে তেওঁ অন্তকালত দুখ পাব। যি ঈশ্বৰক বিশ্বাস কৰিব আৰু সৎকাম কৰিব তেওঁ পুৰস্কাৰ পাব। হে ওতবা, তোমাৰ ওচৰত মই চমুতে সকলো কথা কলোঁ। মোক ধন, মান, যশ একো নালাগে; এতিয়া তুমি যিহকে ভাল পোৱা কৰিব পাৰা।”

মহম্মদৰ এনে উত্তৰ শুনি লোভ দেখুৱাই মহম্মদক

বশ কৰাৰ আশা এৰি কোৰেশ সকলে ডুনাই উৎপীড়ন কৰিবলৈকে ঠিক কৰিলে। এইবাৰ তেওঁলোকে মহম্মদৰ পবিত্ৰ শৰীৰতো হাত দিবলৈ থিৰ কৰিলে। ইছ্‌লাম ধৰ্ম্ম লোৱা লোক সকলকো আকৌ নানা প্ৰকাৰে জুলুম কৰিবলৈ ধৰিলে। প্ৰতি পদে তেওঁলোকৰ প্ৰাণ সংশয়াপন্ন হল। প্ৰাণাধিক শিষ্য সকলৰ দুৰ্গতি দেখি মহম্মদে মৰ্ম্মান্তিক বেজাৰ পাই আৰু কোৰেশ সকলৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবৰ আন উপায় নেদেখি তেওঁলোকক আবিছিনিয়া ৰাজ্যলৈ যাবলৈ অনুমতি দিলে। সেই সময়ত আবিছিনিয়াৰ ৰজাজন আছিল ধাৰ্ম্মিক আৰু উদাৰ স্বভাৱৰ খৃষ্টিয়ান।

এইদৰে প্ৰথম ইছলাম ধৰ্ম্ম প্ৰচাৰৰ পৰা পঞ্চম বছৰত বীৰ পুৰুষ ওস্‌মান ইব্‌নে আকানৰ নেতৃত্বত আশি জনতকৈও অধিক মুছলমান আবিছিনিয়ালৈ যাবলৈ বাধ্য হল। প্ৰতিহিংসা পৰায়ণ কোৰেশ সকলে যেতিয়া দেখিলে যে এইদৰে তেওঁ-বিলাকৰ হাতৰ মুঠিৰ পৰা মানুহ সাৰি যোৱা অন্যায়, তেতিয়াই যুক্তি কৰি আবিছিনিয়াৰ ৰাজ-দৰবাৰলৈ দূত পঠিয়াই দিলে। ৰাজ দৰবাৰত দূতে এই লোক সকলক ধৰ্ম্মদ্ৰোহী বুলি আপত্তি কৰিলে। আবিছিনিয়াৰ ৰজা **নাজাছীয়ে** তেওঁলোকক দৰবাৰলৈ মতাই আনি সুধিলে, "তোমালোকে নিজ পিতৃধৰ্ম্ম

এৰি কিয় নতুন ধৰ্ম্ম লৈছা ?” তেতিয়া আলীৰ সৰু ভায়েক জাফৰে সকলোৰে হৈ উত্তৰ দিলে, “স্বৰ্গদেও, অজ্ঞান এন্ধাৰত আমি বৰ্ব্বৰৰ দৰে আছিলোঁ। আমি বহুত দেৱ-দেৱী পূজা কৰিছিলোঁ, সদায় ব্যভিচাৰত লিপ্ত আছিলোঁ, মৰাশৰ মাংস খাইছিলোঁ, বেয়া বা মিছা কথা কৈছিলোঁ, ধনবস্তুৰ লোভত নিজৰ ছোৱালী সন্তান মাৰি পেলাইছিলোঁ, আলহী অতিথিক নুসুধিছিলোঁ। আমাৰ এনে দুৰ্দ্দশাৰ দিনত ঈশ্বৰে আমাৰ ভালৰ নিমিত্তে এজন পয়গম্বৰ পঠালে। তেখেতৰ বংশ মৰ্য্যাদা, তেখেতৰ সত্যবাদিতা, আৰু নিৰ্ম্মল চৰিত্ৰত আমি মোহ গলোঁ, আৰু তেখেতৰ প্ৰচাৰিত ধৰ্ম্মমত গ্ৰহণ কৰিলোঁ। তেখেতে আমাক বেয়া কাম কৰিবলৈ মানা কৰিছে। তেখেতে কৈছে, “বহু দেৱ-দেৱীৰ মূৰ্ত্তি মানিব নাপায়। ধনৰ সজ ব্যৱহাৰ কৰিবা। দুখীয়াক মৰম কৰিবা, নাৰী জাতীৰ কুৎসা নৰটিবা, অনাথা ছোৱালীৰ সম্পত্তি হৰণ নকৰিবা, পাপৰ পৰা সদায় আতৰত থাকিবা। ঈশ্বৰৰ উপাসনা কৰিবা আৰু পবিত্ৰ দিনত উপবাস কৰিবা।”

এই কথা শুনি ৰজা নাজাছি বৰ সন্তুষ্ট হল আৰু কোৰেশ দূতক তাৰ পৰা খেদাই দিলে। জাফৰ প্ৰভৃতি ভাগি-অহা লোকসকল আবিছিনিয়াতে থাকিবলৈ অনুমতি পালে।

এনেভাবে ৮০।৯০ জন নতুন ধৰ্ম্ম লোৱা মানুহ আবিছিনিয়াত থকাত মক্কা নগৰত অৱশ্যে মুছলমানৰ সংখ্যা কম পৰিল। মহম্মদ সেইবাবে অলপো নিৰুৎসাহ নহল। তেওঁ আগৰ দৰেই লাহে লাহে নতুন ধৰ্ম্ম প্ৰচাৰত লাগি থাকিল। মহম্মদৰ এনে অধ্যবসায় কেনে প্ৰশংসনীয়!

৭ম অধ্যায়

অলৌকিক ক্ষমতা।

এইটো সাধাৰণতে দেখা যায় যে নতুন কোনো ধৰ্ম্মপ্ৰচাৰ কৰোঁতে মহাপুৰুষ সকলে অলৌকিক ক্ষমতা দেখুৱাব লগাত পৰে। এনে ক্ষমতা নেদেখিলে মানুহে নতুন ধৰ্ম্ম সহজে মানিব নোখোজে। মহাপুৰুষ সকলৰ ভিতৰত যিশুখৃষ্টই আটাইতকৈ বেছি ৰকমে ইয়াৰ আশ্ৰয় লব লগা হৈছিল। মৰা মানুহ জীয়ালে, কণা মানুহৰ চকু দিলে, বৰ ৰোগ হৈ থোৱা হোৱা ভৰি ভাল কৰিলে, এটুকুৰা ৰুটিৰে হাজাৰ-বিজাৰ মানুহক খুৱালে ইত্যাদি ইত্যাদি। শ্ৰীকৃষ্ণয়ো অৰ্জ্জুনক বিৰাট ৰূপ দেখুৱাইহে পতিয়ন নিয়াব লগাত পৰিছিল—"এই বীৰ সকলক মই আগেয়ে বধ কৰি থৈছোঁ, তুমি এতিয়া নতুনকৈ মাৰিব নেলাগে, মুঠেই নিমিত্ত মাত্ৰ হোৱা।"

আচৰিত কথা মহম্মদে এই শক্তিৰো অলপো সহায় লোৱা নাছিল। অথচ দুৰ্দ্দান্ত আৰব জাতিক ক্ষমতা দেখুৱাই বশ কৰা সহজ আছিল। কিন্তু মহম্মদে পেটে পেটে অনুভব কৰিছিল ক্ষমতাৰে বশ কৰি স্থায়ী ফল পোৱা নাযায়; কাৰণ কেতিয়াবা ক্ষমতা কমিলে বা নোহোৱা হলেই সি আকৌ মূৰ দাঙ্গি উঠিব। সেই কাৰণে মহম্মদে সম্পূৰ্ণৰূপে সত্যৰ ওপৰতে নিৰ্ভৰ কৰিলে। আত্ম-প্ৰতিষ্ঠা কৰিবলৈ তেওঁ চৰিত্ৰবলৰ পৰা পোৱা নিভিকতাৰ আশ্ৰয় ললে। মহম্মদে কৈছিল, "অলৌকিক ক্ষমতা দেখুৱাবৰ ক্ষমতা মানুহৰ নিজৰ নহয়। গতিকে সেই ক্ষমতাৰে বশ কৰাটো একপ্ৰকাৰ প্ৰবঞ্চনা কৰা বা ঈশ্বৰৰ পৰা পোৱা শক্তিকে নিজৰ বুলি ভাও জোৰা হয়।"

মহম্মদক নানান উৎপীড়ন কৰি ভয় দেখুৱাই চালে, তেওঁ ভয় নাখালে; মান, যশ এনে কি ৰাজ্যৰ লোভ পৰ্য্যন্ত দেখুৱাই চালে তেওঁ তাক নেওচা দিলে। কোৰেশ সকল মহা-বিমোৰত পৰিল—এতিয়া মহম্মদক জব্দ কৰা যায় কেনেকৈ? বহুতো ভাবি চিন্তি সকলোৱে ঠিক কৰিলে যে এতিয়া বন্ধু-ভাবেই মহম্মদক অলৌকিক ক্ষমতা দেখুৱাবলৈ দাবী কৰা হওক।

এইদৰে ঠিক কৰাৰ পিচত এদিন কোৰেশ সকল কাবা মন্দিৰত বহি আছিল। মহম্মদো সেইদিনা তেতিয়া তাতে আছিল। তাৰে ভিতৰৰ এজনে কলে, "মহম্মদ! তুমি যদি আগৰ

মহাপুৰুষ সকলৰ দৰে অলৌকিক ক্ষমতা দেখুৱাব পাৰা তেন্তে আমি সকলোৱে তুমি প্ৰচাৰ কৰা ধৰ্ম্ম মানিম।” মহম্মদে ঘপৰাই উত্তৰ কৰিলে, “ঈশ্বৰে মোক অলৌকিক ক্ষমতা দেখুৱাবলৈ পৃথিবীলৈ পঠোৱা নাই। তোমালোকক ধৰ্ম্মোপদেশ দিবলৈহে ইয়ালৈ পঠাইছে। প্ৰভু পৰমেশ্বৰৰ অপাৰ মহিমা মই এজন ঈশ্বৰৰ আদেশ পোৱা ধৰ্ম্মোপদেশক মাথোন! দেবদূত সকল সাধাৰণতে পৃথিবীৰ যাৰে তাৰে ওচৰলৈ নাহে, নতুবা পৰমেশ্বৰে দেৱদূত এজনকে পঠাই তোমালোকৰ মাজত সত্যধৰ্ম্ম প্ৰচাৰ কৰালে হেতেন। মই এটাও মিছা কথা প্ৰচাৰ কৰা নাই।—আল্লাৰ ভাণ্ডাৰ মোৰ হাতত, গুপ্ত সত্য মই জানো বা মোৰ লগত দেৱদূতৰ আত্মাৰ সংযোগ আছে এনে কথা মই কেতিয়াও কোৱা নাই। ঈশ্বৰৰ কৃপাই মোৰ প্ৰধান অবলম্বন. তেওঁৰ কৃপাৰ বাহিৰে মোৰ নিজৰ শক্তিৰ ওপৰতে বিশ্বাস নাই করুণাময় ঈশ্বৰৰ নাম লৈ কৈছোঁ স্বৰ্গ মৰ্ত্ত্য সকলো লোকৰ প্ৰাণী-মাত্ৰেই সৰ্ব্বজ্ঞানাধাৰ সৰ্ব্বশক্তিমান প্ৰভুৰ মহিমা কীৰ্ত্তন কৰে। এই প্ৰভুৰেই কৃপা কৰি নিৰক্ষৰ আৰব সমাজৰ মাজত সত্য-ধৰ্ম্ম স্থাপন কৰি অজ্ঞান আন্ধাৰ আতৰ কৰিবলৈ মোক পঠিয়াই দিছে। এইটো ঈশ্বৰৰ নিজে ইচ্ছা কৰি কৰা করুণা। তেওঁৰ ইচ্ছামতেই সকলোৱে করুণা লাভ কৰিব পাৰে ঈশ্বৰ পৰম দয়ালু।”

মহম্মদৰ এই সহজ, সৰল আৰু সত্য কথা কোৰেশ সকলৰ মনঃপূত নহল। তেওঁলোক সকলো গৰ্জ্জি উঠিল। এজনে কলে, "মহম্মদ নিশ্চয় জানিবা তেন্তে, যে হয় তোমাৰ, নহয় আমাৰ সমূলে বিনাশ নহয় মানে, আমাৰ শত্ৰুতা চলি থাকিব।" সেইদিনাৰ পৰা আকৌ মহম্মদৰ প্ৰতি বিদ্ৰূপ বাক্য আৰু কঠুৱা ব্যৱহাৰ ক্ৰমে বাঢ়ি উঠিল!

কুসংস্কাৰ পৰিপূৰ্ণ আৰব সমাজত মহম্মদে এহাতে জ্ঞান আৰু এহাতে বিবেকবুদ্ধিৰ বন্তি লৈ ক্ৰমে প্ৰবেশ কৰি ধৰ্ম্মৰ বিমল জ্যোতি বিস্তাৰ কৰিছিল। তেওঁ উদাৰভাৱে মানুহৰ মন বশ কৰি ঈশ্বৰৰ প্ৰতি ভক্তিপৰায়ণ কৰিবলৈ যত্ন কৰিছিল। অলৌকিক ক্ষমতা দেখুৱাবলৈ মহম্মদ এই কাৰণেই নাৰাজ আছিল। আৰু এই বাবেই আজিও তেওঁৰ মতাবলম্বীলোক-সকল ধৰ্ম্মৰ নামত ইমান বলিয়া হৈ উঠে!!

প্ৰকৃতপক্ষে ইছলাম ধৰ্ম্ম প্ৰচাৰৰ পঞ্চম বছৰতো যেতিয়া দেখা গল যে আশানুৰূপ লোকে নতুন ধৰ্ম্ম গ্ৰহণ কৰা নাই বৰং কোৰেশ সকলৰ অত্যাচাৰত মহম্মদ নিজে আৰু তেওঁৰ শিষ্য সকল বিশেষ ৰকমে লাঞ্ছিত আৰু অপমানিত হবলৈ ধৰিলে। এই অৱস্থাত মহম্মদে ভাবিবলৈ বাধ্য হৈছিল, "শিষ্যসংখ্যা বঢ়াবৰ কিবা উপায় আছেনে? কোৰেশ সকলকো নতুন ধৰ্ম্মৰ ভিতৰলৈ আনিবলৈ কিবা মধ্যপন্থা "উলিয়াব পাৰিবনে?"

মনৰ এনে উগুল খুগুল অৱস্থাত এদিন কাবা মন্দিৰত ঈশ্বৰৰ প্ৰাৰ্থনা কৰি থাকোঁতে মহম্মদে তিনি জনা দেৱীৰ নাম উল্লেখ কৰি (অল্ লাত, অল্ উজ্জা, অল্ মলাত) নিজকে প্ৰশ্ন কৰিলে, "এওঁবিলাকৰ বিষয়ে তোমালোকে কি বিবেচনা কৰা ?" এই প্ৰশ্নৰ উত্তৰ মহম্মদে নিজে দিয়াৰ আগতে এজন পৌত্তলিকে মাতি উঠিল, "এওঁবিলাক দেবী, ঈশ্বৰৰ কৃপা লাভ কৰাত সহায়তা কৰে।" এনে কথাৰ উত্তৰত মহম্মদে ততালিকে একো নেমাতিলে। গতিকে তাত থকা লোক সকলে ভাবিলে যে মহম্মদে আমাৰ অত্যাচাৰত বাধ্য হৈ এই কথাত হয়ভৰ দিলে আৰু আনন্দত তেওঁবিলাকে অদ্বিতীয় ঈশ্বৰৰ মহিমা কীৰ্ত্তন কৰিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে মহম্মদৰ মনুষ্যোচিত দুৰ্ব্বলতা আঁতৰ হল। তেওঁ ততালিকে কলে তোমালোকৰ পূজিত দেৱ-দেৱী সকলৰ ভিতৰত একো সাৰ নাই আৰু প্ৰাণহীন পুতলাৰ দৰে। এই দেৱ-দেৱী সকল তোমালোকৰ পূৰ্ব্বপুৰুষ সকলৰ মস্তিষ্কৰ পৰাই সৃষ্ট হোৱা মাথোন। এই কথাত আকৌ সকলো জয় পৰিল। কিন্তু মহম্মদৰ ওপৰত অত্যাচাৰৰ মাত্ৰা বাঢ়িল।

ক্ষণিক দুৰ্ব্বলতাৰ কাৰণে হোৱা এই সামান্য ঘটনাটো বেলেগ ৰূপে ততালিকে দেশে বিদেশে বিয়পি পৰিল। সকলোৱে শুনিলে, বাধ্য হৈ মহম্মদে কোৰেশ সম্প্ৰদায়ৰ লগত

সন্ধি কৰিলে—দ্বিতীয় ঈশ্বৰ মানিলে। এই কথাৰ ঢৌ একেবাৰে আবিছিনীয়া ৰাজ্য পালেগৈ। পূৰ্ব্বে তালৈ ভাগি যোৱা ইছলাম ধৰ্ম্মী সকলে এই কথা শুনি নিজ দেশলৈ ঘূৰি আহিল। কিন্তু বাটত তেওঁবিলাকে যি কথা জানিলেহি সি সম্পূৰ্ণ বিপৰীত! গতিকে আকৌ বহুতো তালৈ ঘূৰি গল আৰু মুঠেই কেজনমানে অলপ দিনৰ নিমিত্তে প্ৰকৃত কথা জানিবলৈ মক্কালৈ আহিল।

আবুজেহল কোৰেছ সম্প্ৰদায়ৰ ভিতৰত এজন নেতা। তেওঁ প্ৰচাৰ কৰি দিলে, "যি মহম্মদক হত্যা কৰিব তেওঁ এশ বঙ্গা উট আৰু এহেজাৰ টকা পুৰস্কাৰ পাব।" এই কথাত ওমৰ নামে এজন বলী আৰু বুদ্ধিমান কোৰেছে মহম্মদৰ মূৰ কাটিবলৈ প্ৰতিজ্ঞা কৰি মুকলি তৰোৱাল হাতত লৈ ওলাল। তেওঁ কিছুমান বাট আগবাঢ়ি মহম্মদৰ ঘৰৰ ফালে যাওঁতে শুনিলে যে তেওঁৰ ভনীয়েক আৰু জেঠেৰিয়েক দুয়ো ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। এই খবৰ শুনি তেওঁ খঙত মতলীয়া হৈ ভনীয়েকৰ ঘৰৰ ফালে খোজ ললে! তেওঁৰ কাণ্ডজ্ঞান লোপ পাইছিল আৰু অতি নিৰ্দ্দয়ভাবে ভনীয়েক আৰু জেঠেৰিয়েকক বেতেৰে কোবাবলৈ ধৰিলে। কোবত তেওঁবিলাকৰ গা বহুত ঠাইত ফাটি তেজ ওলাবলৈ ধৰিলে। ইমান কষ্ট সহিও তেওঁবিলাকে নতুন ধৰ্ম্ম এৰিবলৈ মান্তি নহল। বৰং ডাঠ কৈ কলে, "আমি

সাক্ষি হৈ কৈছোঁ যে পৰমেশ্বৰৰ বাহিৰে দ্বিতীয় পূজনীয় কোনো নাই আৰু মহম্মদ তেওঁৰে প্ৰেৰিত আৰু দাস।” ওমৰে তেওঁ-বিলাকৰ ডাঠ ধৰ্ম্মবিশ্বাসত ইমান মুগ্ধ হৈছিল যেসেই নিশা তাতে থাকিবলৈ মন কৰিলে। মনে মনে কিন্তু তেওঁ বৰ অপ্ৰস্তুত হল। ৰাতি হলত জেঠৈৰিয়কে কোৰাণ পাঠ কৰিবলৈ ধৰিলে। ওমৰে এই পাঠ শুনিলে। তেওঁৰ মন অলপ শান্ত হল। কোৰাণৰ মধুৰ আৰু চিত্তমোহ যোৱা সুন্দৰ সৰল কথাবোৰ শুনি ওমৰৰ মন গলি গল। ঈশ্বৰলৈ ভক্তি উপজিল! তেওঁ বলৰ গৰ্ব্বিত কৰা ভুল বুজিলে আৰু এনে কি তেতিয়াই ইছ্লাম ধৰ্ম্মত যে তেওঁৰ বিশ্বাস সোমাইছে এই কথা জানিবলৈ দিলে। মহম্মদক নো কেতিয়া এবাৰ দেখিবলৈ পাব এই চিন্তা প্ৰবল হল; ৰাতি যেন নুপুৱাত পৰিল। প্ৰাণৰ এই ব্যাকুলতাত তেওঁৰ গোটেই নিশা টোপনি নাহিল।

ৰাতি নৌ পুৱাওঁতেই ওমৰ অকলে মহম্মদক দেখা পাবলৈ আৰকমৰ ঘৰলৈ লৰ দিলে। সেই সময়ত মহম্মদে সশিষ্যে আৰকমৰ (তেওঁৰ এজন শিষ্য) ঘৰত আছিল। মহম্মদক কাটি পেলাবলৈ ওমৰে প্ৰতিজ্ঞা কৰি ঘৰৰ পৰা ওলোৱাৰ কথা ইতিপূৰ্ব্বেই গোটেই মক্কা নগৰত প্ৰচাৰহৈ তোলপাৰ লাগি পৰিছিল। ওমৰ আহি নিচেই পুৱাতে দুৱাৰত লাহে লাহে আঘাত কৰি জান দিলে। শিষ্যসকলে ওমৰ আহা দেখি ভয়ত

বিহ্বল হল। কিন্তু নিৰ্ভীক মহম্মদে ঘৰৰ পৰা ওলাই ওমৰৰ আগত ঠিয় দিলে। মহম্মদক দেখা মাত্ৰকে ওমৰে আঠু কাঢ়ি গহীন মাতেৰে কলে, "মই সাক্ষী হৈ কৈছোঁ যে পৰমেশ্বৰৰ বাহিৰে দ্বিতীয় পূজাৰ থলি নাই, আৰু আপুনি তেওঁৰ প্ৰেৰিত আৰু দাস।" ওমৰৰ এনে বিপৰীত ব্যৱহাৰত সকলো আচৰিত হল। ওমৰে চকুৰ পানীৰে তেওঁৰ মনৰ অনুতাপৰ সকলো কথা কলে। মহম্মদে ওমৰৰ সত্যধৰ্ম্মৰ প্ৰতি অনুৰাগ দেখি সন্তুষ্ট হল আৰু ঈশ্বৰৰ নাম লৈ জয়ধ্বনি কৰি তেওঁক আলিঙ্গন কৰি আপোনাৰ জন কৰি ললে।



৮ম অধ্যায়

মদিনা গমন।

ওমৰৰ দৰে এজন বিচক্ষণ বুদ্ধি আৰু ক্ষমতাবান লোক ইছ্‌লাম দলভুক্ত হোৱাত সিবিলাকৰ বল যে বহুত পৰিমাণে বাঢ়িল তাত কোনো সন্দেহ নাই। কিন্তু কোৰেছ সকলৰ খঙ্গ ইয়াৰ বাবে দুগুণে বাঢ়িল। তদুপৰি আবিসিনীয়ালৈ পঠোৱা দূত ইমান দিনৰ মূৰত ঘূৰি আহি তেওঁক অপমান কৰি খেদাই দিয়াৰ কথা শুনি সকলোৱেই অগ্নিশৰ্ম্মা হৈ উঠিল। কোৰেছ সকলে এই অপমানৰ প্ৰতিশোধ লবলৈ ইছলাম বিশ্বাসী সকলক দুগুণে অত্যাচাৰ কৰিবলৈ সঙ্কল্প কৰিলে।

হাছিম আৰু মুতালিব বংশৰ অধিকাংশ মানুহেই ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিছিল। সেই কাৰণে কোৰেছ সম্প্ৰদায়ে তেওঁ-লোকক সম্পূৰ্ণৰূপে নাশ কৰিবৰ কাৰণে এঘৰিয়া কৰি থবলৈ প্ৰতিজ্ঞা কৰিলে। তেওঁলোকৰ লগত বিয়া-বাৰুটো হবই

নোৱাৰে কোনেও তেওঁলোকৰ লগত বস্তু বেচা-কিনাও কৰিব নোৱাৰিব এনে ধৰ্ বান্ধিলে। সিবিলাক মহাবিপদত পৰিল। উপায় নেপাই মহম্মদে সকলোকে লগত লৈ মক্কা নগৰৰ ওচৰৰ সেৱ আবুতামিব নামে শঙ্কট গিৰি এটাত আশ্ৰয় লবলৈ স্থিৰ কৰিলে। সকলোৱে নিজৰ লৰা-তিৰোতা লৈ তালৈ গল।

ইয়াত মহম্মদ পূৰা তিনি বছৰ থাকিব লগীয়া হৈছিল। সিবিলাক তাত ফাটেকত থকা দিয়েই আছিল। তাৰ পৰা ওলাই আহিবৰ ক্ষমতা কাৰো নাছিল। কোৰেছ সকলে কেনেবাকৈ কৰবাত এজনকো দেখা পালেই সৰ্ব্বনাশ কৰিছিল। এই তিনি বছৰ তেওঁলোকৰ কষ্টৰ সীমা নাছিল। সিবিলাকে যিবিলাক খোৱা বস্তু লগত লৈ গৈছিল সেইবোৰ ধুকালত নতুনকৈ আৰু বাহিৰৰ পৰা যোগাৰ কৰৰ উপায় নাছিল। এনে কি সিবিলাকক কোনেও কোনো গাকে নেবেচা হল। গতিকে ইছলাম ধৰ্ম্মী সকল 'ভাতে মৰিব লগাত' পৰিল। সৰু সৰু লৰা ছোৱালী বিলাকৰ ভোকত তত্ নাপাই কান্দোনতো ইবিলাক অলপো নটলিল। তত্ৰাচ কিন্তু শিশুৰ আৰ্ত্তনাদে মক্কাৰ কেজনমান নেতাৰ মন বিচলিত কৰিলে। তেওঁবিলাকে ভাবিলে "এই শিশুবিলাকৰ অপৰাধ কি? কিয় শিশু-সকল আহাৰৰ অভাৱত মৰিব?" এই ভাবি তেওঁবিলাকে

আগৰ ধৰ্ অলপ ঢিলাই দিলে। এই ছেগতে কিছুমান যেনে-তেনে তাৰ পৰা আহি আকৌ মক্কাত মূৰ সুমুৱালে!

কেজনমান লোকৰ কৃপাত সিবিলাক মক্কালৈ ঘূৰি আহিল স্চা, কিন্তু লগত শান্তি-সুখ নাহিল। এতিয়া সিবিলাকৰ ওপৰত অত্যাচাৰ আকৌ দুগুণে আৰম্ভ হল। মহম্মদে অশেষ যত্ন কৰিও মক্কাবাসী লোক সকলক নতুন ধৰ্ম্মলৈ আনিব নোৱাৰিলে। নতুন কোনোবা ঠাইত প্ৰচাৰ আৰম্ভ কৰিলে জানোচা কোনোৱে নতুন ধৰ্ম্ম লব এই আশাৰে তেওঁ মক্কা নগৰৰ ৭০মাইল আঁতৰৰ তায়েফ নগৰত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গল। প্ৰবল উৎসাহেৰে প্ৰচাৰ আৰম্ভ কৰিলে,—কিন্তু কিহৰ তাতো সেই;—বিশেষ একো নহল। লাভৰ ভিতৰত তেওঁ সোনকালে তায়েফ নগৰ এৰিবলৈ বাধ্য হল! তাৰ পৌত্তলিক অধিবাসী সকল গুমৰি উঠিল!

তায়েফ নগৰ এৰিবলৈ বাধ্য হৈ মহম্মদে মনৰ দুঃখত এইদৰে প্ৰাৰ্থনা কৰিছিল—"হে প্ৰভু দুৰ্ব্বলতা আৰু অহঙ্কাৰৰ কাৰণেই তোমাৰ ওচৰত মোৰ দুঃখৰ কাহিনী নিবেদন কৰোঁ। মানুহৰ ওচৰত মই নগন্য! হে দুৰ্ব্বলৰ বল পৰম কাৰুণিক প্ৰভু, তুমি মোৰ নিয়ন্তা,—মোক কেতিয়াও নেৰিবা। জনা বা নজনা ঠাইত মোক সদায় ৰক্ষা কৰিবা। তুমি ৰুষ্ট নহলে মোৰ কোনো বিপদেই নহয়। তোমাৰ বিমল জ্যোতিয়েই মোৰ

আশ্ৰয়স্থল। সিয়েই আমাক ইহকাল পৰকালত শান্তি দিয়ে। তোমাৰ করুণাৰ বাহিৰে মোৰ কোনো শক্তি আৰু সহায় নাই।”

হতাশ হৈ মহম্মদ তায়েফ নগৰৰ পৰা ঘূৰি আহিল। হাজাৰ উপদেশতো মক্কাৰ লোক সকলে ইছলাম ধৰ্ম্মৰ মহিমা অলপো বুজি নাপালে। বৰং তেওঁৰ ওপৰত ঘূৰি এনে অত্যাচাৰ আৰম্ভ কৰিলে যে তেওঁৰ পক্ষে তাত থকাই অসম্ভৱ হৈ উঠিল।

ঘৰত এনে অৱস্থা হলেও কিন্তু এই সময়ত মহম্মদৰ যশ-কীৰ্ত্তি বিদেশত বিয়পি পৰিছিল। যি সকল বিদেশী মানুহ বেপাৰ কৰিবলৈ বা তীৰ্থৰ কাৰণে মক্কালৈ আহে সি সকলে মহম্মদৰ সজ উপদেশ শুনি মোহিত হয় আৰু ইছলাম ধৰ্ম্ম গ্ৰহণ কৰে। এইদৰে বেলেগ বেলেগ দেশত এই ধৰ্ম্মৰ বীজ বিয়পি পৰিবলৈ ধৰিলে। তায়েফ নগৰৰ পৰা মহম্মদ ঘূৰি অহাৰ অলপ দিনৰ পিচতে মদিনা নগৰৰ পৰা বাৰ জন সম্ভ্ৰান্ত আৰু ক্ষমতাশালী লোক মক্কা নগৰলৈ আহে। সিবিলাকে মহম্মদৰ গুণ বুজিব পাৰি ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। মদিনালৈ ঘূৰি যাবৰ সময়ত সিবিলাকে এজন প্ৰচাৰকো লগত লৈ গল। এই প্ৰচাৰক জনৰ যত্নতে মদিনাত ইছলাম ধৰ্ম্ম বহুল ভাবে প্ৰচাৰিত হৈ পৰে। মদিনাৰ আপামৰ সকলোৱেই ইছলাম ধৰ্ম্মত

শৰণাপন্ন হল। এইদৰে মক্কাৰ বাহিৰে ইছ্লাম ধৰ্ম্মৰ প্ৰভাৱ ক্ৰমে বাঢ়ি আহিবলৈ ধৰিলে।

মক্কা নগৰত মহম্মদৰ জীৱন সদায় বিপদাপন্ন থকাত আৰু শিষ্যসকলৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱাত মহম্মদে এই মদিনা নগৰলৈকে যাবলৈ মন কৰিলে। মদিনাৰ লোক সকলে এই কথাৰ গম পাই ৭০ জন বিশিষ্ট লোকক মহম্মদক আগ বঢ়াই নিবলৈ মক্কালৈ পঠালে। কিন্তু কোৰেছ সকলৰ ভয়ত কোনো দেখাদেখিকৈ মদিনালৈ যাবলৈ সাহ নকৰিলে। মহম্মদে শিষ্য সকলৰ জীৱন নিৰাপদ কৰিবৰ মনেৰে ৰাতি ৰাতি ২।৪ জনকৈ মদিনালৈ মনে মনে শিষ্য সকলক পঠাবলৈ ধৰিলে। কোৰেছ সকলে ইয়াৰ গম নেপালে। কিন্তু যেতিয়া মক্কাত, মুঠে তিনি জন মছলমান বাকী থাকিল যেনে আলি, আবুবকৰ আৰু নিজে মহম্মদ, তেতিয়া সিহঁতে গম পালে আৰু মহম্মদক "কি কৰা যায়" বিচাৰ কৰিবলৈ সিবিলাকৰ বিচাৰ চ'ৰা দাৰ-অন-নদ্বাত মেল পাতিলে!

সেই মেলত এজনে কলে "মহম্মদক হাতভৰি বান্ধি একো খাবলৈ নিদিয়াকৈ ঘৰৰ দুৱাৰ জপাই পেলাই থোৱা হওক। খাবলৈ নেপাই শুকাই শুকাই তাতে মৰক।" আন এজনে কলে, "নহয়, সেইটো ভাল নহব—হয়টো মছলমান সকলে এই কথা জানি তেওঁক উদ্ধাৰ কৰিবলৈ যত্ন কৰিব।" আৰু এজনে

কলে, "ধৰি আনি মহম্মদক আন ঠাইলৈ নিৰ্ব্বাসিত কৰা হওক।' তাতো আপত্তি উঠিল। তেতিয়া আবুজহলে কলে, "আমাৰ ভিতৰৰ বিশিষ্ট লোকসকলৰ প্ৰত্যেকৰ ঘৰৰ পৰাই এজনকৈ সাজ-পাৰ কাচি ডেকা ওলাওক আৰু সকলোৱে লগ লাগি তেওঁক ঘৰ ভেটা দি আক্ৰমণ কৰি বধ কৰক। তেতিয়া-কাকো দোষতো পেলাব নোৱাৰিব আৰু আমাৰ কাৰ্য্যও সুকলমে সমাধা হব।" এয়ে সৰ্ব্ববাদীসম্মত সিদ্ধান্ত হল!

কোৰেছ সকলৰ এই পাপ পৰামৰ্শ ঈশ্বৰৰ কৃপাত মহম্মদৰ অবিদিত নাথাকিল। আলি তেতিয়া মহম্মদৰ ঘৰতে আছিল কিবা কামত। তেতিয়াই তেওঁক মহম্মদে সকলো কথা ভাঙ্গি কলে। আলি ভয় খাই উঠিল! মহম্মদে কলে, "ভয় নেখাবা; বিপদত ধৈৰ্য্য ধৰাহে যুগুত। বাৰু, এতিয়া এটা কাম কৰা। তোমাৰ পোছাক সজ মোক দিয়া আৰু মোৰ সজ তুমি পিন্ধা। তুমি মোৰ বিছনাত শুই থকা, মই ওলাই যাওঁ আৰু আবুবকৰৰে সহিতে ৰাতিয়েই ৰাওনা হম। তেওঁ ৰাওনা হবলৈ উট আদি সকলো ঠিক কৰি থৈছে।'

মহম্মদৰ কথা শেষ নৌ হওঁতেই কোৰেছৰ সেই দুৰ্ব্বৃত্ত ডেকাদল আহি তেওঁৰ দুৱাৰ মুখত উপস্থিত! ৰাতি তেতিয়া গহীন হৈছে। আহিবৰ সময়ত যদিও সিহঁত ডাঙ্কোপ মাৰি আহিছিল কিন্তু এইখিনি পাওঁতে সিহঁতৰ মাতেই হৰিল।

সকলোৱে গুনি-গাঠি ঠিৰ কৰিলে যে ৰাতি এতিয়া মনে মনে থকা যাওক। ৰাতিপুৱা মহম্মদ যেতিয়া বাহিৰলৈ ওলাব তেতিয়াই তেওঁৰ মূৰটো কাটি লৈ যোৱা যাব। কিয় কব নোৱাৰি, তেওঁবিলাক ভাগৰে ধৰা মানুহৰ দৰে যেয়ে যতে পায় অৱশ হৈ পৰি থাকিল।

ইতিমধ্যে মহম্মদে আগৰ কথামতে আলিৰ সাজ-পাৰ পিন্ধি তাৰ পৰা লাহেকৈ ওলাই আহিল আৰু আবুবকৰৰ ঘৰ পালে। ততালিকে দুয়ো দুটা উটত উঠি মদিনালৈ যোৱা বাট ললে। যেতিয়া ৰাতি পুৱা পুৱাওঁ হল তেতিয়া দুয়ো শত্ৰুৰ হাত এৰাবলৈ “ছোৰ” পৰ্ব্বতৰ গুহা এটাত সোমাই লুকাই থাকিল!

ৰাতি পুৱাল, পোহৰ হল। চৰাই চিৰিকটিৰ আৰাৱে সকলোৰে টোপনি ভাঙ্গিলে। তেতিয়াও মহম্মদ শোৱাৰ পৰা উঠা নাই দেখি ইফালে ডেকাদল উদ্বিগ্ন হৈ উঠিল। দিনত মহম্মদৰ ওপৰত অত্যাচাৰ কৰা অসম্ভৱ। সিহঁতে তেতিয়া গাৰ বলেৰে মহম্মদৰ ঘৰ ভাঙ্গি ভিতৰ সোমাল। শত্ৰুবিলাকৰ গোলমালত ‘আলিৰ’ টোপনি ভাগিল—উঠি বিছনাৰ ওপৰতে বহিল। কোৰেছ বিলাকে মহম্মদৰ ঠাইত আলিক দেখি আচৰিত হল। মহম্মদৰ খবৰ কৰি তাৰ পৰা যোৱাৰ বাতৰি পাই সিহঁত ততালিকে মক্কাৰ চাৰিউফালে

বিচাৰিবলৈ লৰ দিলে। তিন দিন তিনি ৰাতি পিত পিত্‌কৈ গোটেই মক্কা নগৰ বিচাৰিলে কিন্তু কিহব? হাতৰ মহম্মদ হাততে হেৰাল—তেওঁক আৰু নেপালে; হতাশ হৈ সকলো ঘৰাঘৰি গল!

ইপোনে মহম্মদক লৈ আবুবকৰ সেই গুহাত লুকাই থাকিল। লগত যি আছিল তাকে খাই দিনটো নিয়ালে। শুবলৈ একো নাছিল; আবুবকৰে নিজৰ আঠুকে শিতান কৰি মহম্মদক ৰাতি শুবলৈ দিলে। গুহাত কিছুমান ফুটা আছিল। জানোচা তাৰ পৰা মহম্মদৰ কিবা অপকাৰ হয় এই ভয়ত আবুবকৰে ফটাকানিৰে ফুটাবোৰ মাৰিলে। ফটাকানি কম পৰিল। এটা ফুটা মাৰিবলৈ নাটিলে। আবুবকৰে নিজৰ ভৰিটোকে সেই ফুটাত দি থলে। হজৰতৰ টোপনি আহিল। অলপমানো লৰচৰ কৰিলে জানোচা মহম্মদৰ টোপনিত ব্যাঘাত জন্মে এই ভয়ত তেওঁ একে থৰে বহি থাকিল। অকস্মাতে সেই ফুটা বন্ধ কৰি থোৱা ভৰিটোত কিবা এটাই কামুৰিলে। বিষত তেওঁৰ প্ৰাণ ছট্‌ফট্‌ কৰিবলৈ ধৰিলে কিন্তু তথাপিও তেওঁ লৰচৰ নকৰিলে। অতি কষ্টে সহি থাকিল যদিও সৰ্‌সৰ্‌ কৰে চকুপানী ওলাই মহম্মদৰ গাত পৰিবলৈ ধৰিলে। তেওঁৰ টোপনি ভাগিল। চকুমেলি আবুবকৰে কন্দা দেখি কাৰণ সুধি জানি কামোৰা ঠাই ডোখৰত হাত ফুৰাই দিলে! কৰ বিষ

কৰৈ ততালিকে উঠি গল! আবুবকৰ সুস্থ হল! ধন্য আবুবকৰ তোমাৰ গুৰু সেৱা!

এই গুহাত সিবিলাক তিনি ৰাতি আছিল। প্ৰত্যেক দিনা ৰাতি আবুবকৰৰ জীয়েকে গুহাত খাবৰ বস্তু দি যায়হি।

শত্ৰুবিলাকে মহম্মদক মক্কাৰ কোনো ঠাইতে বিচাৰি নাপাই জানিলে মহম্মদ মদিনাৰ ফালে গল। সেই বাটে সিহঁতেও পিচে পিচে মহম্মদক খেদি গল। আতৰৰ পৰাই আবুবকৰে মানুহ অহাৰ গম পাই ভয় খাই কলে, "আমি সংখ্যাত দুজন মাথোন! দেখিলে আমাৰ এইবাৰ নিস্তাৰ নাই।" মহম্মদে অভয় দি কলে, "আমি দুজন কেতিয়াও নহওঁ; ঈশ্বৰ আমাৰ লগৰীয়া আমি তিনিজন—তেওঁ আমাক নিশ্চয় ৰক্ষা কৰিব।"

সচাঁকৈয়ে ওলাই আহিবৰ সময়ত পিচত আবুবকৰে দেখি আচৰিত যে গুহাত সোমোৱা বাটতে মকড়াই জাল পাতি থৈছে আৰু তাৰ ওচৰতে কপৌৱে কণি পাৰি থোৱাত শত্ৰু-পক্ষই তাত কোনো নাই বুলিয়েই ওচৰেদি গুচি গল—তাৰৈ নেচালে! ঈশ্বৰৰ কৃপাত এইবাৰলৈকো মহম্মদ নিৰাপদে সাৰিল!

মক্কা এৰিবৰ চতুৰ্থ দিনা মহম্মদ গুহাৰ পৰা ওলাই মদিনালৈ ৰাওণা হল। সেই দিনা ৬২২ খৃঃ অঃ ৰাবিয়ল আউ

মাহৰ ৮ তাৰিখ বৃহস্পতিবাৰ আছিল। এই দিনটো সচাঁকৈয়ে লেখত লব লগীয়া দিন। মক্কাৰ সূৰ্য্য মাৰ গৈ মদিনাত উদয় হৈছিল আৰু সেই দিনাৰ পৰাই ইছ্‌লাম ধৰ্ম্মই জন্ম লোৱা গতিকে 'হিজ্ৰী' চন গণনা কৰা হয়।

দুৰ্গম বাটেদি আবুবকৰহঁত মদিনালৈ আগুৱাব লাগিছে! হঠাৎ পিচ ফালে ঘোঁৰাৰ খোজৰ শব্দ শুনি ঘূৰি চাই দেখে—এজন শত্ৰু ভয়ঙ্কৰ ৰূপ ধৰি খেদি আহিছে তেওঁলোকৰে পিচে পিচে! সাৰাকা তেওঁৰ নাম। ওচৰ পায়েই শোধ পোছ নাই হাতৰ জাঠি ডাল তুলি মাৰে মহম্মদৰ চকুত খোঁচ! এনেতে তেওঁ উঠি অহা ঘোৰাটোৰ ভৰি হঠাৎ পিচলি বাগৰ খাই পৰিল। লগে লগে সাৰাকাও পৰিল! সাৰাকাই বৰ ভয় খালে! মহম্মদৰ গাত কিবা আছে বুলি তেওঁৰ ভৰিত দাঘল দি পৰি ক্ষমা বিচাৰিলে। তাৰ কান্দোনত মহম্মদৰ কোমল হিয়া পমি গল! তেওঁ ক্ষমাটো কৰিলেই আৰু লিখি দিলে "কোনো মছলমানে যেন সাৰাকাৰ কোনো অনিষ্ট নকৰে।"

মক্কা এৰিবৰ ৮ দিনৰ দিনা তুয়ো আহি মদিনাৰ ওচৰৰে 'কোবা' পৰ্ব্বত পালে! তাত কেবাঘৰো আনুচাৰ বা সহায়-কাৰক আৰু মহাজিৰিণ্ বা নিৰ্ব্বাসিত পৰিয়াল আছিল। তেওঁবিলাকৰ আগ্ৰহ এৰাব নোৱাৰি মহম্মদ কেবাদিনো তাতে থাকিব লগা হয়। ইয়াত থাকোঁতেই মক্কাৰ পৰা আহি

আলিয়েও লগ ধৰে। চিৰিয়া দেশলৈ যোৱা মছললান সকলো আহি ইয়াত গোট যায়।

ইয়াতেই প্ৰথম উপাসনা মন্দিৰ বা মস্‌জিদ্ তৈয়াৰ হয়। এই মস্‌জিদ্ মহম্মদে আন কৰ্ম্মী সকলৰ সহায়েৰে নিজ হাতে সাজিছিল। ইয়াৰ কাম শেষ কৰিয়েই মহম্মদে সদলবলে ১৬ তাৰিখ শুকুৰবাৰে মদিনাত প্ৰবেশ কৰে। মদিনাবাসীয়ে আনন্দেৰে আৰু আগ্ৰহেৰে মহম্মদক অভ্যৰ্থনা কৰিলে। মদিনাত নতুন প্ৰাণ সঞ্চাৰ হোৱাত সকলো আনন্দত মতলীয়া হৈ উঠিল!

৯ম অধ্যায়

নতুন যুগ।

মহম্মদৰ মদিনা আগমনত ইছ্লাম ধৰ্ম্মৰ এটা নতুন যুগৰ সূচনা হল। ইয়াত তেখেতৰ নিজ জীৱনৰো নতুন আধ্যায় আৰম্ভ হল। সহস্ৰ সহস্ৰ মদিনাবাসীয়ে জয়ধ্বনিৰে তেখেতক সাদৰে অভ্যৰ্থনা কৰিলে। মদিনা নগৰ আজি আনন্দত উৰুলিকৃত! লৰা-বুঢ়া সকলোৰে মনত আনন্দ;—যেন এটা বিশেষ উৎসৱত সকলো মতলীয়া।

মহম্মদৰ প্ৰতি মক্কা আৰু মদিনাৰ ব্যৱস্থা স্বৰ্গ-মৰ্ত্ত্যৰ প্ৰভেদ! মক্কাত তেওঁৰ অপৰিসীম নিৰ্য্যাতন আৰু মদিনাত তেওঁৰ পূজা—তেওঁক এবাৰ চাবলৈ আৰু অভ্যৰ্থনা কৰিবলৈ সকলো কিমান উৎসুক!

মদিনা নগৰত উপস্থিত হোৱা মাত্ৰকে তাৰ প্ৰত্যেক গৃহস্থই মহম্মদক নিজৰ ঘৰলৈ নিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। মহম্মদে

দেখিলে যে সকলোৰে আশা পূৰণ কৰা অসম্ভৱ। গতিকে কলে, "মোৰ এই উটৰ লাগাম এৰি দিলোঁ। ই গৈ যতে ৰব ময়ো ততে থাকিম এতিয়ালৈ।" উট গৈ আবআয়ূবৰ ঘৰ ওলাল। এইবাৰ মহম্মদ তেওঁৰ ঘৰত সাত মাহ আছিল।

ধৰ্ম্মোপদেশ পাবৰ কাৰণে দলে দলে মানুহ আয়ুবৰ ঘৰলৈ আহিবলৈ ধৰিলে। নিৰ্ভয়ে আৰু হেপাহ পলুৱাই মহম্মদে এই সকল লোকৰে সৈতে উপাসনা কৰিবলৈ ধৰিলে। মদিনাৰ লোকসকলৰ ধৰ্ম্মভাব থকা দেখি মহম্মদে তাৰ আলোচনা আৰু চৰ্চ্চাৰ কাৰণেবিশেষ বন্দোবস্ত কৰিবলৈ মন কৰিলে।

এনেতে স্বৰ্গীয় দূত আহি মহম্মদক নামাজৰ কাৰণে মস্‌জিদ তৈয়াৰ কৰিবলৈ আদেশ কৰিলে। মক্কাৰ পৰা খেদা খাই অহা লোকসকললৈকো থকাৰ দিহা কৰিবলৈ হুকুম জনালে। এই আদেশ পাই মহম্মদে ততালিকে মস্‌জিদ সাজিবৰ দিহা কৰিলে। প্ৰথমে আহি যি ঠাইত তেখেতৰ উট বৈছিল সেই ঠাই ডোখৰকে ধন দি কিনিলে। অতি শীঘ্ৰে সকলোৱে হাতে হাতে ধৰি সাধাৰণভাবেই মসজিদ সাজিলে; লগে লগে থকা ঘৰো হল। মহম্মদে নিজ হাতে এই মস্‌জিদত কাম কৰিছিল। এই মস্‌জিদৰ নাম হল "মস্‌জিদ অল্‌ নবী"। ভক্ত সকলে এই মস্‌জিদলৈ আজি কালিও যথেষ্ট শ্ৰদ্ধা-ভক্তি দেখুৱায়।

"মহম্মদ চরিত"



কাবা-মন্দির।

অলপ থিতাপি লৈয়ে মহম্মদে মক্কাৰ পৰা নিজৰ আৰু আবুবকৰৰ পৰিয়াল সকলক মদিনালৈ লৈ আহিবলৈ মানুহ পঠিয়ালে। তাৰ পৰা হজৰতৰ ঘৈণী সওদা, জীয়েক ফতেমা আৰু ওম্মেকুলসম্ আবুবকৰৰ ঘৈণী, জীয়েক আয়েসা আৰু আসমা আৰু পুতেক আবদুৰ বহমান আহিল। আগৰে পৰা আয়েসাৰ লগত হজৰতৰ বিয়া হবৰ কথা আছিল। এতিয়া ইয়াতে সেই বিয়া সুকলমে সম্পন্ন হৈ গল।

ইছলাম ধৰ্ম্মৰ প্ৰচাৰৰ কাৰণে আলীয়েই প্ৰথমে প্ৰাণপণ কৰি লাগিছিল। আলীৰ আকৃতি আছিল ধুনীয়া আৰু প্ৰকৃতি আছিল সুন্দৰ। মহম্মদে তেওঁৰ লগত সম্বন্ধ আৰু ডাঠ কৰিবলৈ জীয়েক সুন্দৰী ফতেমা বিবিক বিয়া দিলে। এই বিয়াত বৰ সমাৰোহ আৰু ধুম-ধাম হৈছিল।

এই সময়তে ঈশ্বৰৰ প্ৰত্যাদেশ পাই মহম্মদে "কেৱলাৰ" ফালে মুখ কৰি উপাসনা কৰিবলৈ এৰি মক্কাৰ কাবা মন্দিৰৰ ফালে মুখ কৰি উপাসনা কৰিবলৈ নিয়ম কৰিলে। তেতিয়াৰ পৰাই "ৰোজা" ধৰিবলৈ, সেদ্‌কা অৰ্থাৎ আয়ৰ নিৰ্দ্দিষ্ট অংশ দৰিদ্ৰক দান কৰিবলৈ আৰু "ইদৰ" নামাজ পঢ়িবলৈ ঈশ্বৰৰ আদেশ হয়।

মহম্মদ প্ৰথমে অহা সময়ত মদিনাৰ লোকসকলৰ ভিতৰত দুটা দল আছিল। এটা সম্প্ৰদায়ৰ নাম আছিল “আউস” আৰু আনটো সম্প্ৰদায়ৰ নাম আছিল “খজৰাজ”। এই দুই সম্প্ৰদায়ৰ ভিতৰত ভয়ানক অসদ্ভাৱ আছিল। দুয়োদলে চল পালেই মৰামৰি কটাকটি কৰিছিল। মহম্মদৰ সাম্যবাদ আৰু ধৰ্ম্ম-বিশ্বাসৰ গুণত এই দুয়োদলৰ ভিতৰত ক্ৰমে মিল হবলৈ ধৰিলে। মহম্মদে মদিনাবাসী লোকসকলক “আনসাৰ” উপাধি দিলে। ‘আনসাৰ’ শব্দৰ অৰ্থ সহায়কাৰী। মহম্মদৰ বিপদৰ সময়ত এই মদিনাবাসীয়েই সকলো প্ৰকাৰে মোচলেম সকলক সহায় কৰিছিল। আন ফালে মহম্মদৰ কাৰণে অশেষ কষ্ট স্বীকাৰ কৰিও যি সকল তেওঁৰ লগত নিজৰ মাতৃভূমি এৰি আহিল তেওঁবিলাকক উপাধি দিলে “মহাজ্জৰিণ” অৰ্থাৎ নিৰ্ব্বাসিত।

মহম্মদে এই আনসাৰ আৰু মহাজ্জৰিণ সকলক চেনেহেৰে এনেকৈ মুগ্ধ কৰিলে যে তেওঁবিলাকে সুখে-দুখে, বিপদে-আপদে, সকলোবিষয়তে আৰু সকলো সময়তে প্ৰত্যেকে প্ৰত্যেকৰ ৰক্ষাকাৰী হল। ই সকলৰ যত্নত ইছলাম ধৰ্ম্মৰ প্ৰচাৰ বহলকৈ হবলৈ ধৰিলে আৰু দলো ক্ৰমে পুষ্ট হল। উভয় দলৰ ভিতৰত এনে মিল ভাৱ স্থায়ী কৰিবলৈ মহম্মদে এই উভয় দলকে লগ লগাই এটি ধৰ্ম্মমণ্ডলী স্থাপন

কৰিলে। এই মণ্ডলীৰ প্ৰত্যেকেই প্ৰত্যেকক আপোন ভাই-ককাইৰ দৰে ব্যৱহাৰ কৰিব লাগিব এয়ে হল প্ৰথম বিধান।

দূৰদৰ্শী মহম্মদে ভাবিলে, "অকল ধৰ্ম্মবলত বলীয়ান হলেই সহব, আৰব সমাজৰ দৰে বিশৃঙ্খল আৰু উদ্ধত সমাজ গঢ় লগাই নিৰ্দ্দিষ্ট প্ৰথাৰে একতা দোলেৰে বান্ধ খুৱাবলৈ ৰাজশক্তিৰো প্ৰয়োজন।" সেই কাৰণে মহম্মদে এই ধৰ্ম্মমণ্ডলীক ৰাজশক্তি সম্পন্ন কৰি নতুন এক প্ৰজাতন্ত্ৰ শাসনৰ সূত্ৰপাত কৰে। কোনো ঠাইৰ মানুহে ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিলেই সেই ঠাই ডোখৰ এই মণ্ডলীৰ শাসনৰ অন্তৰ্ভূক্ত হব লগা নিয়ম বান্ধিলে। সেই মণ্ডলীৰ নায়ক, সকলোৰে ইচ্ছা অনুযায়ী, মহম্মদ নিজে হল। এইদৰে তেখেত একেলগে ধৰ্ম্ম সংস্থাপক আৰু শাসনকৰ্ত্তা;—অধ্যাপক আৰু বিচাৰক হব লগা হল।

এক, অদ্বিতীয়, নিৰাকাৰ পৰমেশ্বৰৰ উপাসনা প্ৰতিষ্ঠা আৰু পাপ-কলুষৰে ভৰা আৰব সমাজক উদ্ধাৰ কৰি উন্নত কৰাই মহম্মদৰ জীৱনৰ উদ্দেশ্য আছিল। নতুন ধৰ্ম্ম প্ৰতিষ্ঠা কৰি মানবজাতিৰ কল্যাণ সাধন কৰাই তেখেতৰ গুপুত বাসনা! ৰাজ্যলোভ মহম্মদৰ কেতিয়াও নাছিল। তেখেতৰ প্ৰচাৰিত ইছ্‌লাম ধৰ্ম্ম দৃঢ়ভাবে প্ৰতিষ্ঠা কৰিবলৈ মাথোন এই

নতুন সাম্ৰাজ্য স্থাপন কৰিছিল। নিজ সুখ বা নিজে প্ৰাধান্য লাভ কৰিবৰ কাৰণে নহয়। মহম্মদৰ দৰে নিলিপ্ত সংসাৰী মহাপুৰুষ পৃথিৱীত অতি বিৰল।

মহম্মদৰ বৈৰাগ্যও কম নাছিল। ধনবস্তুৰ প্ৰতি আসক্তি তেখেতৰ কেতিয়াও নাছিল। বাৰু চোৱাঁ, দুখীয়া মহম্মদে ধনী খাদিজা বিবিক বিয়া কৰালে! সেই ধনেৰে মন কৰাহেঁতেন মহম্মদে গোটেই জীৱন সুখেৰে নিয়াব পাৰিলে হেঁতেন। কিন্তু মহম্মদে দুখীয়া আতুৰক দুই হাতে সকলোখিনি বিলাই দি আগৰ যি দুখীয়া মহম্মদ সেই দুখীয়াই হল। আগৰ দৰে এতিয়াও পুৰণি ফটা কাপোৰ নিজে শি-পুটকি পিন্ধে। আচৰিত নহবা,—আজি মহম্মদ এখন ৰাজ্যৰ অধীশ্বৰ, মদিনাৰ যাবতীয় লোক অন্ততঃ মহম্মদৰ অনুগত আৰু অনুৰক্ত তথাপি তেখেতৰ দুবেলা খাবলৈ নাছিল!

এদিন মহম্মদ জীয়েক ফতেমা বিবিৰ ঘৰত ফুৰিবলৈ গল। সাদৰী জীয়েকৰ শুকান মুখখানি দেখি সুধি জানিলে যে তেওঁৰ আজি তিন দিন উপবাস, পেটলৈ এমুঠি ভাতো যোৱা নাই! হাঁহি এটি মাৰি মহম্মদে কলে, "দুখ নকৰিবি আই! চা চোনময়ো আজি চাইদিন একো খোৱা নাই"—এইবুলি ভোক মাৰ নিয়াবলৈ পেটত হেচা মাৰি বান্ধি থোৱা শিল এডোখৰ

উলিয়াই দেখুৱালে, জীয়েকে তলমূৰ হৈ নীৰবে চকুলো টুকিলে!

আৰু এদিনৰ এটা ঘটনা কওঁ শুনা। এদিন মহম্মদ ৰচি-বন্ধা চাৰপাই এখনত শুই আছিল। তাতকৈ ভাল শয্যা মহম্মদৰ ভাগত নাছিল। শকত ৰচিৰ দাগ পৰি মহম্মদৰ গা ৰঙা হৈ পৰা দেখি ওমৰে চকুৰ পানী সামৰিব নোৱাৰিলে! সাৰ পাই ওমৰৰ চকুলো দেখি মহম্মদে বুজি কলে, "ওমৰ, এই জন্মৰ সুখভোগ মোৰ লক্ষ্য নহয়, মই পৰকালৰ সুখহে বিচাৰিছোঁ—তুমিও জানো তাকে নিবিচৰা?"

ইছ্‌লাম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ এইবোৰ উপায় অবলম্বন কৰাত তাৰ প্ৰভাৱ আৰু প্ৰতিপত্তি বাঢ়ি উঠিল। হিংসুক কোৰেছ সকলে সকলো গতি-বিধি লক্ষ্য কৰি আছিল। এতিয়া তেওঁলোকৰ হিংসা আৰু প্ৰবল হৈ উঠিল। সশিষ্যে মহম্মদক কেনেকৈ ধ্বংস কৰিব তাৰ উপায় চিন্তা কৰিবলৈ ধৰিলে আৰু তেওঁলোকৰ ওচৰ চুবুৰীয়া ইহুদী বা আন আন জাতৰ মানুহৰ লগত ভিতৰি এই বিষয়ে পৰামৰ্শ কৰি উপায় বিচাৰিলে।

সেই কালত মদিনাৰ চাৰিওফালে বহুতো ইহুদীৰ বসতি আছিল। মহম্মদে সিবিলাকৰ পেটৰ কথা নাজানি সন্তুষ্ট কৰিবৰ

অৰ্থে, নিজ আগ বাঢ়ি সন্ধি স্থাপনৰ প্ৰস্তাব কৰিলে। তাৰ মৰ্ম্ম এই আছিল যে উভয় সম্প্ৰদায়ে উভয়ৰ ধৰ্ম্মত হাত নিদিব। ইহুদী সকলৰ পেটে সমন্বিতে ইছলাম ধৰ্ম্মলৈ বিদ্বেষ থাকিলেও মহম্মদৰ সৰলতাত মুগ্ধ হৈ মুখেৰে একো নেমাতিলে, প্ৰস্তাবত সন্মত হল।

পিচত কিন্তু মহম্মদে জানিলে যে ইহুদী সকলে কোৰেছৰ পৰামৰ্শ মতে সিবিলাকৰ সৰ্ব্বনাশ কৰিবলৈ চল চাই ফুৰিছে। ইয়াত তেখেত শিষ্যসকলৰ কাৰণে বিশেষ ভাবে চিন্তিত হৈ উঠিল। তেখেতে দিব্য চকুৰে দেখিলে যে অস্ত্ৰপ্ৰয়োগৰ বাহিৰে শত্ৰুদমনৰ আৰু আন কোনো উপায় নাই। কিন্তু এই অস্ত্ৰধাৰণ কৰিবলৈ তেখেতৰ টো কথাই নাই এনে কি তেখেতৰ শিষ্য সকলো অনিচ্ছুক। সিবিলাকে অস্ত্ৰধাৰণ কৰিব লাগিব বুলিয়েই নিজৰ জন্ম-ভূমিকে এৰি পলাই আহিছে। শান্তিপ্ৰিয় এই লোক সকলক মহম্মদে কেনেকৈ অস্ত্ৰধাৰণ কৰিবলৈ বাধ্য কৰাব? মহম্মদে সেই কাৰণে যাতে বিনা ৰক্তপাতে সকলো নিষ্পত্তি হয় তাৰ বাবে বহুতো যত্ন কৰিলে কিন্তু একোতে কোৰেছ সকলে বিৰুদ্ধাচৰণ কৰিবলৈ নেৰিলে। গতিকে সিবিলাকৰ বিৰুদ্ধে অস্ত্ৰপ্ৰয়োগ কৰিবলৈ মহম্মদ বাধ্য

হল, আৰু সময়ত সেই মৰ্ম্মে তেখেতে ঈশ্বৰৰ আদেশো পালে।*

ইছ্লাম ধৰ্ম্মৰ এই নতুন যুগতে যুদ্ধৰ সূচনা অৰ্থাৎ 'উদ্যোগ পৰ্ব্ব' আৰম্ভ হল।

* "যি সকলে পৰকালৰ অৰ্থে এই জীৱন উৎসৰ্গ কৰে সিবিলাকে ঈশ্বৰৰ নিমিত্তে যুদ্ধ কৰে আৰু ঈশ্বৰে সেই যুজাৰু সকলক জয়ী বা হত হলেও মহৎ পুৰস্কাৰ দিয়ে"——কোৰাণ।

ঈশ্বৰ পৰায়ণ লোকসকলে এইদৰে ডাঙৰ ডাঙৰ সমস্যাৰ সময়ত প্ৰত্যাদেশ পায়।

১০ম অধ্যায়

বিভিন্ন ঠাইত যুদ্ধ আৰু হোদয়বিয়াৰ সন্ধি।

ধৰ্ম্মৰাজ্য প্ৰতিষ্ঠাৰ কাৰণে মাথোন মহম্মদে নিতান্ত অনিচ্ছাৰ ওপৰতো যুদ্ধৰ আয়োজন কৰিবলৈ ধৰিলে! উদ্যোগ পৰ্ব্বতে মহম্মদে বিদেশলৈ যোৱা কোৰেছ বেপাৰীসকলক আক্ৰমণ কৰিবলৈ সাত বাৰ সৈন্য পঠালে। অৱশ্যে এই অভিযান বোৰ অতি সামান্য মাথোন আছিল। প্ৰতি বাৰতে কোৰেছসকল মছলমান সৈন্যসকল আহি নৌ পাওঁতেই পলাই যায়। সপ্তম বাৰত 'বত্তনন খোলা' নামে ঠাইত এদল কোৰেছৰে সৈতে যুদ্ধ হয়। যুদ্ধত কোৰেছ সকল সম্পূৰ্ণৰূপে হাৰে আৰু সিবিলাকৰ বেপাৰৰ বস্তুবিলাক মছলমান সকলে হস্তগত কৰে। এই যুদ্ধ পুণ্য ৰজব মাহত হোৱাত মহম্মদে ৰবকৈ নিন্দা কৰিলে আৰু তেখেতে সেই বস্তু হাতেৰেও নুচুলে। পুণ্য ৰজব মাহত সেই দেশৰ নিয়ম মতেও কোনো যুদ্ধ হব নোৱাৰে।

'বতনন খোলা' যুদ্ধৰ অলপ দিন পিচতে মহম্মদে যুদ্ধৰ সঁজুলি জোগাৰ কৰা কোৰেছ বেপাৰী এদলক আগ্ৰবাঢ়ি আক্ৰমণ কৰিবলৈ গল। দ্বিতীয় হিজৰীৰ (৬২৩ খৃঃ অঃ) ৰমজান মাহৰ বাৰ 'দিন যোৱাত উভয়দলৰ 'বদৰ' নামে ঠাই এডোখৰত দেখাদেখি হল। কোৰেছ সকলে এই কথাৰ গম পূৰ্ব্বেই পাইছিল আৰু সাহায্যৰ কাৰণে মক্কালৈ খবৰ পঠাই-ছিল। সেইমতে ইফালৰ পৰা ইবিলাক গৈ 'বদৰ' পাওঁতেই সিফালৰ পৰাও এহেজাৰ সৈন্য আহি তাত লগ লাগিল। অৱশ্যে মছলমান সৈন্য মুঠে ৩০৫ জন আছিল। সংখ্যাত কম হলেও মছলমান সৈন্যসকল সাহসত কম নাছিল। ঈশ্বৰৰ নাম লৈ সিবিলাকে তুমুল যুদ্ধ আৰম্ভ কৰিলে। ইবিলাকৰ পৰাক্ৰম সহিব নোৱাৰি কোৰেছসকল হটি গল। বিজয় লাভ কৰি লগত ৭০ জন বন্দীৰে সৈতে মহম্মদ মদিনালৈ উলটিল।

বদৰৰ যুদ্ধত যি সত্তৰ জন বন্দী মদিনালৈ আনিছিল তাৰ ভিতৰত বহুতেই সম্ভ্ৰান্তবংশীয় লোক আছিল। বন্দী কৰি আনিলেও সিবিলাকক ভাল ব্যবহাৰ কৰিছিল আৰু মদিনা পায়েই প্ৰত্যেকৰে পৰা কিছু কিছু টকা লৈ মুক্ত কৰি দিছিল। টকা দিব নোৱাৰা নিতান্ত দুখীয়া আছিল এজন—তেওঁৰ নাম আবুল আস্—মহম্মদৰ জোৱাঁয়েক। মহম্মদে জানিছিল যে

বাপেকৰ কথাত তেওঁৰ জীয়েক জয়নাবক 'আসে' বৰ কষ্ট দিয়ে। সেই কাৰণে মক্কা পায়েই জীয়েক জয়নাবক মহম্মদৰ ওচৰলৈ পঠাই দিবলৈ প্ৰতিজ্ঞা কৰাই তেওঁকো এৰি দিলে।

বদৰৰ যুদ্ধত জয়ী হৈ মছলমান সকলে বহুতো অস্ত্ৰ-শস্ত্ৰ, হাতী-ঘোৰা আৰু মূল্যবান বস্তু পালে। নিচেই কম সংখ্যক সৈন্যেৰে জয়লাভ কৰাত ইছলাম ধৰ্ম্মৰ প্ৰতি এটা ভক্তি ভাব হল সকলোৰে। সকলোৱে বুজিলে ঈশ্বৰৰ সাহায্য নহলে এনে জয়লাভ হব নোৱাৰে। কৃতজ্ঞ চিত্তেৰে মছলমান সকলে ঈশ্বৰৰ উপসনা কৰি আনন্দিত হল!

কিন্তু সেই সময়ত এটা দুৰ্ঘটনাই মহম্মদৰ মন ভাঙ্গি দিলে। তেওঁৰ জীয়েক "ৰাকিয়া" ঠিক সেই দিনাই আবিচিনিয়াৰ পৰা মদিনা পায়েই অকস্মাতে ধুকাল! ভাগ্যে সেই দিনাই মক্কাৰ পৰা তেওঁৰ সিজনা জীয়েক 'জয়নাব' আহি পালে। বহুদিন কষ্টৰ পিচত জয়নাবে স্নেহশীল পিতাকক পাই অলপ ৰং পালে। মহম্মদেও জীয়েকৰ মুখত আনন্দ বিৰিঙ্গা দেখি "ৰাকিয়াৰ" শোক কিছু পৰিমাণে পাহৰিলে।

বদৰৰ যুদ্ধত হাৰিয়েই কোৰেছ সকল একেবাৰে হতাশ হোৱা নাছিল। অলপ দিন মাথোন মনে মনে থাকি কোৰেছসকল আবুসোফিয়ানৰ লগত ২০০ মাথোন সৈন্য লৈ মদিনা আক্ৰমণ কৰিবলৈ আহিল। প্ৰথমে সিবিলাকে পাৰে মানে মছলমান

সকলৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে। মহম্মদেও ইয়াৰ গম দিবলৈ দলবল লৈ আগ বাঢ়িল। যথেষ্ট সৈন্য লৈ মহম্মদ আগ বঢ়াৰ গম পাই কোৰেছসকল পলাবলৈ ধৰিলে। মহম্মদেও সদলবলে সৈতে তেওঁবিলাকৰ পিচ ললে। যিমান বেগেৰে পাৰে কোৰেছ সেনা পলাবলৈ তত্ নেপালে। এনে কি বেগাই যাবৰ মনেৰে ঘোৰাৰ পিঠিত খাবলৈ লৈ যোৱা ৰছদবিলাকো বোজা-বোজে মাটিত পেলাই যাবলৈ ধৰিলে। পিচে পিচে খেদি যোৱা মছলমান সেনাসকলে বুটলি যাবলৈ লাগিল। পেলাই যোৱা সেই বস্তুবিলাকৰ ভিতৰত ছাতুয়েই সৰহকৈ থকাত এই যুদ্ধৰ নাম হল "সাভিক্ যুদ্ধ"— সাভিক্ শব্দৰ অৰ্থ ছাতু অৰ্থাৎ বুট মাহৰ গুৰি।

এই "সাভিক্" যুদ্ধৰ সময়ত এটা বৰ সুন্দৰ ঘটনা ঘটিছিল। মছলমান সৈন্যই কোৰেছসকলক পিচে পিচে খেদি লৈ যাওঁতে এদিন হঠাৎ কেনেবাকৈ মহম্মদ সৈন্যদলৰ পৰা অলপ আঁতৰত পৰিল আৰু ভাগৰ লগাত গছ এজোপাৰ তলত অকলশৰে টোপনি গল। এনেতে ডাৰ্থাৰ নামে বলী আৰু দুৰ্দ্দান্ত কোৰেছ সৈন্য এজনে মহম্মদক তেনে অসহায় অৱস্থাত পাই হত্যা কৰিবলৈ মন কৰি তৰোৱাল খন খাপৰ পৰা উলিয়াই হাতৰ মুঠিৰে টানি ঠিয় কৈ ধৰি সুধিলে, "মহম্মদ, এতিয়া তোমাক কোনে ৰক্ষা কৰিব?" মহম্মদে সাৰ পাই চকু মেলি

যেনে অৱস্থাত আছিল তেনে শোৱা অৱস্থাৰ পৰাই গম্ভীৰ-ভাৱে মাত লগালে, "পাপিষ্ঠ, তই ভাবিছ হবলা মই অকল-শৰীয়া? ঈশ্বৰ সদায় মোৰ লগত আছে। সেই ঈশ্বৰেই মোক ৰক্ষা কৰিব।"

মহম্মদে এইকেষাৰ কথা এনে দৃঢ়ভাৱে কলে যে তাৰ কলিজা লৰি গল! হাতৰ তৰোৱাল খহি মাটিত পৰিল। ছেগ বুজি মহম্মদে তপ্ কৰে উঠি জাপ্ মাৰি তৰোৱালখন হাতত লৈ ভীষণ মূৰ্ত্তিৰে আগত ঠিয় দি তৰোৱালখন দাঙ্গি সুধিলে, "বোলোঁ, এতিয়ানো তোমাক কোনে ৰক্ষা কৰিব?"

ভয়ত ডাৰ্থাৰৰ মুখ শুকাই গল। তেওঁ মহম্মদৰ চৰণত দীঘল দি পৰি ক্ষমা বিচাৰিলে। হাঁহি মুখে মহম্মদে তেওঁক ক্ষমা কৰিলে। মহম্মদৰ এনে সদয় ব্যৱহাৰ আৰু ঈশ্বৰত দৃঢ় বিশ্বাস দেখি ডাৰ্থাৰৰ অন্তৰ গলি গল। তেওঁ তেতিয়াই ইছ্লাম ধৰ্ম্ম গ্ৰহণ কৰিলে।

তাৰ পিচত আৰু কেইবা ঠাইতো সৰু সুৰা যুদ্ধ হবলৈ ধৰিলে। আটাইবিলাকতে মছলমান সকলেই জয়ী হৈছিল আৰু দুষ্টবিলাক পৰাস্ত হৈ পলাইছিল। এই সময়তে "ইদেল আজাহা" অৰ্থাৎ বকৰী ইদৰ নামাজ পঢ়িবলৈ মহম্মদে ঈশ্বৰৰ আদেশ পাইছিল।

হিজৰীৰ তৃতীয় বছৰতো শত্রুৰ লগত নানান ঠাইত যুদ্ধ হল। সকলো বিলাকতে মহম্মদেই জিতিছিল।

এই সময়ত ওছমানৰ ঘৈনী ধুকুৱাত মহম্মদে সৰু জীয়েক ওম্মে কুলসমক তেওঁলৈ বিয়া দিয়ে। মহম্মদেও বিধবা হাফেজাক বিয়া কৰাইছিল। হাফেজা বৰ ধৰ্ম্মপৰায়ণা তিৰোতা আছিল। মহম্মদে কোৰাণ ৰক্ষাৰ ভাৰ এখেতৰ হাততে দিছিল।

এইদৰে সদায় পৰাজিত হৈ হৈ কোৰেছসকল কিছুদিনলৈ মনে মনে থাকিল। কিন্তু ইহুদী সকলৰ হে বিদ্বেষ-ভাৱ মহম্মদ আৰু ইছ্‌লাম ধৰ্ম্মৰ বিৰুদ্ধে প্ৰবল হৈ উঠিল। সিবিলাকে নানাপ্ৰকাৰে ইবিলাকৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিলে। ইহুদীসকলৰ বিদ্বেষ-ভাৱ ইমান প্ৰবল হৈছিল যে মদিনা নগৰৰ ওচৰত গাওঁ এখনত কিছুমান দুষ্ট ইহুদী লগ লাগি এগৰাকী মাইকী মানুহক বলেৰে অত্যাচাৰ কৰাত মহম্মদৰ বৰ খং উঠিল। বিৰক্ত হৈ তেখেতে কলে, "হয় ইহুদী সকলে ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰক, নহয় তেওঁবিলাকে মদিনা এৰি গুচি যাওক"। সিবিলাকে মহম্মদৰ আদেশ অমান্য কৰি নিজ দুৰ্গত সোমাই থাকিল। মহম্মদেও কাজেই নিজ সৈন্যেৰে সেই দুৰ্গ অবৰোধ কৰিলে। পোন্ধৰ দিন নেবানেপেৰাকৈ অবৰোধ কৰাৰ পিচত ইহুদী সকলে আত্মসমৰ্পণ কৰিবলৈ বাধ্য হল।

মহম্মদে সিবিলাকক ক্ষমা কৰিলে আৰু সিবিলাকেও নিজৰ নিজৰ অস্ত্ৰ পৰিত্যাগ কৰি চিৰিয়া দেশলৈ গুচি গল।

এইদৰে সাত শ ইহুদী মদিনাৰ পৰা যোৱাত মছলমান সকল এদল শত্ৰুৰ হাতৰ পৰা ৰক্ষা পালে; যদিও সিবিলাকে সম্পূৰ্ণভাৱে নানা ঠাইত বিভিন্ন দলৰ শত্ৰুতাৰ হাত সাৰিব পৰা নাছিল। মহম্মদেও সেই দলবিলাক দমন কৰিবলৈ উপযুক্ত ৰকমে সময়মতে সৈন্য পঠাই দমন কৰিছিল।

এইদৰে মুঠেই তিনটা সৰু সৰু অভিযান পঠাব লগা হৈছিল। তাৰ পিচতে সিবিলাক ডাঙৰ যুদ্ধত লিপ্ত হব লগা হল। কোৰেছ সকল যদিও অলপ দিনলৈ নীৰব আছিল মহম্মদৰ বিৰুদ্ধাচাৰণ একেবাৰে এৰি দিয়া নাছিল। সিবিলাকে হিজৰীৰ তৃতীয় বছৰত ১০ হেজাৰ সৈন্যেৰে সৈতে মদিনালৈ আগ বাঢ়িল। দহদিন অহাৰ পিচত সিবিলাক মদিনাৰ পৰা তিনি মাইল আঁতৰত থকা ওহুদ পৰ্ব্বত পাই তাতে কোঁঠ মাৰি বল। মহম্মদে মুঠে এহেজাৰ সৈন্য গোটাই লৈ সিবিলাকৰ গতি ৰোধ কৰিবলৈ আগ বাঢ়িল। উভয় পক্ষৰ ভেটা-ভেটি হলত 'ওহেদত' ভীষণ যুদ্ধ আৰম্ভ হল। কোৰেছ সকলৰ আক্ৰমণ এইবাৰ বৰ চোকা আছিল। মছলমান সৈন্য দলে দলে তেওঁবিলাকৰ হাতত নিধন হবলৈ ধৰিলে।

এই যুদ্ধত মছলমান সকল হটি যোৱা যেন দেখি মহম্মদক

একেবাৰে বধ কৰিবলৈ শত্ৰুপক্ষই মন বান্ধিলে। মহম্মদে এঠাইত কেজনমান বিশ্বাসী শিষ্যৰ লগত যুদ্ধৰ গতি-বিধি চাই আছিল। দেখা পাই কোৰেছ সকল তালৈকে খেদি গল। মছলমান পক্ষৰো ওমৰ, আলি প্ৰভৃতি কেজনমানে এই কথালৈ মন কৰি ৰক্ষাৰ কাৰণে আগ বাঢ়িল। উভয় দলৰ ভিতৰত আকৌ ভাল ৰকমেই যুঁজ হল। তাতে মহম্মদৰ ওঁঠ কাটিলে আৰু দাঁত এটা ভেনেই উফৰি গল। আঘাত টান আছিল বাবে মহম্মদ মূৰ্চ্ছা গৈ মাটিত পৰি গল। কেজনমান সাহীয়াল মছল-মানে গাৰ বলেৰে ওচৰৰে পৰ্ব্বত এটাৰ ওপৰলৈ মহম্মদক তুলি নিলে। তাকে দেখি এজন কোৰেছ সৈন্য ঘোঁৰাৰ ওপৰত উঠি আহি জাঠি এপাতেৰে আক্ৰমণ কৰিলে। মহম্মদে সেই জাঠি পাত থাপ্ মাৰি ধৰি কাঢ়ি ললে আৰু ঈশ্বৰৰ ইচ্ছাত সেই জাঠিতে হঠাৎ সেই সৈনিকজন উবুৰি খাই পৰি মৰিল!

এফালে আকৌ আন এঠাইত "মোসাব" নামেৰে দেখাত ঠিক মহম্মদৰ দৰে মছলমান সৈন্য এজন যুদ্ধত পৰিল। সেই জনকে মহম্মদ বুলি জানি কোৰেছ সকলে আনন্দধ্বনি কৰি উঠিল। আপাহতে কোৰেছ সকল আহি মহম্মদ বুলি মোসাবৰ মৰা শৰটোকে খণ্ড-বিখণ্ডকৈ কাটি পেলাবলৈ ধৰিলে।

পৰ্ব্বতৰ ওপৰত কিন্তু আলিৰ শুশ্ৰূষাত মহম্মদ সতেজ হৈ উঠিল। তাৰ পৰা উঠি লাহে লাহে দুয়ো যুদ্ধ ক্ষেত্ৰলৈ

নামি আহিল। বিশ্বাসী মছলমান সৈন্য সকলৰ মৰা দেহবোৰ দেখি মহম্মদে বৰ শোক কৰিলে। শত্রুবিলাকৰ মৰাশ বোৰ দেখি মহম্মদবো সেইবোৰ খণ্ড বিখণ্ডকৈ কাটি অপমান কৰিবৰ ভাব মনলৈ আহিছিল। পিচ মুহূৰ্ত্ততে খং দমন কৰি কলে, "যি সকলে ধৈৰ্য্যেৰে উৎপীড়ন সহি থাকে আৰু প্ৰতিশোধ লবলৈ ইচ্ছা নকৰে সেই সকলহে ধন্য।" আগৰ কালত সকলো দেশত আৰু সকলো জাতিৰ মাজত এই প্ৰতিশোধ লোৱা প্ৰথা চলন্তি আছিল। মহম্মদে সেই বেয়া প্ৰথা এই প্ৰথম বন্ধ কৰিলে।

এই যুদ্ধত (ওহদৰ) কোৰেছ সম্প্ৰদায় জয়ী হল যদিও সিবিলাকৰ বল ইমান ক্ষয় হল যে মদিনা অধিকাৰ কৰিবৰ ক্ষমতা নোহোৱাত পৰিল আৰু সিবিলাক মক্কালৈ ঘূৰি যাবলৈ বাধ্য হল।

মক্কালৈ ঘুৰি গৈ কোৰেছ সকল নিশ্চিন্ত নাছিল। যুদ্ধত জয়লাভ কৰিও শত্ৰু মছলমান সকলক জব্দ কৰিব নোৱাৰি সিবিলাক দুঃখিত হল। তাৰ হোৰ তুলিবলৈ সিবিলাকে দুনাই যুজৰ আয়োজন কৰিবলৈ ধৰিলে।

যুঁজৰ আয়োজন কৰাৰ গম পাই ইফালে মহম্মদে সিহঁতক ভয় খুৱাবৰ কাৰণে এটা বুদ্ধি উলিয়ালে। তেখেতে নিজে কিছুমান সৈন্য লগত লৈ আগ ধৰিয়েই 'জামৰাল আসাদ' নামে ঠাই এডোখৰলৈ আহি কোঁঠ মাৰিলে। কোৰেছসকল এই

কথা শুনি আচৰিত হল ! "কি মহম্মদ এতিয়াও জীয়াই আছে ? ওহেদৰ যুদ্ধতে মৰিছিল নহয় ?" কোৰেছ সকলে ভাবিলে এইবাৰ নিশ্চয় বিশেষ ৰকমে যুজলৈ সাজু হৈহে নিজে আগবাঢ়ি আহিছে।· ইয়াত ভয়ো খালে আৰু তেতিয়ালৈ যুদ্ধৰ আয়োজনো পৰিত্যাগ কৰিলে। অগত্যা মহম্মদ সসৈন্যে বিনাযুদ্ধে ঘূৰি আহিল। তেখেতৰ বুদ্ধি ঠিকমতে খাটি গল। হওঁতে তেখেতে সদায় যুজ-বাগৰৰ বিৰুদ্ধে ; বাধ্য হৈ কেতিয়াবা যুজলৈ আহিলেও নিজে কেতিয়াও কোনো যুদ্ধতে অস্ত্র ধৰা নাছিল।

ইয়াৰ পিচত হিজিৰী চতুর্থ অব্দত মহম্মদে এদল ইহুদীৰ বিৰুদ্ধে যুজ কৰিবলৈ বাধ্য হৈছিল। মদিনাৰ পৰা চাৰিদিনৰ বাটত নাজেদ নামে ঠাইত সেই ঠাইৰ অধিনেতা আবুৰাই তাত ইছ্‌লাম ধৰ্ম্ম প্রচাৰ কৰিবলৈ মছলমান সকলক নিমন্ত্রণ কৰিলে। মহম্মদে ৭০ জন মছলমান প্রচাৰ কাৰ্য্যৰ কাৰণে পঠালে। সেই ঠাইৰ লোকসকলে আবুৰাৰ অজ্ঞাতে মছলমানসকলক আক্রমণ কৰিলে। তালৈ যোৱা সকলো মছলমান নিহত হল ; মাথোন আমৰু নামেৰে এজন মছলমান দৈবক্রমে প্রাণ ৰাখি পলাই আহিল। আহোঁতে দুজন নাজেদ অধিবাসীক লগ পাই প্রতিহিংসাৰ বশবৰ্ত্তী হৈ সিহঁত দুটাক বধ কৰিলে। তাৰ পিচত তেওঁ মদিনালৈ ঘূৰি আহিল

আৰু আনুপূৰ্ব্বিক সকলো কথা মহম্মদক কলে। মছলমান সকলৰ মৃত্যুত মহম্মদ একান্ত মৰ্ম্মাহত হল।

যি দুজন মানুহক বাটত পাই আমৰুৱে বধ কৰিছিল, ঘটনাক্ৰমে সেই দুজন ইফালৰ পৰা যাওঁতে মহম্মদৰ পৰা অভয় পাই গৈছিল। এই নিমিত্তে সিহঁতৰ বধৰ কথা শুনি মহম্মদে আমৰুক ক্ষতিপূৰণ কৰিবলৈ আদেশ দিলে।

নাজেদবাসীসকল বনিনজিৰ বংশীয় ইহুদীসকলৰ লগত সন্ধি-সূত্ৰত আবদ্ধ আছিল। এওঁবিলাকৰ অধিনেতাৰ যোগে এই দুজন মৃত মানুহৰ ক্ষতিপূৰণৰ টকা শোধাবৰ ব্যবস্থা কৰিবলৈ মহম্মদ নিজে সেই অধিনেতাৰ ঘৰলৈ গল। বনিনজিৰ বংশৰ লোকসকলে আগৰে পৰা থকা বিদ্বেষ ভাৱৰ বশবৰ্ত্তী হৈ মহম্মদক এই সুযোগতে বধ কৰিবলৈ মনে মনে আয়োজন কৰিছিল। ঈশ্বৰৰ কৃপাত মহম্মদে আগতে সেই বিষয়ে গম পালে। আৰু কোনো ক্ৰমে প্ৰাণ লৈ তাৰ পৰা আঁতৰ হল। এই যাত্ৰালৈ তেখেত আকৌ সাৰিল।

ঘৰ পাই মহম্মদে কৈ পঠালে যে "হয় সিবিলাকে ইছ্লাম ধৰ্ম্ম গ্ৰহণ কৰক, নহয় মদিনা এৰি যাওক।" সিবিলাকে ইয়াৰ কোনোটো কৰিবলৈ স্বীকাৰ নোপোৱাত ত্যক্ত পাই মহম্মদে সিবিলাকৰ বিৰুদ্ধে সৈন্য পঠালে। কিছুদিন আত্মৰক্ষা কৰি থাকি শেহ ৰক্ষা কৰিব নোৱাৰি মছলমানৰ

হাতত অস্ত্র-সস্ত্র সকলোখিনি অৰ্পণ কৰি মদিনা এৰি যাবলৈ বাধ্য হল।

বনিনজিৰ বংশৰ ইহুদীসকল মদিনাৰ পৰা আতৰ হবৰ পিচত আৰু এদল শত্রু উপস্থিত হল। আলমাৰ আৰু সালন-ফুলৰ মানুহবিলাকে মহম্মদৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি সৈন্য সংগ্ৰহ কৰাৰ গম পাই তেওঁবিলাকক দমন কৰিবৰ অভিপ্ৰায়ে সৈন্য পঠোৱা হল। কিন্তু তেওঁবিলাকৰ যুদ্ধ নৌ হওঁতেই মছলমান সৈন্য আগবাঢ়ি যোৱাৰ গম পায়েই পলাই ফাঁত মাৰিলে। মছলমান সৈন্যসকল এনেয়ে ঘূৰি আহিল।

মহম্মদৰ উদাৰতা অতুলনীয় আছিল। শত্ৰুৰ প্ৰতিও তেখেতৰ দয়াভাৱ সমান আছিল। অসময়ত বেলেগ বেলেগ ঠাইৰ শত্ৰুবিলাকক দমন কৰিবলৈ মহম্মদে সেই সেই ঠাইলৈ সৈন্য পঠাইছিল। এই সৈন্যবিলাকে এবাৰ হানাফা জাতিৰ অধিনায়ক থুমামক বন্দী কৰি আনিলে। থুমামে মহম্মদৰ সৌজন্য আৰু করুণাভাৱ দেখি মুগ্ধ হল আৰু চিৰদিনলৈ তেখেতৰ আনুগত্য স্বীকাৰ কৰিলে। এই হানাফা জাতিৰ বসতী ইমাম প্ৰদেশত। এই ইমাম প্ৰদেশৰ পৰাই যাৱতীয় খোৱা বস্তু মক্কা নগৰলৈ যায়। থুমামে মহম্মদৰ প্ৰতি কৃতজ্ঞতাৰ চিন স্বৰূপে তেখেতৰ চিৰশত্ৰু মক্কাবাসীৰে সৈতে বাণিজ্য বন্ধ কৰি দিলে। ইয়াতে মক্কাবাসী লোকসকলৰ খাদ্যাভাৱ ঘটিল।

কত অনুনয় বিনয় কৰি কাভৰ প্ৰাৰ্থনা জনালে সিবিলাকে থুমামলৈ—তেখেতে তালৈ কাণকে নিদিলে। শেহত বাধ্য হৈ মক্কাবাসী লোকসকল মহম্মদৰ শৰণ লব লগাত পৰিল। মক্কাবাসীৰ দুৰ্গতি দেখি মহম্মদৰ কোমল প্ৰাণ গলি গল। খোৱা বস্তুৰ বেপাৰ আগৰ দৰে চলাবলৈ থুমামলৈ আদেশ দি পঠালে। মক্কাবাসী অনাহাৰত মৃত্যুৰ পৰা হাত সাৰিল! ইমানতো কোৰেছ সকলে মহম্মদক চিনি নেপালে—তেখেতৰ বিৰুদ্ধাচৰণ কৰিবলৈ নেৰিলে!

হিজিৰী পঞ্চম অব্দত মহম্মদে লোহিত সাগৰৰ ওচৰত বাস কৰা মস্তলক বংশীয় মানুহবোৰে যুদ্ধ কৰিব লগীয়া হৈছিল। এই মস্তলক সকলোৰে সৈতে কোৰেছসকলৰ ঘনিষ্ঠ সম্পৰ্ক আছিল আৰু ইসকলো মূৰ্ত্তিপূজক আছিল। ইবিলাকে মহম্মদৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এই খবৰ পায়েই মহম্মদ সসৈন্যে সিবিলাকলৈ খেদি গল: মস্তলক সকলেও মছলমানৰ গতিৰোধ কৰিবলৈ আগ বাঢ়িল। দুয়ো দল লগ খোৱাত ওমৰে চিঞৰি কবলৈ ধৰিলে, "যদি ধনপ্ৰাণ ৰক্ষা কৰিব খোজাহঁক তেন্তে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাঁ।" মস্তলক সকল এই কথাত মান্তি নহল। মছলমান সকলে ভীষণ ভাবে আক্ৰমণ কৰিলে। প্ৰবল আক্ৰমনত মস্তলক সকল হাৰিল। মছলমানসকল বিজয়-উল্লাসত মদিনালৈ ঘূৰি আহিল।

মস্তলকৰ যুদ্ধত জয়ী হৈ মহম্মদ মদিনালৈ ঘূৰি আকৌ নতুন বিপদত পৰিলহি। মস্তলকৰ পৰা মছলমান সকল ঘূৰি অহাৰ অলপ দিনৰ পিচতে দহ হেজাৰ কোৰেছ সৈন্য মদিনা ধ্বংস কৰিবৰ কাৰণে আগ বাঢ়ি আহিল। বেনি ধুৰেইজা বংশীয় ইহুদী সকলেও মহম্মদৰ বিৰুদ্ধে যুদ্ধত যোগ দিলে। মহম্মদে শত্ৰুৰ গতিৰোধ কৰিবৰ কাৰণে মদিনাৰ পৰা তিনি মাইল দূৰত যানা পৰ্ব্বতৰ কাষত কোঁঠ মাৰিলে। এই সময়তে 'সলমন' নামে পাৰস্যদেশীয় মানুহ এজনে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰে। তেওঁ এই যুদ্ধতে প্ৰথমে পৰিখা খানি (ট্ৰেঞ্চ) যুদ্ধ কৰিবলৈ শিকায়। প্ৰথম দিনৰ যুদ্ধত আলিয়ে ওমৰ নামে বৰ তেজী আৰু বলী শত্ৰু সেনাপতি এজনক হত্যা কৰে। ক্ৰমান্বয়ে যুদ্ধ কেইবাদিনো চলিল এই যুদ্ধৰ সময়তে নইম নামেৰে কোৰেছবংশীয় মানুহ এজনে গোপনে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। এওঁৰে চক্ৰান্তক্ৰমে কুৰেজা আৰু কোৰেছ সৈন্যৰ মাজত কাজিয়া লগাত মহম্মদৰ পক্ষে বহুতো সুবিধা হল। শত্ৰুসৈন্য এইবিলাক কাৰণত ভয় খাই উঠিল। গোলমাল দেখি শত্ৰুসৈন্য পলাবলৈ মন কৰিলে। কিন্তু ঈশ্বৰৰ ইচ্ছাত সহজে পলাবও নোৱাৰিলে। ডাঙৰ ধুমুহা আহি সমুদায় শিবিৰ ভাঙ্গি চুৰমাৰ কৰিলে। এইবাৰ কিন্তু প্ৰাণৰ ভয়ত সৈন্যবিলাক পলাবলৈ তত নেপালে। যানা পৰ্ব্বতৰ ওচৰত মছলমান সৈন্যও ২৯ দিন

অপেক্ষা কৰি থাকিব লগায়া হৈছিল। জাৰ কালি থকা ঘৰ, খোৱা ভাত নোহোৱাকৈ মুকলি ঠাইত তেওঁবিলাক থাকিব লগা হোৱাত বৰ্ণনাতীত কষ্ট হৈছিল। এনে কষ্ট মছলমান সকলে আগেয়ে কোনো যুদ্ধতে পোৱা নাছিল।

কষ্টে-মষ্টে মদিনালৈ ঘূৰি আহিয়েই মহম্মদে আগৰ সন্ধি ভঙ্গ কৰা অপৰাধত তাত থকা কুৰেইজা বংশৰ ইহুদী সকলৰ থকা ঠাই অবৰোধ কৰিলে। সিবিলাক পঁচিশ দিন অবৰুদ্ধ হৈ থকাৰ পিচত আত্মসমৰ্পণ কৰিলে আৰু নিৰ্ব্বাসন দণ্ড নিজে বিচাৰিলে। মহম্মদে সিবিলাকৰ প্ৰাৰ্থনা গ্ৰাহ্য নকৰিলে। কিন্তু সেইবুলি সিবিলাকো হতাশ নহৈ বাৰে বাৰে কাকুতি মিনতি কৰি ধৰাত মহম্মদে সিবিলাকৰ বিচাৰৰ ভাৰ 'সাদ' নামে তেখেতৰ এজন প্ৰধান শিষ্যৰ ওপৰত দিলে। 'সাদ' ইহুদীসকলৰ বন্ধু বুলিহে জনাজাত আছিল, কিন্তু মস্তুলকৰ যুদ্ধত 'সাদ' সিবিলাকৰ হাতত বিশেষ ৰকমে আহত হৈছিল। সেই শত্ৰুতা মনে জানি তেখেতে কঠোৰ শাস্তি বিধান কৰিলে, —পুৰুষ সকলৰ প্ৰাণদণ্ড আৰু তিৰুতা বা লৰা-ছোৱালী বিলাকৰ দাসত্ব।

ইয়াৰ পিচতো মহম্মদে পাচোঁটা সৰু সৰু অভিযান পঠাব লগীয়া হৈছিল বেলেগ বেলেগ ঠাইৰ শত্ৰুৰ বিৰুদ্ধে। দুটা অভিযানত যুদ্ধ কৰাৰ প্ৰয়োজনেই নহল। যি দুই এটাত

যুদ্ধ কৰিব লগীয়া হৈছিল সেই আটাইবিলাকতে মছলমান সকল জয়ী হৈছিল।

হিজৰীৰ ষষ্ঠ অব্দত মহম্মদৰ জন্মভূমি মক্কানগৰ চাবৰ বৰ মন গল। অকল তেখেতৰে এনে ইচ্ছা নহয় তেখেতৰ লগত নির্ব্বাসিত হৈ অহা আন আন মছলমান সকলৰো নিজ মাতৃভূমি দর্শন পাবৰ স্পৃহা বৰকৈ জন্মিল। সেই কাৰণে পুণা (জেলকদ) মাহত ছশ নিৰস্ত্র মছলমান লগত লৈ মহম্মদ মক্কাভিমুখে যাত্রা কৰিলে। কোৰেছ সকলে এই কথা শুনি সিবিলাকৰ গতিৰোধ কৰিবৰ কাৰণে সৈন্য পঠালে। পুণ্য মাহত যুদ্ধ কৰা অসম্ভৱ। সেই কাৰণে মহম্মদে যুদ্ধ নকৰি এজন দূত কোৰেছ-সকলৰ ওচৰলৈ পঠাই দি সিবিলাকক যাবলৈ অনুমতি বিচাৰিলে। মদগর্ব্বী কোৰেছ সকলে অনুমতি যে নিদিলেই বৰং অপমান কৰি দূত ঘূৰাই পঠালে! মহম্মদ নিৰুপায়ত পৰিল। অগত্যা আন উপায় নেদেখি কোৰেছসকলৰ লগত সন্ধিৰ প্রস্তাব কৰি পুনাই দূত পঠালে। বহুতো বাদানুবাদৰ পিচত মছলমান আৰু কোৰেছ সম্প্রদায়ৰ ভিতৰত দহ বছৰৰ কাৰণে সন্ধি স্থাপিত হল। তাৰ মর্ম্ম এই :—

কোৰেছ আৰু মছলমান সম্প্রদায়ৰ ভিতৰত দহ বছৰলৈ যুদ্ধ নকৰিব ; কোনো নাবালকে অভিভাৱকৰ বিনা অনুমতিত মছলমান ধর্ম্ম গ্রহণ কৰিলে তেনে লৰাক পৌত্তলিক সকলৰ

হাতত ঘূৰাই দিব লাগিব ; কিন্তু কোনো মছলমান মক্কাবাসীৰ লগ লাগিলে তেওঁক মছলমানৰ ওচৰলৈ ঘূৰাই দিব নালাগে ; যি কোনো জাতিয়েই কোৰেছ বা মছলমান সম্প্ৰদায়ৰ লগত বন্ধুতা কৰিব পাৰিব ; এই বছৰ মছলমানসকল মদিনালৈ ঘূৰি যাব কিন্তু অহা বছৰলৈ খাপত তৰোৱাল সুমুৱাই মছলমান সকল আহি তিন দিন মক্কাত থাকিব পাৰিব ।

যি ঠাইত বহি এই সন্ধি পত্ৰত চহী কৰা হৈছিল সেই ঠাই ডোখৰৰ নাম হোদয়বিয়াৰ । এই কাৰণে এই সন্ধিৰ নামো হল 'হোদয়বিয়াৰ সন্ধি' ।

এই সন্ধি অনুসাৰে মহম্মদ সেই যাত্ৰাৰ কাৰণে মদিনালৈ ঘূৰি আহিল আৰু সন্ধিৰ আন আন সৰ্ত্তও তেতিয়া পালন কৰা হল ।

বহুদিন যুদ্ধৰ পিচত কিছুদিনলৈ বিশ্ৰাম লভি মহম্মদে পুণৰ ধৰ্ম্মপ্ৰচাৰত মন দিলে । কামিলা মানুহৰ কামেই হে বিশ্ৰাম ।

১১শ অধ্যায়

সিদ্ধিলাভ বা মক্কা জয়।

কোৰেছ সকলৰ লগত দহ বছৰলৈ কাগজে-কলমে সন্ধি স্থাপন হলেও মহম্মদৰ আন শত্রুও কম নাছিল। আৰব দেশৰ বিভিন্ন সম্প্রদায়ৰ উপৰিও কোৰেছ সকলে চেতাই দি লগোৱা ইহুদীসকলেই কেইবা ঠাইতো মছলমানসকলক বৰকৈ উৎপাত কৰিবলৈ ধৰিলে। সপ্তম হিজিৰীত মহম্মদে ‘খায়বাৰ পাছব’ ইহুদী সকলৰ বিৰুদ্ধে যুদ্ধ কৰিব লগীয়া হৈছিল। খায়বাৰৰ ইহুদীসকল বৰ পৰাক্রমী আছিল। সিহঁতে মছলমান সকলক সমূলে নাশ কৰিব খুজিছিল। মছলমান সকলেও নিজক ৰক্ষা কৰিবলৈ যথেষ্ট পৰাক্রমেৰে যুঁজ কৰিব লগীয়া হৈছিল। ইহুদীসকলৰ সাহস বেছি হলেও মুছলমান সম্প্রদায় আলীৰ নেতৃত্বত বিশেষ উৎসাহেৰে যুঁজ কৰি জয়ী হল আৰু খয়বাৰ অধিকাৰ কৰিলে। ইয়াৰ পিচতো ফদক আৰু ওয়াদি-উল-কৰাবৰ ইহুদীসকলক যুদ্ধত হেৰুৱাই সেইবাৰলৈ মছলমান সকল মদিনালৈ ঘূৰি আহিল।

খায়বাৰৰ যুদ্ধত জয়লাভ কৰিলেও মহম্মদৰ খাদ্যাভাৱ হল। এগৰাকী ইহুদী তিৰুতাই উপযাচি আথে-বেথে সিবিলাকক খাবলৈ নিমন্ত্ৰণ কৰিলে। সকলো খাবলৈ বহিছে মহম্মদে এগৰাহ মুখত দিয়েই কেনেবা যেন পাই উলিয়াই পেলালে। তাত কিবা সনা আছে বুলি আনক খাবলৈ মানা কৰিলে। তাত এনে বিষ মিহলোৱা আছিল যে পেটলৈ নেযোৱা স্বত্বেও মহম্মদৰ সেই দিন ধৰি শৰীৰ ক্ষীণ হবলৈ ধৰিলে আৰু মাজে মাজে কষ্ট পাবলৈ ধৰিলে। মছলমানসকলে ইহুদী তিৰুতা জনীক ধৰি আনিলে। মহম্মদে শোধাত সাহসেৰে কলে, "তোমালোকে মোৰ আত্মীয়-কুটুম্ব বহুতকে মাৰিলা, সেই কাৰণেই তাৰ প্ৰতিশোধ লবলৈ তোমালোকৰ খোৱা বস্তুত বিহ মিহলাই দিছিলোঁ।" মহম্মদে এনে শত্ৰুকো ক্ষমা কৰিলে, ইয়াতেই সোফিয়া নামেৰে নিৰাশ্ৰয়া ইহুদী তিৰুতা এগৰাকীয়ে মহম্মদৰ শৰণ ললে। তেখেতে তেওঁক ইছ্‌লাম ধৰ্মত দীক্ষিত কৰি বিয়া কৰালে।

ইয়াৰ পিচত মদিনালৈ ঘূৰি আহিয়েই যোৱা বছৰ হোদয়-বিয়াৰৰ সন্ধি অনুসাৰে মহম্মদে দহ হেজাৰ শিষ্য লগত লৈ মক্কালৈ যাত্ৰা কৰিলে। মহম্মদক অৱহেলা কৰা দেখুৱাবলৈকে কোৰেছ সকল মক্কা এৰি সেই সময়ত আঁতৰলৈ গুচি গল।

ছ বছৰৰ পিচত নিজৰ জন্মভূমি পুণৰ দৰশন কৰি সশিষ্যে

মহম্মদ আনন্দিত হল। সিবিলাকে হেপাহ পলুৱাই ৩ দিন ঈশ্বৰক উপাসনা কৰি আকৌ মদিনালৈ ঘূৰি আহিল। এই তিনি দিনৰ ভিতৰতে মক্কাৰ বহুতো মানুহ তেখেতৰ সৰল অথচ অটল বিশ্বাসৰ বলত মছলমান হৈছিল।

ঘূৰি আহিয়েই তেখেতে আকৌ যুদ্ধৰ আয়োজন কৰিব লগাত পৰিল। এবছৰৰ পূৰ্ব্বে মহম্মদে বস্ৰালৈ এজন দূত পঠাইছিল। সেই দূতজনক বস্ৰাৰ শাসনকৰ্ত্তাই বধ কৰালে। এখেত ৰোমৰ সম্ৰাট হিৰা ক্লিয়াচৰ প্ৰতিনিধি আছিল। অন্যায় ৰকমে দূতৰ প্ৰাণ বধ কৰা অপৰাধৰ প্ৰতিবিধান কৰিবলৈ মহম্মদে সম্ৰাটক অনুৰোধ কৰিছিল। কিন্তু তেখেতে সেই অনুৰোধলৈ কাণ নকৰাত মহম্মদে বস্ৰাৰ শাসনকৰ্ত্তাক যথোচিত শাস্তি দিবলৈ তেখেতৰ বিৰুদ্ধে তিনি হেজাৰ সৈন্য পঠাইছিল। নিজৰ সৈন্যসকলক উপদেশ দিছিল, "সৎ লোকৰ প্ৰাণ বধ নকৰিবা; শিশু, ৰোগী আৰু তিৰুতাৰ ওপৰত অত্যাচাৰ নকৰিবা; মানুহ-থকা ঘৰ নাভাঙ্গিবা আৰু গুটিলগা গছ নষ্ট নকৰিবা।"

মছলমান সৈন্য গৈ চিৰিয়াৰ অন্তৰ্গত মুতানামে এডোখৰ ঠাই পালে। তাতে উভয় পক্ষৰ যুদ্ধ আৰম্ভ হয়। অসংখ্য ৰোমীয় সৈন্য দেখি প্ৰথমতে মছলমান সৈন্য সকল ভয় খাই উঠিছিল। তাকে মন কৰি আব্দাল্লাই উৎসাহ দি কলে, "ধৰ্ম্মৰ

নিমিত্তে আমি যুঁজ কৰিবলৈ আহিছোঁ; এই ধৰ্ম্মযুদ্ধত মৰোঁ যদিও আমাৰ নিশ্চয় স্বৰ্গলাভ হব; সাহেৰে আগ বাঢ়া আজি সৈন্য সকল! আজি হয় আমাৰ জয় নহয় স্বৰ্গলাভ—দুটাৰ এটা নিশ্চয় হব” এনে উৎসাহপূৰ্ণ বাণী শুনি মছলমান সৈন্য সকল গৰ্জ্জি উঠিল। উভয় পক্ষৰে ভীষণ যুদ্ধ হবলৈ ধৰিলে। পোণতে ক্ৰমে তিনি জন মছলমান সেনাপতি (জৈয়দ, জাফৰ আৰু আব্দাল্লা) যুদ্ধত পৰিল। শেহত বীৰশ্ৰেষ্ঠ খালিদে সেনাপতিৰ পদ লৈ অতীব পৰাক্ৰমেৰে শক্ৰসৈন্য নাশ কৰিবলৈ ধৰিলে। সিবিলাকৰ পৰাক্ৰম দেখি আৰু খালিদৰ চতুৰালিত ৰোমীয় সৈন্য সকল সৰহপৰ তিষ্ঠিত নোৱাৰিলে। মছলমান সকলৰেই শেহত যুদ্ধত জয় হল। বিজয়-গৰ্ব্ব আৰু উৎসাহত মছলমান সকল ঘূৰি আহিল যদিও তিনি জন বিশিষ্ট সেনাপতিৰ মৃত্যুত সকলোৰেই শোকাতুৰ হৈ পৰিল। শোকত মহম্মদ নিজে অধীৰ হৈ ভিজি আৰু শোকাত হৈ কলে, “বন্ধুৰ বিৰহত প্ৰেমাশ্ৰু বৰ্ষণ কৰিছোঁ।” এই যুদ্ধত প্ৰবল পৰাক্ৰমেৰে আৰু বিশিষ্ট চতুৰতাৰে যুজ কৰি জয়লাভ কৰাত মহম্মদে খালিদক “ঈশ্বৰৰ তৰোৱাল” উপাধি দিছিল।

অষ্টম হিজিৰীত মুতাৰ যুদ্ধত জয়লাভ কৰি মহম্মদে সৰহদিন বিশ্ৰাম লবলৈ নাপালে। সত্যধৰ্ম্মৰ প্ৰচাৰ দিনে দিনে জয়যুক্ত হৈ আহিলেও মহম্মদৰ সদায় আশা আৰু ইচ্ছা আছিল কেতিয়া

তেওঁৰ জন্মভূমি মক্কা নগৰত ইছ্লাম ধৰ্ম্ম স্থাপিত হৈ তেখেতৰ জীৱনৰ উদ্দেশ্য সফল হব ? এনে সময়তে কোৰেছসকলে সন্ধিৰ সৰ্ত্ত ভঙ্গ কৰি মুছলমান সকলৰ আশ্ৰিত বেণী খুজা সম্প্ৰদায়ক অকস্মাতে আক্ৰমণ কৰিলে। কোৰেছসকলে খুজা সম্প্ৰদায়ৰ বহুতক বধ কৰিলে আৰু কিছুমানক দেশৰ পৰা খেদাই দিলে। আন উপায় নেদেখি সিবিলাকে মহম্মদৰ আশ্ৰয় বিচাৰিলে। তেখেতে ততালিকে কোৰেছ সকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

কোৰেছ সকলে ভয় খাই ক্ষমা বিচাৰিবলৈ আবুসোফিয়ানক মহম্মদৰ ওচৰলৈ পঠাই দিলে। সন্ধিভঙ্গনকাৰী লোকসকলক ক্ষমা কৰিবলৈ মহম্মদ মান্তি নহল। আবুসোফিয়ানে মহম্মদক বলে নোৱাৰি আবুবকৰ, ওমৰ আৰু আলি ইবিলাকৰ ওচৰ চাপিল। তাতো একো নহল দেখি তেওঁ নতশিৰে মক্কালৈ ঘূৰি যাবলৈ বাধ্য হল।

দহ হেজাৰ সৈন্য লগত লৈ মহম্মদ মক্কাৰ ফালে আগ বাঢ়িল। আগ বাটতে তেখেতৰ বৰ পিতাক আল আব্বাসে লগ ধৰি উপযাচি ইছ্লাম ধৰ্ম্ম গ্ৰহণ কৰিলে। তেওঁক পাই মহম্মদ আনন্দিত হল, লগতে মুছলমান সকলৰ বলো অলপ বাঢ়িল। ৰাতি দুজন প্ৰহৰীয়ে বাটত লগ পাই আবুসোফিয়ান আৰু তেওঁৰ আন এজন লগৰীয়াক বন্দী কৰি আনিলে। ওমৰে

তেওঁলোকক তেতিয়াই বধ কৰিব খুজিছিল কিন্তু আব্বাসে বাধা দিলে আৰু দুয়োকে মহম্মদৰ ওচৰলৈ বিচাৰৰ কাৰণে লৈ গল।

আবুসোফিয়ান মহম্মদৰ শঁহুৰেক। তেওঁ বৰ অহঙ্কাৰী আৰু খলুৱা মানুহ। মহম্মদক দেশত্যাগী কৰাওঁতা এৱেঁই। এওঁৰ প্ৰৰোচনাতেই কোৰেছ সকলে এতিয়াও মহম্মদৰ শত্ৰুতা-চৰণ কৰি আছে। আজি তেৱেঁই মহম্মদৰ হাতত বন্দী। মন কৰিলে তেখেতে এই মুহূৰ্ত্ততে প্ৰতিশোধ লব পাৰিলে হেতেন! কিন্তু মহম্মদে তেওঁক ক্ষমা কৰিলে! মহম্মদৰ হৃদয়ৰ ইমান প্ৰশস্ততা আৰু উদাৰতা দেখি আবুসোফিয়ানৰ হৃদয় অভিভূত হল! তেওঁ শাস্তি নলৈ শান্তি পালে—ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে। তেওঁ মহম্মদৰ দলভুক্ত হল! আবুসোফিয়ানৰ এই যোগদানত অৰ্দ্ধেক মক্কা-জয়ৰ তুল্য হল!

এই যাত্ৰাত কিন্তু মহম্মদে গাৰ বল দেখুৱাই জয় কৰাতকৈ প্ৰেমেৰে বা ক্ষমাৰে জয় কৰিবলৈহে আগৰে পৰা পাঙি আহি-ছিল। তেখেতৰ সেই মনোভাৱ মতেই আবুসোফিয়ানক কলে, "যদি মক্কাবাসীয়ে মোৰ হাতত আত্মসমৰ্পণ কৰে বা ঘৰত শান্ত-ভাৱে বাস কৰে, তেন্তে সিবিলাকৰ কোনো ক্ষতি কৰা নহব।"

মহম্মদ অতি সাবধানে মক্কাৰ ফালে আগ বাঢ়িবলৈ ধৰিলে।

আৰু দয়াভাৱেৰে মক্কাবাসীক জয় কৰিবৰ মনেৰে কলে, "মক্কা-বাসীয়ে আগেয়ে আক্ৰমণ নকৰিলে কোনেও যেন যুঁজ নকৰে।" অলপ আগ বাঢ়িয়েই আলিয়ে সৰু পৰ্ব্বত এটিৰ ওপৰত নিজৰ পতাকা পুতিলে। মহম্মদে যুদ্ধৰ সাজ খহাই থৈ ফকিৰৰ ভেশ পিন্ধি সেই পতাকাৰ তলতে কেঁচি মাৰি ৰল। এনেতে দেখিলে কেজনমান কোৰেছে এঠাইত কেজনমান মছলমানক আক্ৰমণ কৰিছে। আৰু মছলমানৰ আক্ৰমণ সহিব নোৱাৰি কোৰেছ কেজন হুটি যোৱাত মছলমান কেজনে পিচে পিচে খেদি নিছে। মহম্মদে তেওঁবিলাকক বধ কৰিবলৈ মানা কৰিলে আৰু নিজে উট এটাৰ ওপৰত উঠি তাৰ পৰা লাহে লাহে নামি আহিল। লগে লগে আহিল তেখেতৰ প্ৰধান আৰু প্ৰিয়তম শিষ্য আবুবকৰ। আহি আহি সিবিলাক মক্কাৰ ওচৰ পালেহি তথাপি কোনো কোৰেছে সিবিলাকৰ গতি ৰোধ কৰিবলৈ আগ নাবাঢ়িল। ঈশ্বৰৰ ইচ্ছাত বিনা ৰক্তপাতে মক্কা জয় হৈ গল

বিজয়ী মহম্মদে ফকিৰৰ ভেশেৰে কোৰাণ পাঠ কৰি মক্কাৰ ভিতৰ সোমাল। তেখেতে মনৰ আনন্দত কবলৈ ধৰিলে, "স্বৰ্গ আৰু মৰ্ত্ত্য ঈশ্বৰৰ ৰাজ্য; ঈশ্বৰ সৰ্ব্বশক্তিমান আৰু জ্ঞান-স্বৰূপ"। ঈশ্বৰৰ বাণী আজি সফল হল।

মক্কাত সোমাই মহম্মদ পোণে পোণে কাবা মন্দিৰলৈ গল।

প্ৰথমে সাতবাৰ কাবা মন্দিৰ প্ৰদাক্ষিণ কৰিলে; তাৰ পিচত সাতবাৰ "কৃষ্ণশিলা" প্ৰদক্ষিণ আৰু চুম্বন কৰি মন্দিৰ সোমাল। মন্দিৰৰ ভিতৰত একমাত্ৰ উপাস্য দেৱতাৰ পূজাৰ যোগ্যস্থান প্ৰস্তুত কৰিবৰ কাৰণে তাত আগৰ পৰা থকা ৩৬০টি মূৰ্ত্তি আঁতৰ কৰি পেলালে। মহম্মদে কলে, "ইমান দিনে সত্য জয়যুক্ত হল!" তাৰ পিচত জম্ জম্ কূপৰ ওচৰলৈ গৈ সকলোৱে 'অজু' কৰি শুচি হল আৰু সেই দিনাই প্ৰথমে ইছ্লাম ধৰ্ম্মমতে কাবা মন্দিৰত নামাজ পঢ়া হল! সকলোৱে একবাক্যে কলে "ঈশ্বৰ মহৎ, এক ঈশ্বৰৰ বাহিৰে দ্বিতীয় ঈশ্বৰ নাই আৰু মহম্মদেই সত্যধৰ্ম্মৰ প্ৰচাৰকৰ্ত্তা।"

ইয়াৰ পিচত মহম্মদ 'সাফা' পৰ্ব্বতৰ ওপৰলৈ গল। চাৰিওফালৰ পৰা কোৰেছসকল গৈ তেখেতক বেঢ়ি ধৰিলে। তেখেতে সুধিলে, "তোমালোকে মোৰ পৰা কি আশা কৰি আহিছাঁ?" সকলোৱে একবাক্যে কলে, "ভাই, আমি তোমাৰ ওচৰত দয়া আৰু ক্ষমা বিচাৰিবলৈ আহিছোঁ।" মহম্মদৰ দুই চকুৰে অবিৰল ধাৰে প্ৰেমাশ্ৰু ববলৈ ধৰিলে আৰু কলে, "মই আজি তোমালোকক খং নকৰোঁ। ঈশ্বৰে তোমালোকক ক্ষমা কৰক। তেৱেঁইহে একমাত্ৰ দয়ালু আৰু কৃপাবান্।"

ভিখাৰী মহম্মদ আজি মক্কাৰ অধীশ্বৰ। তেখেতে ইচ্ছা কৰিলে পূৰ্ব্বশত্ৰু মনে জানি যি মন যায় আজি তাকে কৰিব

পাৰে। কিন্তু তেখেতে জয়লাভ কৰি প্ৰথমে ফকিৰৰ বেশ পিন্ধি ঈশ্বৰৰ মহিমাহে ঘোষণা কৰিলে আৰু বিনয়নম্ৰ ব্যৱহাৰ কৰি শত্ৰুৰ মন জয় কৰিলে!

এনে মহানুভৱতা দেখি কোন বাৰু মনে মনে বহি থাকিব পাৰে? দলে দলে কোৰেছ সম্প্ৰদায়ৰ মতা আৰু মাইকী মানুহ আহি তেখেতৰ শৰণ লৈ ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ ধৰিলে। যি সকল পৰম শত্ৰু হৈ থাকি মহম্মদক ইমান দিন পীড়া কৰিছিল তেওঁবিলাক আগবাঢ়ি আহি ক্ষমা বিচাৰিবলৈ ইতস্ততঃ কৰা দেখি মহম্মদে কলে, "তোমালোকে কিহত ভয় কৰিছাঁ? মই ৰজা নহওঁ, ময়ো কোৰেছ সম্প্ৰদায়ৰে এগৰাকী দুখীয়া মাইকী মানুহৰ সন্তান। মোৰ আই ইমান দুখীয়া আছিল যে বদত মাংস শুকুৱাই খাইছিল! তেন্তে মোক দেখি ভয় নেখাবাঁ,—ময়ো তোমালোকৰ লগৰে এজন।" মহাপুৰুষৰ মহত্ব এই খিনিতে নহয় নে বাৰু?

মহম্মদৰ জীৱনৰ উদ্দেশ্য ইমান দিনে সফল হল। পৌত্তলিকতাৰ প্ৰধান দুৰ্গ মক্কা নগৰ দখল আৰু প্ৰবল শত্ৰু কোৰেছ সকলক জয় কৰা হল! কাবা মন্দিৰত একেশ্বৰৰ উপাসনা প্ৰতিষ্ঠিত হল। নতুন ধৰ্ম্মৰ বলত আৰব সমাজত সোমাই থকা পাপৰাশী দূৰ হৈ যাবলৈ ধৰিলে। নতুন পোহৰত দেশ উজ্জ্বল হৈ উঠিল!

মহম্মদ সশিষ্যে কিছুদিন মক্কা নগৰত থাকি আৰব দেশৰ বিভিন্ন সম্প্ৰদায়ৰ ভিতৰতো ইছ্লাম ধৰ্ম্ম প্ৰচাৰৰ ব্যৱস্থা কৰিলে—অধিকাংশ ঠাইতে কৃতকাৰ্য্যও হল !

১২শ অধ্যায়

তিৰোধান।

পৌত্তলিকতাৰ প্ৰধান দুৰ্গ মক্কা নগৰ আৰু কাবা মন্দিৰ ইছ্‌লাম ধৰ্ম্মই অধিকাৰ কৰিলেও গোটেই আৰব দেশত ইয়াৰ প্ৰতিষ্ঠা হবলৈ এতিয়াও অলপ বাকী আছিল অৰ্থাৎ সাপ মৰিল যদিও তেতিয়াও নেগুৰত কিছু পৰিমাণে বিষ নোহোৱা নহয়। মৰুভূমিবাসী বেদুঈন জাতিৰ ভিতৰত সাদ তাকিফ, হওয়াজান ওসকিফ প্ৰভৃতি কিছুমান সম্প্ৰদায় তেতিয়াও প্ৰবল হৈ আছিল, ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰা নাছিল।

বেদুঈনৰ গোটাদিয়েক সৰু সুৰা আন সম্প্ৰদায়ে ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিলেও যাই সম্প্ৰদায় কেটাই তাক গ্ৰহণ কৰা নাছিল। বৰং সিবিলাক গোট বান্ধি মছলমানৰ বিৰুদ্ধাচৰণ কৰিবলৈ হে ঠিক কৰিলে। সেই অৰ্থে তাইফ নগৰৰ অধিপতি 'মালেকে' বেদুঈন জাতিৰ অধিনায়ক হৈ চাৰি হেজাৰ যোদ্ধা

আৰু সিহঁতৰ পৰিবাৰবৰ্গই সৈতে আউদান নামক ঠাইলৈ আগ বাঢ়িল। মহম্মদেও এই কথাৰ গম পাই বাৰ হেজাৰ সৈন্য লৈ আগ বাঢ়িল। এই আউদান উপত্যকা পাওঁতেই পৰ্ব্বতৰ ওপৰৰ পৰা বেদুঈন সকলে বাণ বৰষিবলৈ ধৰাত হঠাৎ আক্ৰান্ত হৈ মছলমান সকল বিশৃঙ্খল ভাৱে পলাবলৈ ধৰিলে। মহম্মদে অভয় দি মছলমান সেনা ঘূৰাবলৈ যত্ন কৰিলে—কিন্তু নোৱাৰিলে। তেতিয়া আব্বাসে গভীৰ গৰ্জ্জন কৰি শত্ৰুৰ আগ হবলৈ কলে। তেওঁৰ নিৰ্ভীক মাত শুনি মছলমান সেনা সকলৰ সাহস হল আৰু ঘূৰি গৈ বিষম ভাবে যুদ্ধ কৰিলে। যুদ্ধত বেদুঈন জাতি পৰাভূত হল। মছলমান সকলে আউদান উপত্যকাৰ কোঁঠৰ যাবতীয় ধন-বস্তু আৰু লৰা-তিৰোতা হস্তগত কৰি লৈ আহিল।

এই সময়তে মহম্মদে তেখেতৰ পূৰ্ব্বৰ পালিতা মাক হালিমাক লগ পালে। হালিমা তেতিয়া নিচেই বুঢ়ী হৈ পৰিছিল। তেওঁৰ অনুৰোধত মহম্মদে তাত বন্দী কৰা সকলো তিৰোতাকে এৰি দিলে।

আউদান যুদ্ধত পৰাজিত হৈ এদল সাফিক হওয়াজান সৈন্যই তায়েফ নগৰত আশ্ৰয় ললে। এই তায়েফ নগৰ মহম্মদে কুৰি দিন অবৰোধ কৰি ৰাখিলে। তেতিয়াও তাকিফ সকলে আত্ম-সমৰ্পণ নকৰাত যুদ্ধ হল। যুদ্ধত তেওঁবিলাক একেবাৰে

হাৰিল ; আৰু বেদুঈন সকলে ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ বাধ্য হল।

আউদান যুদ্ধৰ বন্দিনী সকলক মুক্তি দান কৰাত আৰু আউদান উপত্যকাৰ যুদ্ধত পোৱা ধন বস্তুবোৰ সৰহকৈ কোৰেছ সকলক দান কৰাত মদিনাবাসী মছলমান সকল মহম্মদৰ ওপৰত অসন্তুষ্ট হল। মহম্মদৰ মুক্ত দানশীলতা দেখি তেওঁবিলাকে কলে, "খল প্ৰকৃতিৰ কোৰেছসকল অজস্ৰ দানৰ পাত্ৰ হল আৰু আমি আমাৰ নিজৰ অংশৰ বাহিৰে এক কড়া কড়িও সৰহ নাপালোঁ!"

মদিনাবাসীৰ এই মনোভাৱ জানি মহম্মদে কলে,"চোঁৱাহঁক, যেতিয়া আন মানুহে মোক প্ৰবঞ্চক বুলিছিল তেতিয়া তোমালোকে মোত বিশ্বাস থাপিছিলা ; যেতিয়া আনে মোক খেদাই দিছিল তেতিয়া তোমালোকে আশ্ৰয় দিছিলা ; মই ইমান অধম নে যে তোমালোকৰ এই উপকাৰ ইমান সোনকালে পাহৰিম ? তোমালোকক ধন-সম্পত্তি সৰহকৈ নিদি কোৰেছ সকলৰ ভাগত বেছিকৈ দিয়া সঁচা। সিবিলাকৰ পাৰ্থিব হৃদয় পাৰ্থিব ধন-বস্তু দি সন্তুষ্ট কৰিব খোজোঁ, কিন্তু মই তোমালোকক আত্মসমৰ্পণ কৰিছোঁ। তেওঁবিলাকে উট আৰু ভেড়া ছাগলী লৈ ঘৰলৈ উলটিব আৰু তোমালোকে মোক অৰ্থাৎ মোৰ মন-প্ৰাণ লৈ ঘৰলৈ উলটিবাঁ। তোমা-

লোকে জানিবা—গোটেই পৃথিৱী এফলীয়া হৈ যাওঁতে তোমালোক যি ফালে থাকিবা মযো সেই ফালেই হৈ থাকিম।”

মহম্মদৰ এনে স্নেহপূর্ণ আৰু মন গলি যোৱা সুৰলা কথা শুনি আনসাৰ সকল কান্দি উঠিল আৰু কলে,“আপুনি আমাক যি দিছে আমি তাতে সন্তুষ্ট।” ইয়াৰ পিচত তেখেতে মক্কা নগৰত ধৰ্ম্মচৰ্চ্চা আৰু সুশাসনৰ বন্দোবস্ত কৰি মদিনালৈ গ'ল। আহিবৰ সময়ত মহম্মদে বাটত আবোৱা নগৰত সোমাই মাকৰ সমাধি স্থান দর্শন কৰি আহিছিল।

মদিনা পায়েই মহম্মদে এটা বৰ ডাঙৰ শোক পালে। সেই দিনা তেখেতৰ সাদৰী জীয়েক জেনাবৰ মৃত্যু হয়। এনে সময়তে মেৰিয়াৰ গৰ্ভত এটি লৰা হ'ল। মহম্মদে আদৰতে লৰাটিৰ নাম ৰাখিলে ইব্ৰাহিম। এইটিয়েই মহম্মদৰ প্রথম বংশধৰ।

মদিনাত কেইদিনমান থকাৰ পিচত সিবিলাকে শুনিলে যে ৰোম সম্রাট হিৰাক্লিয়াচে তেখেতৰ নাম খৰ্ব্ব কৰিবৰ কাৰণে আৰব দেশৰ প্ৰান্তত বহুতো সৈন্য সংগ্ৰহ কৰি যুদ্ধৰ আয়োজন কৰিছে। নিজৰ স্বাৰ্থ ৰাখিবলৈ সিবিলাকৰ বিৰুদ্ধে মহম্মদেও যুদ্ধৰ বিপুল আয়োজন কৰিব লগীয়া হল। সেই সময়ত ৰোম সাম্রাজ্য অতি ডাঙৰ আৰু প্ৰতাপী আছিল। তাৰ বিৰুদ্ধে

ঠিয় দিয়া সহজ ব্যাপাৰ নাছিল। আবুবকৰ প্ৰভৃতি মহম্মদৰ প্ৰধান শিষ্যসকলে মছলমান সকলৰ ৰক্ষাৰ কাৰণে সিবিলাকৰ সমুদায় ধন-সম্পত্তি অৰ্পণ কৰিলে। মছলমান ৰমণী সকলেও নিজৰ নিজৰ অলঙ্কাৰ আদি বেচি পৰ্যান্ত যি ধন পাইছিল সেই ধন মহম্মদৰ হাতত অৰ্পি দিছিল। চাওঁতে চাওঁতে অসংখ্য সৈন্যও সংগ্ৰহ কৰা হল। বিপুল বাহিনী লৈ মহম্মদ ৰোম সাম্ৰাজ্য আক্ৰমণ কৰিবলৈ আগ বাঢ়িল। মছলমান সৈন্য চিৰিয়াৰ প্ৰান্ত পাই তাবক নামেৰে ঠাইত কোঁঠ মাৰি বল। এই সময়ত মহম্মদে শুনিলে যে ৰোম সম্ৰাট সম্প্ৰতি নিজৰ ভিতৰৰ গৃহ-কন্দল নিষ্পত্তি কৰাত ব্যস্ত আছে। এতিয়া বাহিৰা শত্ৰুৰ লগত যুদ্ধ কৰা অসম্ভব। এতিকে মছলমানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহিব নোৱাৰে। মহম্মদে সেই ঠাইৰ ওচৰৰ কিছুমান প্ৰদেশলৈ প্ৰচাৰক পঠাই ইছ্‌লাম ধৰ্ম্ম গ্ৰহণৰ ব্যৱস্থা কৰিলে আৰু অগত্যা বিনা যুদ্ধে মদিনালৈ ঘূৰি আহিল।

এইবাৰ মহম্মদে আৰব দেশৰ বাহিৰত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ মন কৰিলে। ওচৰত থকা ৰজা সকলে মহম্মদৰ লগত সদ্ব্যৱহাৰৰ নিমিত্তে দূত পঠাবলৈ ধৰিলে। বহুতো ৰাজ্যত ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিলে।

অবিশ্ৰান্ত যুদ্ধৰ পৰা অলপ আজৰি পাই মহম্মদে পৰমেশ্বৰৰ

ধ্যানত মন নিয়োগ কৰিলে। কিন্তু সৰহদিন এই শান্তি তেখেতৰ কপালত নাছিল। তেখেতৰ একমাত্ৰ পুত্ৰ হঠাৎ অকালতে ধুকুৰাত বৰ শোক পালে। এনে নিদাৰুণ শোকৰ সময়তো মহম্মদৰ ধৰ্ম্মবিশ্বাস অটুট আছিল। চেনেহৰ পুতেকক কবৰ দিওঁতে দিওঁতে আকুল কণ্ঠে তেখেতে কৈছিল, "হে পুত্ৰ! আজি তুমি সাক্ষি দিয়া যে ঈশ্বৰ তোমাৰ প্ৰভু, পয়গম্বৰ তোমাৰ পিতাৰা আৰু ইছ্‌লাম তোমাৰ ধৰ্ম্ম।" ঈশ্বৰৰ মধুৰ নাম লৈ মহম্মদে এই দুঃসহ শোক পাহৰিছিল।

ইয়াৰ পিচতে তেখেতে মক্কালৈ যাবলৈ মন মেলিলে। হিজিৰী দশম অব্দৰ জেলকদ মাহত তেখেতে সশিষ্যে মক্কালৈ যাত্ৰা কৰিলে। যথাসময়ত জন্মভূমি পাই তাৰ কৃত্য-সকলো ক্ৰিয়া-কাণ্ড শেষ কৰিলে। তাৰ পিচত নানান দেশৰ সমাগত লোকসকলক মধুৰ ধৰ্ম্ম উপদেশ দিলে। আৰব ভূমিত আৰু কোনো শত্ৰু নোহোৱা হল— সকলোৱে ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰাত গোটেই দেশ এক হৈ পৰিল।

মক্কালৈ আহি এইবাৰ মহম্মদৰ শৰীৰ অসুস্থ হৈ পৰিল— হাজাৰ হলেও তেজ-মাংসৰ শৰীৰত আৰু কিমান অত্যাচাৰ সহ্য হয়? নিজৰ অৱস্থা ভালকৈ বুজি তেখেতে 'আৰকাত' পৰ্ব্বতৰ এডোখৰ ওখ ঠাইত বহি নানা দেশৰ পৰা যোৱা লোকসকলকে

প্ৰমুখ্য কৰি মক্কাবাসী সকলোকে সম্বোধন কৰি কবলৈ ধৰিলে, "বন্ধু সকল, বিশ্বাসী সকল, আৰু এবছৰ জীয়াই থাকিম নে নাথাকিম, আকৌ তোমালোকৰে সৈতে এই দৰে লগ খাবৰ সুবিধা পাম নে নেপাম কব নোৱাৰোঁ। মই এজন সামান্য মানুহ; মৃত্যুয়ে যেই কোনো সময়তে মোক ইয়াৰ পৰা লৈ যাব পাৰে। সেই কাৰণে মোৰ মনৰ শেষ কথা গোটাদিয়েক তোমালোকক কৈ যাওঁ। আজিৰ দিনটো আৰু এই মাহটো তোমালোকৰ মানত যেনে পবিত্ৰ, তোমালোকে পৰস্পৰৰ জীৱন আৰু ধন-সম্পত্তিকো তেনে পবিত্ৰ জ্ঞান কৰিবা। মনত ৰাখিবা তোমালোকে এই সংসাৰত যি কাম কৰা তাৰ বাবে ঈশ্বৰৰ ওচৰত তোমালোক নিজে দায়ী। তিৰোতাৰ ওপৰত তোমালোকৰ যিমান অধিকাৰ, তিৰোতা সকলৰো তোমালোকৰ ওপৰত সিমান অধিকাৰ আছে বুলি মানিবা। তোমালোকে নিজে যেনে বস্তু খোৱা-লোৱা কৰা তোমালোকৰ আশ্ৰিত ভৃত্য সকলকো তেনে খাব লবলৈ দিবা। গুৰুতৰ অপৰাধ নকৰিলে তেওঁবিলাকক কামৰ পৰা খেদাই নিদিবা, জানিবা তেওঁবিলাকো প্ৰভু পৰমেশ্বৰৰ ভৃত্য!

মছলমান সকল পৰস্পৰে ভাই-ককাই,——তেওঁবিলাক একে ভ্ৰাতৃমণ্ডলীৰ লোক। ভাই-ককাইৰ প্ৰতি কেতিয়াও বেয়া ব্যৱহাৰ নকৰিবা। আজি যি সকল ইয়াত উপস্থিত

আছাহঁক তোমালোকে অনুপস্থিত থকা আৰু আন ভায়েৰাহঁতক মোৰ এই শেষ কথা কেইটা শুনাবা।”

ইয়াৰ পিচত ঈশ্বৰলৈ লক্ষ্য কৰি কলে, “প্ৰভু, মোৰ জীৱনৰ কাম শেষ হৈছে। যি উদ্দেশ্যে, যি শক্তি দি পৃথিবীলৈ পঠাইছিলা তাৰ যথাযথ ব্যৱহাৰ কৰিব পাৰিছোঁনে নাই তাৰ সাক্ষী তুমিয়েই।”

ইয়াৰ পিচত মদিনালৈ ঘূৰি আহোঁতে অন্তৰৰ পৰাই মদিনা নগৰৰ সৌন্দৰ্য্য দেখি ভক্তি-গদ্‌গদ কণ্ঠে কলে, “ঈশ্বৰ মহৎ, এক ঈশ্বৰৰ বাহিৰে দ্বিতীয় ঈশ্বৰ নাই। এই বিশাল জগৎ তেখেতৰ—সকলো প্ৰশংসা তেখেতৰেই প্ৰাপ্য।”

মক্কাৰ পৰা ঘূৰি অহাৰ পিচত মহম্মদৰ শৰীৰ ক্ৰমে দুৰ্ব্বল হৈ আহিবলৈ ধৰিলে। গোটেই জীৱনব্যাপী সংগ্ৰাম নো আৰু কিমান সহ্য হব? লৰাকালত মাউৰা, ডেকাকালত স্বজাতি সকলৰ উৎপীড়ন, আদহীয়া বয়সত অবিশ্ৰান্ত যুদ্ধ! তথাপি তেখেতে ঈশ্বৰৰ নাম লৈ এই বিলাকলৈ কাণ কৰা নাছিল যদিও ভঙ্গুৰ দেহে আৰু সহিব নোৱাৰা হৈ উঠিল। ক্ৰমে তেখেতৰ অসুখ বাঢ়ি আহিল। প্ৰথমে মূৰৰ যন্ত্ৰণা হল; তাৰ পিচত জ্বৰ, তাৰে পৰাই গাৰ পোৰণি প্ৰভৃতি ৰোগে ক্ৰমে প্ৰৱল আকাৰ ধাৰণ কৰিলে।

হিজিৰীৰ একাদশ অব্দৰ ৰবি-অল-আউয়ল মাহৰ ৯ তাৰিখ

শুক্ৰবাৰৰ দিনা চিৰকালৰ নিয়ম অনুযায়ী মহম্মদে গাৰ বল নহলেও মনৰ বলেৰেই মছজিদত উপাসনা কৰিবলৈ ওলাল। দোখোজমান আগ বাঢ়োতেই মূৰ্চ্ছা হৈ তেওঁ মাটিত পৰি গল। গতিকে তেখেতৰ পৰিবৰ্ত্তে সেই দিনৰ কাৰণে আবুবকৰে মছজিদত উপাসনা কৰিবলৈ গল। মহম্মদৰ ঠাইত আবুবকৰক দেখি কিছুমান উপাসক বিৰক্ত হল আৰু কিছুমানে কান্দিবলৈ ধৰিলে।

অলপ সময় শুশ্ৰূষাৰ পিচত মহম্মদৰ জ্ঞান আহিল। মছজিদৰ উপাসনাত অলপ বেমেজালিৰ কথা শুনি তেখেতে আলী আৰু আব্বাসৰ কান্ধত ভৰ দি যেনেতেনে মছজিদলৈ গল। আবুবকৰৰ উপাসনা শেষ হলত মহম্মদে সমবেত মছলমান সকললৈ লক্ষ্য কৰি কবলৈ ধৰিলে, "তোমালোকে মোৰ মৃত্যুৰ কথা শুনি ভয় খাইছা? কিন্তু ইতিপূৰ্ব্বে কোনো পয়গম্বৰ চিৰজীবি হৈ থকা কথা তোমালোকে কব পাৰানে যে ময়ো মৃত্যুৰ হাত এৰাই তোমালোকৰ লগত চিৰকাল জীয়াই থাকিম? সকলো কাম ঈশ্বৰৰ ইচ্ছাতে সম্পন্ন হয়—সকলোৰে নিৰ্দ্দিষ্ট সময় এটাও আছে—তাৰ আগ পিচ কৰা (আমাৰ ইচ্ছামতে কাৰো সাধ্য নাই। যি মোক ইয়ালৈ পঠাইছিল মই তেখেতৰ ওচৰলৈকে আকৌ ঘূৰি যাবলৈ ওলাইছোঁ। তোমালোক একতা সূত্ৰত আবদ্ধ থাকিবা, পৰস্পৰে পৰস্পৰক প্ৰেম

আৰু সম্মান কৰিবা; বিপদৰ সময়ত এজনে আনক সহায় কৰিবা; ধৰ্ম্মবিশ্বাসত অটল থাকিবা আৰু সৎ কাম কৰিবলৈ উৎসাহ দিবা। প্ৰাৰ্থনা, ধৰ্ম্মবিশ্বাস আৰু সাধু-কাৰ্য্যৰ দ্বাৰাই মানুহ সৌভাগ্যবান হয়—আন কামে মানুহক নৰকগামী কৰে।”

ইয়াৰ পিচত আকৌ উপাসক সকলৈলৈ চাই কলে, “যদি ভুলক্ৰমেও কাৰোবাক কেতিয়াবা মাৰিছিলোঁ এতিয়া মোকো শাস্তি দিয়া, যদি কাৰোবাৰ পৰা কিবা নিছিলোঁ এতিয়া কোৱাহক মই ঋণমুক্ত হব খোজোঁ—মোৰ শেষ দিনলৈ সৰহ বাকী নাই আৰু।”

মছজিদত যথাকাৰ্য্য শেষ কৰি মহম্মদ আয়েসাৰ ঘৰত বল গৈ। তেখেতৰ অসুখ ক্ৰমে বাঢ়িবলৈ ধৰিলে। ইয়াৰ তিন দিনৰ দিনা তেখেতে নিজৰ অৱস্থা জানি তেখেতৰ দাস সকলক মুক্তি দিলে। নিজৰ যি বস্তু-বেহানি আছিল সকলো দুখীয়া মানুহক বিলাই দিলে; পিচত ওপৰলৈ চাই কলে, “প্ৰভু, মৃত্যু-যন্ত্ৰণাৰ সময়ত তুমি মোৰ সহায় হোৱাঁ, শান্তিময়।”

আয়েসা ভয় খাই উঠিল। ততালিকে মহম্মদক নিজৰ আঁঠুৰ ওপৰত কোলাকৈ তুলি লৈ শিৰত সুশীতল পানী ঢালিবলৈ ধৰিলে। আবুবকৰ প্ৰভৃতিক এই সংবাদ জনাই

লগতে লৈ আহিবলৈ মানুহ পঠালে। সিবিলাক আহি নৌ পাওঁতেই মহম্মদে ওপৰলৈ চাই কৃতাঞ্জলী হৈ—“হে প্ৰভু, তোমাৰ ইচ্ছা পূৰ্ণ হওক” বুলি চিৰকাললৈ চকু জিপিলে!

আয়েসা চিঞৰ মাৰি উঠিল! সেই আৰ্ত্ত অথচ শোক-পূৰ্ণ কান্দোনৰ চিঞৰত বহুতো মানুহ গোট খালে। শুদ্ধ বস্ত্ৰেৰে মহম্মদৰ পবিত্ৰ দেহ ঢাকি দিয়া হল। চাৰিও-ফালৰ কান্দোনত হাহাকাৰ পৰি গল যদিও মহম্মদৰ দেহত্যাগ হৈছে বুলি বহুতে বিশ্বাস কৰাই নাছিল! আবুবকৰ আহি আঠু কাঢ়ি ঢাকি থোৱা কাপোৰ দাঙি চুমা খাই কলে, “হজৰত, তুমিয়েই মোৰ পিতা, আৰু তুমিয়েই মোৰ আই আছিলা!”—আৰু একো মাতিব নোৱাৰিলে দুধাৰি চকুলো দুই গালে দি তুৰ তুৰকৈ বৈ গল মাথোন।

ৰবি-অল-আওল মাহৰ ১২ তাৰিখ সোমবাৰে (ইং ৬৩২ খৃঃ) মহম্মদে এই নশ্বৰ দেহ পৰিত্যাগ কৰি অনন্ত ধামলৈ পয়ান কৰিলে! আৰব দেশৰ সূৰ্য্য অস্ত গল—হায়! হায়!! বিধিৰ কি নিৰ্ম্মম বিধান!

মহম্মদৰ পূত শৰীৰ সুশীতল জলেৰে স্নান কৰালে, সুগন্ধি দ্ৰব্য লেপন কৰি পুষ্প মাল্যৰে সুশোভিত কৰি তিন দিনলৈ ৰাখি শিষ্য সকলে আহাৰ নিদ্ৰা ত্যাগ কৰি

দিনে ৰাতিয়ে ঈশ্বৰক উপাসনা কৰিবলৈ ধৰিলে। তৃতীয় দিনৰ দিনা আবুবকৰৰ কথা মতে তেখেতৰ দেহ আয়েসাৰ ঘৰত সমাধিস্থ কৰা হল। হেজাৰ হেজাৰ মানুহৰ শোকাৰ্ত্ত হাহাকাৰত মদিনা নগৰে শ্মশান বেশ ধাৰণ কৰিলে।

ওপৰঞ্চি কথা।

আজি প্ৰায় তেৰশ বছৰ অতীত হল মহম্মদে ইহলোক এৰি স্বৰ্গধামলৈ পয়ান কৰিলে কিন্তু আজিও পৃথিবীৰ অন্যূন ১৮ কোটী মানুহে তেওঁৰ নাম দিনে ৰাতিয়ে ভক্তিৰে লব লাগিছে, তেওঁৰ প্ৰতি কৃতজ্ঞতা জনাব লাগিছে। যি ধৰ্ম্মৰ প্ৰভাৱত অসভ্য আৰব জাতি মানুহ হৈ উঠিল সেই ধৰ্ম্মৰ প্ৰতিস্থাপক কোন? নিঃসহায়, নিঃকিন এনে কি দুবেলা দুমুঠি খাবলৈ সংস্থান নোহোৱা মহম্মদে কিহৰ বলত এই নতুন ধৰ্ম্ম স্থাপন কৰি সমাজক নতুন সঞ্জীবনী শক্তি দান কৰিবলৈ ক্ষমতা পালে? মহম্মদ নিজে নিৰক্ষৰ আছিল বুলিলেও অত্যুক্তি কৰা নহয়। তেওঁ কৰ পৰা কোৰাণৰ বিশুদ্ধ আৰবী ভাষা শুনালে? কি লাভ কৰি মহম্মদে পৃথিৱীৰ ৰাজসিংহাসন পায়ো ভৰিৰে ঠেলি পেলালে?—নিজে গৰীব বেশেৰে গোটেই জীৱন আনন্দেৰে কটাব পাৰিলে? সেয়ে হৈছে তেখেতৰ ধৰ্ম্মবল, ঈশ্বৰৰ ওপৰত

মহম্মদ চৰিত।

অটল বিশ্বাস ! ঈশ্বৰক যি লাভ কৰে তেওঁৰ মানত সংসাৰৰ যাবতীয় সম্পদ লোষ্ট্ৰবৎ নহৈ নো কি হব ?

যি সময়ত গোটেই আৰবদেশ মহম্মদৰ ইঙ্গিতত চলিছিল তেতিয়াও মহম্মদৰ অৱস্থা কেনে আছিল জানিলে বিস্ময় মানিব লগে। তেওঁৰ পিন্ধনত বাৰ শিয়নি মৰা এডোখৰ মাথোন কাপোৰ। কেতিয়াবা নতুন এখন পিন্ধিবলৈ পালে ঈশ্বৰক এইদৰে উপাসনা কৰিছিল, "প্ৰভু, তোমাৰ অশেষ করুণাৰ বলত মই মোৰ লাজ নিবাৰণ কৰিবলৈ এই কাপোৰ পাইছোঁ—মই জীয়াই থাকোঁ মানে ই মোৰ শোভা বঢ়াব। ইয়াৰ গুণ ভাগৰ কাৰণে তোমাক শত ধন্যবাদ কিন্তু ইয়াৰ দোষ ভাগৰ পৰা মোক সদায় ৰক্ষা কৰিবা।"

তেওঁ খাইছিল অতি সাধাৰণ আহাৰ। সিও বহুত দিন দুবেলাহে নেলাগে এবেলাকৈও মিলা নাছিল। অধিকাংশ সময় খেজুৰ খাই, কেতিয়াবা একেবাৰে নিৰম্বু উপবাস কৰি দিন নিয়াব লগা হৈছিল। শুইছিল কঠ এটাত। নিজৰ কাপোৰ নিজে ধুই নিকা কৰি লৈছিল। জোতা আৰু কাপোৰ ফাতিলে নিজ হাতে চিলাই কৰি লৈছিল। ঘৰ-দুৱাৰ নিজে সাৰি-পুছি পৰিষ্কাৰ কৰিছিল। অহঙ্কাৰ নিচেইকৈ নাছিল—আৱশ্যক মতে গাধাৰ ওপৰত উঠিও কোনো ঠাইলৈ গৈছিল। কোনো দাসে খাবলৈ নিমন্ত্ৰণ কৰিলে তালৈ কেতিয়াও অৱহেলা নকৰিছিল। তেওঁ

কৈছিল, "মই নিজেও এজন ঈশ্বৰৰ দাস" খাবৰ আগতে তেখেতে সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল। শত্ৰুক ক্ষমা কৰিছিল। বিলাসিতা সদায় বৰ্জ্জন কৰিছিল। গা ধোৱাৰ পূৰ্ব্বে তেওঁ সদায় দাঁত ঘঁহিছিল। মূৰত তেল আৰু চকুত অঞ্জন ঘনাই সানিছিল। তেখেতে কোনো অলঙ্কাৰ নিপিন্ধিছিল। এবাৰ এজন শিষ্যৰ আগ্ৰহ এবাৰ নোৱাৰি এটা সোণৰ আঙঠি পিন্ধি দুদিনৰ পিচত খহাই দি কৈছিল, "ই মনতো কেতিয়াবা ঈশ্বৰৰ পৰা আঁতৰ কৰিব খোজে। এনে বস্তু ব্যৱহাৰ কৰা অবিধি।"

তেওঁ সকলোকে সদয় ব্যৱহাৰ কৰিছিল, নিজৰ দাস সকলক বৰ পুতৌ কৰিছিল। লৰা-ছোৱালীক বৰকৈ মৰম চেনেহ কৰিছিল। কেতিয়াবা বাটে-পথেও লৰা-ছোৱালী লগ পালে খন্তেক বৈ সিহঁতৰে ধেমালি কৰিবলৈ ভাল পাইছিল। তেওঁৰ জীৱনত কেতিয়াও কাকো মৰা নাছিল। কাকো কোনো কথাত কেতিয়াও এষাৰ কেটেৰাই মতা নাছিল।

ৰোগী দেখিলে মহম্মদে নিজে শুশ্ৰূষা কৰিছিল। মৰা শৱ সৎকাৰ কৰিবলৈ নিজে কান্ধত বৈ লৈ গৈছিল। তেওঁ শোকাৰ্ত্তক সান্ত্বনা, দৰিদ্ৰক উৎসাহ আৰু নিৰাশ্ৰয়ক আশ্ৰয় দিছিল। তেওঁ সদায় প্ৰিয়বাদী আছিল।

ধৰ্ম্মৰ তত্ত্ব জানিবলৈ বহুতো মানুহ তেওঁৰ ওচৰলৈ আহিলে অতি সাদৰে থাকিবলৈ দিছিল। গৰীব, দুখী, ধনী, মানী সকলোৱে তেখেতৰ পৰা সমানে আদৰ পাইছিল।

মহম্মদে কেতিয়াও খৰকৈ কথা নকৈছিল; কিন্তু খোজ কঢ়াত তেওঁক বলে পৰা টান আছিল। তেওঁ মিঠাই আৰু মৌ খাবলৈ বৰ ভাল পাইছিল। বৰষুণৰ পানী ধৰি ৰাখি তাকে খাইছিল। নহৰু আৰু পিয়াজ তেওঁ কেতিয়াও খোৱা নাছিল। তেওঁ কথা পাতোঁতে সময়ত বৰকৈ হাঁহিছিল।

যুদ্ধলৈ যাওঁতে তেওঁ যুদ্ধৰ সাজ পিন্ধিছিল। তেওঁ ৩২ বাৰ যুদ্ধ যাত্ৰা কৰিব লগীয়া হৈছিল। তথাপি এদিনলৈকো তেওঁ হতাশ হোৱা নাছিল বা যাবলৈ হেলা কৰা নাছিল। কেতিয়াবা কোনো কথা মনত পেলাবলৈ কেঞা আঙ্গুলিত এটা গাথি দি থৈছিল। তেওঁ বৰ দানী আছিল। মৰিবৰ আগতে নিজৰ সকলো বস্তু দান কৰিছিল। ৰোগৰ সময়ত কিছুমান সোণৰ মোহৰ পাই গৰীব সকলক বিলাই দিবলৈ দিছিল। ৰোগৰ পৰা অলপ সংজ্ঞা পালেই সেই মোহৰবোৰ বিলাই দিয়া হল নে নহল খবৰ লৈছিল আৰু যেতিয়ালৈকে দিয়া হল বুলি জনা নাছিল তেতিয়ালৈকে খবৰ লৈয়ে আছিল।

জ্ঞান সম্পৰ্কে তেওঁৰ ধাৰণা অতি ওখ আছিল। তেওঁ কৈছিল, "জ্ঞানৰ বিষয়ে কথা কলে ঈশ্বৰকে প্ৰশংসা কৰা হয়,

জ্ঞান চৰ্চ্চা কৰিলে তেওঁকে পূজা কৰা হয়, আৰু জ্ঞান দানেই হে প্ৰকৃত দান"।

আৰব জাতিক একতা ডোলত বন্ধাই তেখেতৰ জীৱনৰ ব্ৰত আছিল। ঈশ্বৰৰ কৃপাত সেই ব্ৰত তেখেতে পালন কৰিবলৈ সক্ষম হৈছিল। কুসংস্কাৰপূৰ্ণ আৰব দেশত সত্যধৰ্ম্ম দান কৰাই মহম্মদৰ একমাত্ৰ লক্ষ্য আছিল। সেই আদৰ্শ তেওঁ পূৰ্ণভাৱে লাভ কৰিছিল।

* * *

কোৰাণ

কোৰাণ মছলমান সকলৰ ধৰ্ম্মগ্ৰন্থ। এই গ্ৰন্থত এশ চৈধ্যতা সুৰা অৰ্থাৎ অধ্যায় আছে। ঈশ্বৰ ভাৱত অনুপ্ৰাণিত হৈ মহম্মদে শিষ্য সকলক যি মনমোহা উপদেশ দিছিল আৰু সময়ত ঈশ্বৰৰ পৰা যি আদেশ পাইছিল মহম্মদৰ শিষ্য সকলে তাকে মনত ৰাখি শেহত লিখি থৈছিল। পোন প্ৰথমে আবুবকৰ যেতিয়া খলিফা আছিল তেতিয়া কোৰাণ লিখা হৈছিল কিন্তু তেতিয়াৰ খনত বহুতো ভুল থকা বুলি জানি শেহত 'অথমান' বুলি খলিফা এজনৰ দিনত সম্পূৰ্ণভাৱে আৰু নতুনকৈ কোৰাণ লিখোৱা হয়।

কোৰাণ অকল ধৰ্ম্ম গ্ৰন্থই নহয় ই-আইন আৰু বিজ্ঞান শাস্ত্ৰ। ইয়াৰ বিধি-নিষেধ মানিয়েই মছলমানসকল সকলো বিষয়তে চলি থাকে।

মছলমান সকলৰ বিশ্বাস এই কোৰাণ ঈশ্বৰৰ বাণী। কোৰাণত অটল বিশ্বাস ইছলাম ধৰ্ম্মৰ প্ৰথম কথা।

অবিশ্ৰান্ত প্ৰাৰ্থনা ইছলাম ধৰ্ম্মৰ মূল নীতি মহম্মদে উপাসনাক 'স্বৰ্গৰ চাবি" বুলিছিল। ইছলাম ধৰ্ম্মমতে দিনে ৰাতিয়ে পাঁচবাৰ বেলেগ বেলেগ পদ্ধতিৰে নামাজ পঢ়িবৰ নিয়ম। নামাজৰ আগতে শুচি হবৰ কাৰণে অজু কৰিব লাগে অৰ্থাৎ হাত, মুখ, চকু-কাণ ধুব লাগে। পানী নেপোৱা ঠাইত মাটি ঘহিও শুচি হব পাৰে।

উপাসনা আৰু উৎসৱ

ইছলাম ধৰ্ম্মত পুৰুহিত নালাগে। প্ৰত্যেক মসজিদতে একোজন ইমাম আৰু মুৱেজ্জিন থাকে। ইমামে সামাজিক উপাসনা বা উপদেশকৰ কাম কৰে আৰু মুৱেজ্জিনে উপাসনাৰ সময়ত মসজিদৰ ওপৰত উঠি চিঞৰি ২ মছলমান সকলক উপাসনা কৰিবলৈ আহ্বান কৰে। শুক্ৰবাৰে বিশেষভাৱে নামাজ পঢ়া হয়—তাৰ নাম জুম্মা। ধাৰ্ম্মিক সকলে মালা জপ কৰে। মালাত ৯৯টি গুটি থাকে। 'ঈশ্বৰ ধন্য' বা, ঈশ্বৰ মহৎ' এয়ে মালাজপৰ ঘাই মন্ত্ৰ। সকলো মছলমানেই মক্কা কাবা মন্দিৰৰ ফালে মুখ কৰি উপাসনা কৰিব লাগে।

ইন্দ্ৰিয়সংযম শিক্ষা দিবৰ কাৰণে মহম্মদে উপৱাস কৰিবৰ নিয়ম কৰি গৈছে। এই উপৱাস ঘাইকৈ ৰমজান মাহত কৰা

হয়। ৰমজান মাহতে কোৰাণ পূৰ্ণভাৱে লিখা হৈছিল কাৰণে এই মাহটো বৰ পুণ্য মাহ বুলি গণ্য কৰে। ৰমজান মাহৰ উপবাসৰ শেহৰ দিনাৰ উৎসৱৰ নাম 'ইদ্-আল্-ফিতৰ'। এই দিনত আমোদ উৎসৱ, ধ্যান, উপাসনা, ভিক্ষাদান প্ৰভৃতি কাৰ্য্য কৰা হয়।

মছলমান সকলৰ দ্বিতীয় উৎসৱৰ নাম "ইদ্-আল্-জ্জোহা"। এই উৎসৱ জলহিজ্জ মাহৰ দশম দিনৰ দিনা হয়। 'বক্ৰা-ইদ' মছলমান সকলৰ তৃতীয় উৎসৱ। এই উৎসৱ তিন দিন থাকে। ইয়াৰ বিশেষত্ব ছাগলী প্ৰভৃতি প্ৰথম দিনা বধ কৰি তাৰ মাংস দুখীয়াক খাবলৈ দিয়া হয়। 'ফতেহা-দুয়াজ-দাহাম'—এই উৎসৱ এদিন মাথোন হয়। এই উৎসৱত নিশি পালন কৰি কোৰাণ পাঠ প্ৰভৃতি ধৰ্ম্ম কাৰ্য্য কৰা হয়। মহম্মদে এই ৰাত্তিয়েই প্ৰথম দিনা ঈশ্বৰৰ আদেশ লাভ কৰিছিল। 'মহৰম' মছলমান সকলৰ উৎসৱ হলেও মহম্মদে এই উৎসৱ পাতি যোৱা নাই। মছলমানৰ মতে বছৰৰ প্ৰথম দহদিন ব্যাপি এই উৎসৱ হয়। চুন্নি সকলে সেই সময়ত উপবাস কৰে আৰু চিয়া সকলে মহম্মদৰ নাতীয়েক হোচেনৰ মৃত্যু স্মৰণ কৰি শোকৰ উৎসৱ কৰে।

* * *

সম্প্ৰদায়

মছলমান সকল ঘাইকৈ দুই ভাগত বিভক্ত—চিয়া আৰু চুন্নি। চুন্নি সকলে চিৰকাল চলি অহা প্ৰথা মতে কোৰাণত নথকা কথাও মানে আৰু

কোৰাণৰ বিশিষ্ট কেজনমান টীকাকাৰৰ ব্যাখ্যা মানি থাকে যেনে আবু হানিফা, মালেক ইত্যাদি। চিয়া সকলে অলীক বহুতো কথা মানে। সেই হিচাবৰ প্ৰথা বিলাক সিবিলাকে বিশ্বাস কৰে। চিয়া মত পাৰস্য দেশত, তুৰস্কত চুন্নি আৰু ভাৰতৰ সৰহভাগেই চুন্নি মতাবলম্বী।

মছলমান সকলৰ ভিতৰত এদল সাধকৰ নাম 'সুফি'। ইবিলাক একপ্ৰকাৰ 'অদ্বৈতবাদী। ঈশ্বৰ সকলোৰে ভিতৰত আছে; সাধনাৰে ঈশ্বৰে মিলন হয় এই কথা সিবিলাকে মানে।

'ওয়াহাবী' বুলি আৰু এটা মছলমান সম্প্ৰদায় আছে আৰবত। কুসংস্কাৰ একেবাৰে পৰিত্যাগ কৰি ঠিক কোৰাণৰ মতে চলাই এই সম্প্ৰদায়ৰ বিশেষত্ব।

মছলমান সকলৰ ভিতৰত আৰু এক শ্ৰেণীৰ সাধকৰ নাম 'দৰবেশ' বা ফকিৰ। ইবিলাকে সদায় ঈশ্বৰৰ নাম লয় আৰু সমাধি বিশ্বাস কৰে যে নাম লওঁতে লওঁতেই ইবিলাক সকলোৰেই সমাধি অবস্থা লাভ হব।

=। অন্ত ।=